## ভিতৰৰ পৃষ্ঠাত


| | |
|---|---|
| আঞ্চলিক | পৃষ্ঠা ৩ |
| ককা আৰু নাতিনীৰ.. | পৃষ্ঠা ৫ |
| এচেৰেঙা শৈশৱৰ.. | পৃষ্ঠা ৬ |
| গুণী পেহী | পৃষ্ঠা ৮ |
| গণপ্ৰহাৰকাৰীৰ.. | পৃষ্ঠা ৯ |



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.com ত উপলব্ধ

# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ

■Vol :9 ■Issue :32 ■Guwahati ■Wednesday ■ 23 March, 2022 ■ Rs. 5 ■বছৰ - ৯ ■সংখ্যা -৩২ ■গুৱাহাটী ■ বুধবাৰ ■ ৮ চ'ত, ১৯৪৩ শক ■মূল্য ঃ ৫ টকা


### শক্তি বিভাগক মাচুল বৃদ্ধিৰ সিদ্ধান্ত প্ৰত্যাহাৰৰ দাবী দল-সংগঠনৰ

## প্ৰতি ইউনিটত বিদ্যুৎ মাচুল ৫৯ পইচাকৈ বৃদ্ধি

**ষ্টাফ ৰিপ'ৰ্টাৰঃ** অহা ১ এপ্ৰিলৰ পৰা অসমত বৃদ্ধি পাব বিদ্যুৎৰ মাচুল। গ্ৰাহকক মাধমাৰ সোধাই প্ৰতি ইউনিট বিদ্যুৎৰ মাচুল ৫৯ পইচাকৈ বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰিছে ৰাজ্যচৰকাৰে। ৰাজ্যিক বিদ্যুৎ নিয়ামক আয়োগৰ অধ্যক্ষ কুমাৰ সঞ্জয় কৃষ্ণই সোমবাৰে এখন সংবাদমেলত অহা ১ এপ্ৰিলৰ পৰা প্ৰতি ইউনিট ঘৰুৱা বিদ্যুৎতৰ মাচুল বৰ্তমানৰ ৬.৮০ টকাৰ পৰা ৫৯ পইচাকৈ বৃদ্ধি পাব বুলি ঘোষণা কৰে। সংবাদমেলত বিদ্যুৎ নিয়ামক আয়োগৰ অধ্যক্ষগৰাকীয়ে বিদ্যুৎৰ ফিক্সড চাৰ্জ বৃদ্ধি পাব বুলিও জানিবলৈ দিয়ে। ফিক্সড চাৰ্জ বৰ্তমানৰ ৫০ টকাৰ পৰা বাঢ়ি ১ এপ্ৰিলৰ পৰা



৬০ টকা হ'ব। একেদৰে এনাৰ্জি চাৰ্জ ৪০ পইচাকৈ বৃদ্ধি পাব বুলিও সদৰী কৰে কুমাৰ সঞ্জয় কৃষ্ণই। অধ্যক্ষগৰাকীয়ে সংবাদমেলত কয় যে এপিডিচিএলে বিদ্যুৎ মাচুল ৩৮ শতাংশ বৃদ্ধিৰ প্ৰস্তাৱ দিছিল যদিও আয়োগে এই প্ৰস্তাৱ নামানি মাত্ৰ ৮ শতাংশহে বিদ্যুৎ মাচুল বৃদ্ধিৰ অনুমোদন দিয়াত ১ এপ্ৰিলৰ পৰা বিদ্যুৎ মাচুল ১৫ পৃষ্ঠাত



## দেশত পুনৰ বাঢ়িল পেট্ৰ'ল ডিজেলৰ মূল্য

**ষ্টাফ ৰিপ'ৰ্টাৰঃ** সুদীৰ্ঘ প্ৰায় ১৩৭ দিনৰ অন্তত দেশত বৃদ্ধি পালে পেট্ৰ'ল-ডিজেলৰ মূল্য। ইন্ধনৰ লগতে ৰন্ধন গেছৰ ঘৰুৱা চিলিণ্ডাৰৰ মূল্যও ৫০ টকাকৈ বৃদ্ধি পাইছে। মঙলবাৰে পুৱাৰ পৰা কাৰ্যকৰী হৈছে এই নতুন নিৰিখ। আই অ' চিৰ সূত্ৰই জনোৱামতে দেশত প্ৰতি লিটাৰ পেট্ৰ'লত ৮০ পইচাকৈ মূল্য বৃদ্ধি হৈছে। গুৱাহাটীত অৱশ্যে পেট্ৰ'লত ৮৮ পইচা আৰু ২ পৃষ্ঠাত

## নলবাৰীত জনস্বাস্থ্য-কাৰিকৰী বিভাগত দুৰ্নীতি, কাৰ্যবাহী অভিযন্তাৰ বিৰুদ্ধে গোচৰ

**ষ্টাফ ৰিপ'ৰ্টাৰঃ** জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগৰ নলবাৰী সংমণ্ডলত ভয়াৱহ দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। এনে অভিযোগ অনুসৰি সংমণ্ডলটোত কাম নকৰাকৈ ঠিকাদাৰক মোকলাই দিয়া হৈছে লাখ লাখ টকা। বিভাগটোৰ নলবাৰী সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা অৱতাৰ সিঙৰ নেতৃত্বতে এনে দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উঠিছে। শেহতীয়াভাৱে নলবাৰীৰ এটা এনজিঅক ২ পৃষ্ঠাত

## জোঙাল বলহু গড় পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা ২০ মাৰ্চত তিৱা জনগোষ্ঠীৰ কিংবদন্তি বীৰ পুৰুষ জোঙাল বলহুৰ নামেৰে নামাংকিত ৰহাৰ ঐতিহ্যমণ্ডিত জোঙাল বলহু গড়ত উপস্থিত হৈ প্ৰায় চাৰি কিলোমিটাৰ পদব্ৰজে ভ্ৰমণ কৰি গড়টো চৰজমিন পৰিদৰ্শন কৰে। ইয়াৰ পাছতে জোঙাল বলহু গড় তথা মীনপামৰ চৌহদত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা বাৰ্তালাপৰ সময়ত ১৫ পৃষ্ঠাত

### ৰাজ্যসভাৰ দুখন আসনৰ বাবে তিনি প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল

## মিত্ৰজোঁটৰ দুয়োগৰাকী জয়ী হ'ব ঃ মুখ্যমন্ত্ৰী

### কংগ্ৰেছ বিধায়কৰ ঘৰে ঘৰে ভিক্ষা বিচাৰি ফুৰিছে মুখ্যমন্ত্ৰীয়ে ঃ ভূপেন বৰা



**ষ্টাফ ৰিপ'ৰ্টাৰঃ** ৰাজ্যসভাৰ দুখন আসনৰ বাবে অহা ৩১ মাৰ্চত অনুষ্ঠিত হ'বলগা নিৰ্বাচনৰ বাবে যোৱা ২১ মাৰ্চত তিনিগৰাকী প্ৰাৰ্থীয়ে নিজৰ নিজৰ মনোনয়ন পত্ৰ দাখিল কৰে। মিত্ৰজোঁটৰ হৈ বিজেপিৰ প্ৰাৰ্থী পবিত্ৰ মাৰ্ঘেৰিটা আৰু ইউপিপিএল দলৰ প্ৰাৰ্থী ৰণগৌৰা নাৰ্জাৰিয়ে নিজৰ মনোনয়ন পত্ৰ দাখিলৰ বিপৰীতে বিৰোধী ঐক্যমঞ্চৰ হৈ ২ পৃষ্ঠাত

## সোলা মুখৰ হাঁহি

নুৰুল ইছলাম



অসমীয়াত যে কথা এষাৰ আছে বোলে— 'এনে বুঢ়ী নাচনী তাতেই আকৌ নাতিনীয়েকৰ বিয়া'। অমুকাৰ জনীৰো কেৰেকটাৰটো ২ পৃষ্ঠাত

## যুদ্ধকালীন তৎপৰতাৰে চলিছে ব্ৰহ্মপুত্ৰৰ ওপৰত গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলঙৰ নিৰ্মাণকাৰ্য

### ২০২৩ চনৰ ১৫ আগষ্টত যাতায়তৰ বাবে মুকলি কৰাৰ লক্ষ্য

**অসম ভূমি সেৱা, আজাৰাঃ** ২০১৬ চনত প্ৰথমবাৰৰ বাবে অসমৰ শাসনলৈ অহা সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন বিজেপি মিত্ৰজোঁটৰ চৰকাৰৰ উল্লেখনীয় কামৰ ভিতৰত অন্যতম আছিল ব্ৰহ্মপুত্ৰৰ ওপৰত গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী ছয়লেনযুক্ত নিৰ্মাণ কাৰ্য। ভাৰত চৰকাৰৰ জৰিয়তে নিউ ডেভলপমেণ্ট বেংকৰ পৰা লাভ কৰা ২,৬০৮.৬৮ কোটি টকা ব্যয়ৰে নিৰ্মাণ কাৰ্য চলি থকা দলঙখন অসম চৰকাৰৰ লোকনিৰ্মাণ পথ বিভাগৰ ইতিহাসত আটাইতকৈ অধিক ব্যয় আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা প্ৰথমখন দলং হিচাপে পৰিগণিত হ'ব। উল্লেখযোগ্য যে লোকনিৰ্মাণ বিভাগৰ 'বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্প চমুকৈ ২ পৃষ্ঠাত



*১ পৃষ্ঠাৰ পৰা*

# দেশত পুনৰ বাঢ়িল

প্ৰতি লিটাৰ ডিজেলত ৬৯ পইচাকৈ মূল্য বৃদ্ধি ঘটিছে। দিল্লীত প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য পূৰ্বৰ ৯৫.৪১ টকাৰ সলনি মঙলবাৰে হয়গৈ ৯৬.২১ টকা। একেদৰে ডিজেলৰ মূল্য প্ৰতি লিটাৰত ৮৬.৬৭ টকাৰ পৰা বাঢ়ি হয়গৈ ৮৭.৪৭ টকা। মুম্বাই, চেন্নাই আৰু কলকাতাত মঙলবাৰৰ দিনটোত প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য হয়গৈ ক্ৰমে ১১০.৮২ টকা, ১০২.১৬ টকা আৰু ১০৫.৫১ টকা। আনহাতে গুৱাহাটীত মঙলবাৰৰ দিনটোত প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য পূৰ্বৰ ৯৪.৫৮ টকাৰ পৰা বাঢ়ি হয়গৈ ৯৫.৫১ টকা। আনহাতে ডিজেলৰ মূল্য পূৰ্বৰ ৮১.২৯ টকাৰ পৰা বৃদ্ধি পাই মঙলবাৰৰ দিনটোত ৮২.০২ টকা হয়। আনহাতে ৰাজহাসায্য বিহীন ৰন্ধন গেছৰ চিলিণ্ডাৰৰ দাম ৫০ টকাকৈ বৃদ্ধি পাইছে।

# সোলা মুখৰ হাঁহি

দস্তুৰমত ঠিক তেনেকুৱা। মানে কিবাকৈ কাণত পৰিলেই হ'ল। বিবাহ-সবাহৰ পৰা একেবাৰে তোলনী বিয়া, জন্ম দিন, মৃত্যু দিন একোকে সাৰি যাবলৈ নিদিয়ে। য'ৰ পৰাই নহওক যিকোনো প্ৰকাৰে নিমন্ত্ৰণ এটা পালেই হ'ল। লাগিলে কোনোবা সম্বন্ধীয়া ভিনিহিয়েকৰ খুড়াকৰ খুলশালীয়েকেই হওক। মুঠতে যেনেকৈ নহ'লেও সুযোগ ফেৰা ধৰিহে এৰিব। আচলতে মানুহজনীৰ এই বেমাৰটো আজিৰ নহয়। মাকৰ ঘৰখনৰ পৰাই লগত অনা। আজিৰ দিনত বিয়া সকাম এখনলৈ যাব লাগিলে কিমান ভৰিব লাগে সেইটো মই হে জানো। তেওঁৰ মতে কিন্তু কেৱল যাব লাগে আৰু ডিঙিলৈকে গিলিব লাগে। তাৰ লগতে মোবাইলটোত ফটো কেইটামান তুলি আনি ফেচবুকটোত উঠাই দিব লাগে। তাতকৈ ডাঙৰ কথাটো হ'ল মানুহজনীয়ে এখন শাৰীৰে আজিলৈকে দুখন বিয়া খাবলৈ গৈ নাপালে। মানে ক'ৰবালৈ মৰাৰ সকাম এভাগ খাবলৈ যাব লাগিলেও নতুন কাপোৰ এযোৰ লাগিবই। কাৰণটো হ'ল ফটোবোৰৰ কিবা বোলে মডেলিঙটো ভাল নহ'লে হেনো লাইট, কাৰেণ্ট নে কি সেইবোৰ বহুত কমকৈ আহে। হ'বও পাৰে। মুঠতে ফেচবুকত লাইট-চাইট নহা কথাবোৰহে চিন্তা কৰে। দস্তুৰমত নিজৰ মানুহটোৰে যে জাংগিয়াৰ নামত ইলাষ্টিক ডাল আৰু বনিয়নৰ নামত মকৰাজাল এখন পিন্ধি ফুৰো সেইবোৰ কোনোদিনেই নেভাবিলে। ইফালে আকৌ বয়স ডাল চেঞ্চুৰী মাৰো মাৰো হৈছে যদিও পাতিহাঁহৰ পায়ু যেন ওঁঠ দুটি টিকটিকিয়া কৰি ধুনপেচ মাৰি ফুৰিবলৈ হ'লে নেৰিলে। মানুহৰ আগত মোৰহে লাজ লাগে। এইবোৰক লৈ কিবা এটা বুজনিৰ সুৰত ক'লেও ওচৰতে যি পাই তাকেই পোনচাটেই ইউজ কৰে। অপেনলি ক'বলৈ অলপ দিগদাৰ। মুঠতে এইবোৰ বহুত কথা। কাকনো কম কোনে পতিয়াব বোলাৰ দৰেই হৈছে। প্ৰকৃততে অমুকাই সন্ধিয়া লগাৰ পাছত চকুহালেৰে দেখা নোপোৱা পয়মালটোৰ বাবেহে এই দশা হ'ল। তাকেলৈও কুকুৰীকণা বুলি নিজৰ মানুহজনীয়েই হাঁহে। গতিকে কথাবোৰ ফৰকাল কৰা মানেও বাটৰ কচু গাঁত ঘঁহা এইমখাতে আধ্যা পৰিলো। হওক কিবা চাকৰি-বাকৰি বা ডাঙৰ বিজনেছ-তিজনেছ থাকিলেও কথা বেলেগ আছিল। দিনৰ দিনটো টিকাৰ খৰ খজুৱাই অ'টোখন চলাই কেইডালনো টকা পাওঁ। পিছে সৌ সিদিনা চাৰিআলিৰ পৰা আহি সন্ধিয়া অ'টোখন লৈ ঘৰ সোমাইছোহে। হাতমুখ ধুবলৈ পোৱাই নাই। চালিখনৰ তলত অ'টোখন সুমুৱাই থৈ শাক-পাচলিৰ টোপোলা দুটা হাতত লৈ বাৰণ্ডাত বহি থকা মানুহজনীৰ ওচৰ পোৱাৰ মুহূৰ্তে কৈ উঠিল—

ঃ হেৰি নহয়। আজি আমাৰ ভিনিদেউৰ খুড়াকৰ ল'ৰাটো আহিছিল। পৰহি বোলে ঘৈণীয়েকৰ সকাম ভাগ পাতিছে। গতিকে যেনেতেনে এবাৰ দেখা দিবলৈ কৈ গৈছে।

মানুহজনীৰ মুখৰ পৰা শব্দ কেইটা শুনাৰ লগে লগেই মুহূৰ্ততে মূৰটোৰ ওপৰতে পকা বেল এটা সৰি পৰা যেন লাগিল। এনেয়েই ভাড়া-চাৰা বুলিবলৈ নাই তাতেই আকৌ এইডাল আপদ চাপিল। কিছু সময় টলকা মাৰি থাকি সন্ধিৰ বাঁহ বুদ্ধিৰে কটাৰ চলেৰে লাহেকৈ ক'লো—

ঃ তাকেহে ৰবা। চাৰিআলিত লগ পাই মানুহৰ মাজতে বৰ দুখ এটা সুমুৱাই দি গ'লহি নহয় ভিনিয়েৰাৰ ভায়েকটোৱে। মোৰ কথা শুনি মানুহজনী আচৰিত হৈ তপৰাই কৈ উঠিল— কিনো ক'লে হয়নে?

ঃ নক'বা আৰু বুজিছা। এনেকুৱা নিৰ্দয় মানুহো বাৰু থাকেনে। ক'লে যে দেখা দিবই কিন্তু। প্ৰথম জনী আৰু দ্বিতীয় জনীৰ সকামতো নগ'লেই। গতিকে এইবাৰ চাওঁচোন কি কৰে। আপুনিতো আজিলৈ এজনীৰেই পাতিব নোৱাৰিলে। দেখিলে মই তিনি বছৰত তিনিজনীৰেই পাতি পেলালো।

ঃ চোৱাচোন কেনেকুৱা মানুহ। তিনিজনীকৈ ঘৈণীয়েকৰ মূৰ খাই সকাম পাতি গৌৰৱহে কৰিলে। আনকি অমুকায়ো সকাম পাতিব লগা হোৱাটোহে কামনা কৰিছে। অমুকাৰ কথাযাৰ শুনা মাত্ৰকে উৰালত তামোল খুন্দি থকা শাহুআইগৰাকীয়ে দাঁত নাইকিয়া সোলা মুখখন খঙতে চেপি ধৰি এঙাৰবৰণীয়া হৈ পৰা জীয়েকৰ মুখৰ ফালে ভেলেঙা লাগি চাই ৰ'ল।

# নলবাৰীত জনস্বাস্থ্য-কাৰিকৰী বিভাগত

কাম নকৰাকৈ ৩৪ লাখ ২০ হাজাৰ টকা দুটা কিস্তিত মোকলাই দিয়াৰ অভিযোগ তুলি বিভাগটোৰ নলবাৰী সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা অৰতাৰ সিঙসহ মুঠ ছয়জনৰ বিৰুদ্ধে নলবাৰী সদৰ থানাত এখন এজাহাৰ দাখিল কৰিছে ধনজিৎ দাস নামৰ যুৱকজনে। এই বাতৰি লিখা পৰলৈকে উক্ত এজাহাৰৰ ভিত্তিত গোচৰ পঞ্জীয়ন হোৱা নাই যদিও চৰকাৰী ধনৰ অপব্যৱহাৰৰ অভিযোগত আৰক্ষীয়ে জলসিঞ্চন বিভাগৰ নলবাৰী সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাগৰাকীক সোধা-পোচা কৰাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। ইপিনে জিলাখনৰ সচেতন ৰাইজে বিভাগটোত সংঘটিত এনে অনিয়মৰ বিৰুদ্ধে উচ্চ পৰ্যায়ৰ তদন্তৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক দাবী জনাইছে।

# মিত্ৰজোঁটৰ দুয়োগৰাকী জয়ী হ'ব

মনোনয়ন পত্ৰ দাখিল কৰে কংগ্ৰেছ নেতা ৰিপুন বৰাই। বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ মনোনয়ন দাখিলৰ সময়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা, অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰা, ইউপিপিএলৰ সভাপতি তথা বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োকে ধৰি মিত্ৰজোঁটৰ আটাই কেইটা দলৰে শীৰ্ষ নেতা, কেইবাগৰাকী মন্ত্ৰী-বিধায়কো উপস্থিত থাকে। মিত্ৰজোটৰ প্ৰাৰ্থীৰ মনোনয়ন দাখিলৰ অন্ততন মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰ কয় যে ৰাজ্যসভাৰ দুয়োখন আসনতে বিজেপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ জয় লাভ নিশ্চিত। ইপিনে ৰাজ্যসভা নিৰ্বাচনৰ বাবে বিৰোধীৰ উমৈহতীয়া প্ৰাৰ্থী, কংগ্ৰেছ নেতা ৰিপুন বৰাই যোৱা ২১ মাৰ্চত সকলো বিৰোধী দলৰ নেতা আৰু বিধায়কসকলক লৈ মনোয়ন পত্ৰ দাখিল কৰে। দিনৰ ১১ বজাত কংগ্ৰেছ, এআইইউডিএফ, ৰাইজৰ দল, চিপিএম দলৰ মুঠ ৪৩ গৰাকী বিধায়কৰ উপৰি কেউটা বিৰোধী দলৰ কেইবাগৰাকীও নেতা ৰিপুন বৰাৰ মনোনয়ন দাখিলৰ সময়ত উপস্থিত থাকে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, উপ-দলপতি ৰকিবুল হুছেইনৰ লগতে দলৰ কেইবাগৰাকীও নেতাই এই মনোনয়ন দাখিলৰ সময়ত উপস্থিত থাকি বিৰোধী দলৰ বিধায়কসকলৰ সমৰ্থনত দলৰ প্ৰাৰ্থীগৰাকীয়ে নিশ্চিতভাৱে জয়লাভ কৰিব বুলি দৃঢ়তাৰে মন্তব্য কৰে। ইফালে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত ভূপেন কুমাৰ বৰাই কয় যে অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে এতিয়া কংগ্ৰেছ বিধায়কৰ ঘৰে ঘৰে ৰাজ্যসভাৰ বাবে ভোট ভিক্ষা কৰি গভীৰ ষড়যন্ত্ৰ আৰম্ভ কৰিছে যদিও বিৰোধীৰ ঐক্যবদ্ধ শক্তিয়ে সেই ষড়যন্ত্ৰ ওফৰাই পেলাব। সংসদীয় ইতিহাসত অতি নিম্নমানৰ আৰু ৰুচিহীন পৰম্পৰা সৃষ্টিত সদায় সক্ৰিয় হৈ থকা ড০ হিমন্ত বিশ্ব শৰ্মাই গণতান্ত্ৰিক পৰম্পৰাক থানবান কৰি কেৱল ক্ষমতাৰ লালসাত বলিয়ান হৈ এনে জঘণ্য নজীৰ ৰচনা কৰিব পাৰে বুলিও ভূপেন কুমাৰ বৰাই মন্তব্য কৰে। কংগ্ৰেছ আৰু এআইইউডিএফৰ সকলো বিধায়কৰ উপৰি ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈ আৰু চিপিএম দলৰ বিধায়ক মনোৰঞ্জন তালুকদাৰ মনোনয়ন দাখিলৰ সময়খিনিত উপস্থিত থাকি প্ৰাৰ্থী ৰিপুন বৰালৈ পূৰ্ণ সমৰ্থন আগবঢ়ায়।

# যুদ্ধকালীন তৎপৰতাৰে চলিছে

ইএপিৰ ব্ৰহ্মপুত্ৰ দলং সংমণ্ডলে নিৰ্মাণ কৰি থকা দলঙখনৰ নিৰ্মাণকাৰ্যৰ আধাৰশিলা ২০২০ বৰ্ষৰ পহিলা মাৰ্চত স্থাপন কৰা হৈছিল। তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে বৰ্তমানৰ মুখ্যমন্ত্ৰী তথা সেই সময়ৰ অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত মাংগলিক কাৰ্যৰ মাজেৰে দলং নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিছিল। আধাৰশিলা স্থাপনৰ সময়তে দলঙখন ২০২৩ বৰ্ষত স্বাধীনতা দিৱস তথা ১৫ আগষ্টত ৰাইজৰ যাতায়াতৰ বাবে মুকলি কৰা হ'ব বুলি সৰ্বানন্দ সোণোৱাল আৰু ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছিল। আনহাতে দলঙখনৰ নিৰ্মাণ কাৰ্যৰ ঠিকা লাভ কৰিছে হাৰিয়ানাৰ পঞ্চকুলাৰ মেচাৰ্ছ এছপি ছিংলা নামৰ এটা প্ৰখ্যাত নিৰ্মাণকাৰী প্ৰতিষ্ঠানে। উল্লেখযোগ্য যে দলঙখন নিৰ্মাণ হ'লে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ সৈতে গুৱাহাটীৰ লগত যাতায়াতৰ ক্ষেত্ৰখনত এক নতুন দিগন্তৰ সূচনা হোৱাটো নিশ্চিত। বিশেষকৈ চাংসাৰীত নিৰ্মাণ কাৰ্য চলি থকা আৰু চলিত বৰ্ষৰ আগষ্ট মাহৰ ভিতৰত মুকলি হ'বলগীয়া সৰ্বভাৰতীয় চিকিৎসা সেৱা প্ৰতিষ্ঠান চমুকৈ এই মছলৈ যাতায়ত ব্যৱস্থা গুৱাহাটীৰ পৰা অতি সুচল হোৱাৰ উপৰিও বাইহাটা চাৰিআলিৰ পৰা আৰম্ভ কৰি দৰং, ওদালগুৰি বাগছা, শোণিতপুৰসহ উত্তৰ অসম আৰু চুবুৰীয়া অৰুণাচল প্ৰদেশৰো লোক সহজতে গুৱাহাটীলৈ অহা যোৱা কৰিব পাৰিব। ১,২৪০ মিটাৰ দৈৰ্ঘ্যৰ আৰু ৩৩ মিটাৰ বহলৰ ছয়লেনযুক্ত দলঙখন পথ সহিতে মুঠ দৈৰ্ঘ্য হ'ব ৮,৪০৫ কিঃমিঃ। ইতিমধ্যে নদীৰ ওপৰত পদপথ সহিতে থাকিবলগীয়া ১,২৪০ মিটাৰ অংশত ৬ টা খুটা থাকিব। প্ৰতিটো খুটাৰ মাজত ব্যৱধান হ'ব প্ৰায় ২০০ মিটাৰ। লোকনিৰ্মাণ বিভাগৰ সূত্ৰই সদৰী কৰা অনুসৰি ইএপিৰ মুখ্য অভিযন্তা পৱন টেৰণৰ নেতৃত্বত অধীক্ষক অভিযন্তা ভুদেৱ শৰ্মা, ব্ৰহ্মপুত্ৰ দলং সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা ডিম্বেশ্বৰ কামান, সহকাৰী কাৰ্যবাহী অভিযন্তাদ্বয় গৌতম ডেকা আৰু সমীয়া দাসগুপ্তই দিনে নিশাই নিৰ্মাণ কাৰ্যৰ তদাৰক কৰি আহিছে। তদাৰক কৰি থকা অভিযন্তা সকলে জানিবলৈ দিয়া মতে এই পৰ্যন্ত দলঙখনৰ ৫৫ শতাংশৰো অধিক নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছে। সমান্তৰালভাৱে দলঙৰ খুটা সমূহৰো পানীৰ তলত থাকিবলগীয়া অংশৰ (৫০ৰ পৰা ৬০ মিটাৰ পৰ্যন্ত গভীৰতা) নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছে। আনহাতে দলঙখনৰ দক্ষিণ পাৰৰ অংশটো দীনেশ গোস্বামী পথৰ ভূতনাথত সংযোজিত হ'ব। আনহাতে আৰম্ভণিৰে পৰা গড় হিচাপত দৈনিক প্ৰায় এক হাজাৰৰো অধিক শ্ৰমিক নিৰ্মাণ কাৰ্যৰ সৈতে জড়িত হৈ থকা দলঙখন নিৰ্ধাৰিত সময়ৰ ভিতৰতে যাতে প্ৰাক কলন অনুসৰি নিখুঁতভাৱে নিৰ্মাণকাৰ্য সম্পূৰ্ণ হয় তাৰ বাবে ব্ৰাজিলৰ বিশ্ববিখ্যাত কনচালটেণ্ট প্ৰতিষ্ঠান Systra'ক দায়িত্ব অৰ্পণ কৰা হৈছে। ইয়াৰ উপৰিও উত্তৰ গুৱাহাটীৰ পৰা কিছু নিলগৰ গৌৰীপুৰত সংযোজন হ'বলগীয়া অংশলৈ ভূতনাথৰ পৰা নিশা যাতে পোহৰে আলোকিত হৈ থাকে তাৰে উচ্চক্ষমতা সম্পন্ন ষ্ট্ৰীট লাইট স্থাপন কৰা হ'ব। তেনেদৰে পানীৰ ওপৰত থাকিবলগীয়া অংশখিনীৰ বাহিৰে বাকী পথৰ দুয়োদাঁতিত পৰিৱেশ সংৰক্ষণৰ বাবে গছপুলি ৰোপণ কৰা হ'ব। দলঙখনৰ নিৰ্মাণ কাৰ্যত চেগমেণ্টেল কনট্ৰাকচন পদ্ধতিৰ লগতে বিশ্বৰ দেশসমূহৰ দৰে অত্যাধুনিক শেহতীয়া প্ৰযুক্তিৰ ব্যৱহাৰ কৰা হৈছে বুলি অভিযন্তাসকলে জানিবলৈ দিছে।

## সৰুপেটা-গোসাইভিটা পথৰ জৰাজীৰ্ণ অৱস্থাত ৰাইজৰ দুৰ্ভোগ

# পাঁচটা বছৰে সম্পূৰ্ণ নহ'ল পথৰ নিৰ্মাণকাৰ্য

**অসম ভূমি সেৱা, ভৱানীপুৰঃ** ভৱানীপুৰ বিধানসভা সমষ্টিৰ বিটিআৰ অঞ্চল সংযোগী এটা অন্যতম গুৰুত্বপূৰ্ণ গড়কাপ্টানী পথ 'সৰুপেটা— গোসাইভিটা পথ' টো সুদীৰ্ঘ দিন ধৰি জৰাজীৰ্ণ হৈ থকাত এটা বৃহত্তৰ অঞ্চলৰ ৰাইজ যাতায়াতৰ ক্ষেত্ৰত হাৰাশাস্তিৰ সন্মুখীন হৈ আছে। সৰুপেটা ৰেল ষ্টেচনৰ পৰা ঠেকা গাঁও আৰু বিটিআৰৰ শালবাৰী মহকুমা এলেকাধীন নলবাৰীপাম, উলুবাৰী, খলিহাগুৰি, চাইতানগুৰি, বৰটাৰী, লচিমা, হাটখোলা, আনন্দ বজাৰ হৈ গোসাইভিঠালৈ অতিক্ৰম কৰা অতি গুৰুত্বপূৰ্ণ প্ৰায় পোন্ধৰ-যোল্ল কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটোৰ নতুনকৈ নিৰ্মাণকাৰ্য পাঁচ বছৰ পূৰ্বে আৰম্ভ হৈছিল লোক নিৰ্মাণ বিভাগৰ জৰিয়তে। পথটোৰ দাঁতিকাষৰীয়া গাঁওসমূহৰ লগতে এটা বৃহত্তৰ অঞ্চলৰ বহু সংখ্যক গাঁৱৰ ৰাইজে যাতায়াত কৰে সৰুপেটা-গোসাইভিটা পথেৰে। উল্লেখ্য যে ২০১৭ বৰ্ষৰ ২০ এপ্ৰিলত তদানীন্তন বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে সৰুপেটা-গোসাইভিটা পথৰ পকীকৰণেৰে নিৰ্মাণকাৰ্যৰ আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰিছিল। বিটিচিলৈ অহা প্ৰধানমন্ত্ৰীৰ বিশেষ পেকেজৰ ধন ব্যয় সাপেক্ষে সৰুপেটা-গোসাইভিটা ভায়া আনন্দ বজাৰ পথৰ নিৰ্মাণকাৰ্য আৰম্ভ হৈছিল। কিন্তু আজিলৈকে প্ৰায় পঞ্চাশ শতাংশও নিৰ্মাণকাৰ্য সম্পন্ন হোৱা নাই। পথৰ ওপৰত ঠেকা-সৰুপেটাৰ মাজত থকা কাঠৰ দলংখনো বিধ্বস্ত হৈ আছে। কাঠৰ দলংখন বিধ্বস্ত



হোৱাত বাঁহৰ সাকোৰ ওপৰেৰে যাতায়াত কৰে ৰাইজে। পথেৰে চাৰিচকীয়া বাহনৰ চলাচল বন্ধ হৈ পৰিছে। দীৰ্ঘদিন ধৰি বিধ্বস্ত পথ-দলঙেৰে ৰাইজৰ বিপদসংকুল যাতায়াত অব্যাহত আছে। বাৰিষা একঁকাল পৰ্যন্ত পানীৰে উপচি পৰে পথছোৱা। তদুপৰি বাৰিষা ঠেকা গাঁওখনৰ লগতে পথটোৰ যোৱা নলবাৰীপাম গাঁও দুয়োখন গাঁৱেই নদীদ্বীপ সদৃশ হৈ পৰে আৰু যাতায়াত ব্যাহত হৈ পৰে। বিশেষভাৱে উল্লেখনীয় যে পথটোৰ নিৰ্মাণ কাৰ্যৰ বাবদ আবণ্টিত ধনৰ পৰিমাণ, নিৰ্মাণ কাৰ্যৰ বিৱৰণ আদি উল্লেখিত ফলকো নথকাত পথ নিৰ্মাণৰ ক্ষেত্ৰত আবণ্টিত ধনৰ পৰিমাণ কিমান সেয়াও অজ্ঞাত হৈ আছে।

## বিচাৰাধীন কাৰাবন্দীৰ মৃত্যু সন্দৰ্ভত দণ্ডাদীশ পৰ্যায়ৰ তদন্ত

**গুৱাহাটীঃ** গুৱাহাটী ভঙাগড়স্থিত অসম মানৱ অধিকাৰ আয়োগৰ উপপঞ্জীয়কৰ এক জাননীৰ ভিত্তিত কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত দণ্ডাধীশে যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত এজন কাৰাবন্দীৰ মৃত্যু সন্দৰ্ভত মহকুমা দণ্ডাধীশ পৰ্যায়ৰ এক তদন্তৰ নিৰ্দেশ দিছে। নলবাৰী জিলাৰ বেলশৰ থানাৰ অন্তৰ্গত ককয়া গাঁৱৰ ৭১ বছৰ বয়সৰ নীলকান্ত নাথ নামৰ কাৰাবন্দী এজনক নলবাৰী জিলাৰ কাৰাগাৰৰ কৰ্তৃপক্ষই উন্নত চিকিৎসাৰ বাবে ১১ ফেব্ৰুৱাৰী তাৰিখে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিতাললৈ প্ৰেৰণ কৰিছিল। কিন্তু যোৱা ২১ ফেব্ৰুৱাৰীত চিকিৎসাধীন অৱস্থাত তেওঁৰ চিকিৎসালয়তে মৃত্যু হোৱা বুলি চিকিৎসালয় কৰ্তৃপক্ষই ঘোষণা কৰে। জিলা দণ্ডাধীশ পল্লৱ গোপাল ঝায়ে মহকুমা দণ্ডাধীশ বিক্ৰম চেত্ৰীক এই সমগ্ৰ ঘটনাৰ তদন্তৰ দায়িত্ব অৰ্পণ কৰি ১৫ দিনৰ ভিতৰত চূড়ান্ত প্ৰতিবেদন দাখিল কৰিবলৈ এক নিৰ্দেশনা জাৰি কৰিছে।

সাপ্তাহিক অসম ভূমিলৈ বা-বাতৰি, লেখা প্ৰেৰণৰ বাবে যোগাযোগ নম্বৰ-
৯৮৫৯১-৯৪৫৩৫
৯৮৬৪৫-২৮৫২৩
ই-মেইল ঃ
sspplghy@gmail.com




অসম ভূমি ■ ২৩ মার্চ, ২০২২

সম্পাদকৰ মেজৰ পৰা ...

# এখন ঘাটি বাজেট

যোৱা ১৬ মাৰ্চত বিত্তমন্ত্ৰী অজন্তা নেওগে ২০২২-২৩ বৰ্ষৰ বাবে ৬০০.৩৬ কোটি টকাৰ ঘাটি বাজেট দাখিল কৰিলে। অৱশ্যে আলোচিত বছৰটোত লেনদেনত ৪২০.১৪ কোটি টকা ৰাহি হ'ব বুলি ধৰা হৈছে। কিন্তু পূৰ্বৰ ঘাটি ১০২০.৫০ কোটি টকা ঘাটি পূৰণ কৰাৰ পাছত ৬০০.৩৬ কোটি টকাৰ ঘাটিৰে আগন্তুক বিত্তীয় বৰ্ষটো শেষ হ'ব। সেই বিত্তীয় ঘাটি পূৰণ কৰাৰ বাবে নতুন কৰ-বাটলৰ প্ৰস্তাৱ কৰা হোৱা নাই। ৰাজ্যৰ ক'ভিডপীড়িত জনতাক সকাহ দিয়াৰ বাবে নতুনকৈ কৰাৰ বোজা জাপি দিয়া হোৱা নাই বুলি কোৱা হৈছে। লগতে বিত্তমন্ত্ৰীয়ে কৈছে যে ক'ভিডৰ প্ৰকোপ কমি অহাৰ লগে লগে চৰকাৰী ৰাজহ সংগ্ৰহ বৃদ্ধি হ'বলৈ আৰম্ভ কৰিছে। যোৱা ২০২১ বৰ্ষত এপ্ৰিলৰ পৰা নৱেম্বৰৰ কালছোৱাত চৰকাৰী ৰাজহ বাঢ়িছিল ৬৭ শতাংশ। জিএছটি শিতানতো ৰাজহ সংগ্ৰহ বাঢ়ি আছে বুলি কোৱা হৈছে। একত্ৰিত নিধিৰ আয়ৰ উৎস হৈছে এনেধৰণৰ ঃ ৰাজ্যিক কৰৰপৰা ২২,৩৮৫.২৪ কোটি, অনাকৰ ৰাজহৰ পৰা ৬,৬৭৭.৫৬ কোটি, কেন্দ্ৰীয় কৰৰ অংশৰ পৰা ২৫,৫৪৫.৮০ কোটি, কেন্দ্ৰীয় আঁচনিবোৰৰ বাবে ৩০,৪১৪ কোটি, বিত্তীয় আয়োগৰ অনুদানৰ পৰা ১০,৫১৫.৩৩ কোটি, অন্যান্য অনুদান আৰু স্থানান্তৰৰ পৰা ৪,১২৮ কোটি, ৰাজহুৱা ঋণৰ পৰা ১৯৩৫৪.৫৯ কোটি আৰু ঋণ আদায়ৰ বাবদ ১২ কোটি। এইবোৰ উৎসৰপৰা আয় হ'বগৈ ১,১৯,০৩২.৬২ কোটি টকা। ব্যয়ৰ শিতানবোৰ হৈছেঃ সাধাৰণ সেৱাবোৰত ৩৬.৯০০ কোটি, সমাজ কল্যাণত ৪৩,৪৭৯ কোটি, আৰ্থিক সেৱাত ১৫,২৫১ কোটি, ৰাজহুৱা ঋণত ২,৭২৩ কোটি, কন্টিনজেন্সি ফাণ্ডত ১৮০০ কোটি, ঋণ আৰু আগধনত ২৯০ কোটি, অনুদান সাহায্যত ৭৩৭ কোটি, আৰ্থিক সেৱাবোৰৰ মূলধনী শিতানত ১১,০২০ কোটি, সামাজিক সেৱাবোৰৰ মূলধনী শিতানত ৪,০৩২ কোটি আৰু সাধাৰণ সেৱাবোৰত মূলধনী শিতানত ৩,৩১৯ কোটি। মুঠ ১,১৯,৫৫১ কোটি। এই আয় আৰু ব্যয়ৰ লগত ৰাজহুৱা আৰু উপনিমিত্ত পুঁজিৰ শিতানৰ আয় আৰু ব্যয় যোগ হৈ ২০২২-২৩ বিত্তীয় বৰ্ষত মুঠ আয় ২,৮৩৯১৪.৭৮ কোটি টকাৰ বিপৰীতে মুঠ ব্যয় হ'বগৈ, ২,৮৩,৪৯৪.৬৪ কোটি টকা। বাজেটৰ বিতং আলোচনা কম পৰিসৰত সম্ভৱ নহয় বাবে আমি ঋণৰ শিতানতে আৱদ্ধ থাকিম, তাকো থোৰতে।

বাজেটৰ ঘাটি পূৰণ কৰিবলৈ আৰু উন্নয়নমূলক কাম-কাজৰ গতি ত্বৰান্বিত কৰিবলৈ বিভিন্ন উৎসৰ পৰা ঋণ লোৱাটো স্বাভাৱিক ঘটনাত পৰিণত হৈছে। সম্প্ৰসাৰণৰ বাবে ঋণৰ প্ৰয়োজন আছে। সেয়া ব্যৱসায়ী উদ্যোগপতিয়েই হওক বা ৰাজ্য চৰকাৰেই হওক। নাগৰিক সেৱাসমূহ অক্ষুণ্ণ ৰাখি ৰাজ্যখনৰ অৰ্থনীতিক গতিশীল কৰিবলৈ আৰু উন্নয়নৰ গতি অব্যাহত ৰখাৰ বাবে প্ৰচুৰ অৰ্থৰ প্ৰয়োজন। সেই অৰ্থ সংগ্ৰহ কৰিবলৈ চৰকাৰে কৰ-কাটল বৃদ্ধি কৰিব পাৰে অথবা নতুনকৈ কৰ আৰোপ কৰিব পাৰে। কিন্তু কেন্দ্ৰৰ বিজেপি চৰকাৰৰ নতুন আৰ্থিক নীতিয়ে ৰাজ্যবোৰৰ সম্পদ আহৰণৰ ক্ষেত্ৰখন সংকুচিত কৰি পেলাইছে। ৰাজ্যবোৰৰ বিত্তীয় ঘাটি পূৰণ কৰাৰ বাবে আগৰ দৰে পৰিকল্পনা আয়োগৰ কাষ চপাৰো এতিয়া উপায় নাই। কাৰণ নৰেন্দ্ৰ মোডী চৰকাৰে পৰিকল্পনা আয়োগ বিলুপ্ত কৰিছে। সেয়ে অৰ্থনীতিক স্থিতাৱস্থাৰ পৰা মুক্ত কৰিবলৈ ঋণ লোৱাৰ বাহিৰে ৰাজ্য চৰকাৰবোৰৰ অন্য উপায় নাই। অসম চৰকাৰেও ঋণ লৈ আহিছে। বৰ্তমান অসম চৰকাৰৰ মূৰত ঋণৰ বোজা এক লাখ আঠ হাজাৰ কোটিতকৈ বেছি। আগন্তুক বিত্তীয় বৰ্ষত নতুনকৈ ২০ হাজাৰ কোটি টকাৰ ঋণ লোৱাৰ প্ৰস্তাৱ আছে। ঋণ লোৱাটোত আপত্তি কৰিব লগা একো নাই, যদিও ঋণ লোৱা ধনৰ সঠিক প্ৰয়োগ হয়। হিতাধিকাৰী সৃষ্টিৰ জৰিয়তে শাসক দলৰ ভোটবেংক তৈয়াৰ কৰিবলৈ ধাৰ কৰা ধন খৰচ কৰিলে তাৰ বিৰূপ প্ৰভাৱ ৰাজ্যখনৰ অৰ্থনীতিৰ ওপৰত পৰিবই। ঋণৰ ধন উৎপাদনমুখী কামত ব্যয় কৰি সম্পদ সৃষ্টি কৰিব পাৰিলেহে আৰ্থিক অৱস্থা টনকিয়াল হ'ব। চৰকাৰে এই দিশটোৰ প্ৰতি চকু দিয়া উচিত।



# 'শাৰীৰিক শিক্ষা'ৰ প্ৰয়োজনীয়তা

পৰেশ চন্দ্ৰ শৰ্মা

বৰ্তমান সময়ত শাৰীৰিক শিক্ষাই সাধাৰণ শিক্ষাৰ এক অবিচ্ছেদ্য অংগ হিচাপে বিবেচিত হৈছে। শাৰীৰিক শিক্ষাৰ সকলো কাৰ্যসূচীৰ দ্বাৰাই ল'ৰা-ছোৱালীৰ শাৰীৰিক, মানসিক আৰেগিক আৰু সামাজিকভাৱে পৰিপক্ক আৰু বিকশিত হোৱাত সহায় কৰে। ক্ৰীড়াসুলভ চৰিত্ৰ হ'ল শাৰীৰিক শিক্ষাৰ বহল সৃষ্টি যিয়ে এজন নাগৰিকক দিয়া আৰু লোৱাৰ মানসিকতা, খেলৰ নিয়ম-নীতিৰ প্ৰতি থকা সন্মান, নেতৃত্ববোধ, দায়িত্বজ্ঞান, ত্যাগৰ মানসিকতা, সহযোগিতা, সাহস আৰু নাগৰিক চেতনাবোধৰ সৃষ্টি কৰে। শাৰীৰিক শিক্ষাত ক্ৰীড়াৰ মূল্য আটাইতকৈ বেছি। আধুনিক শিক্ষা ব্যৱস্থাত এটা প্লে ৰুম বা এখন খেলপথাৰ এটা শ্ৰেণীকোঠাতকৈ বেছি মূল্যৱান বুলি বিবেচিত হয়। সঁচা অৰ্থত ক্ৰীড়া শাৰীৰিক শিক্ষাৰ আত্মা য'ত স্বাভাৱিকতে ল'ৰা-ছোৱালীবোৰ ইয়ালৈ আকৃষ্ট হয় আৰু খেলি ভাল পায়। সেইবাবে ল'ৰা-ছোৱালীৰ কাৰণে ক্ৰীড়াক ব্যৱহাৰ কৰিবলৈ শাৰীৰিক শিক্ষাৰ কাৰ্যসূচীৰ ইয়াৰ অন্তৰ্ভুক্তি কৰি ল'ৰা-ছোৱালীক জ্ঞান দিব লাগে। বিদ্যালয়ত ক্ৰীড়াক বেছি ফলপ্ৰসূ কৰিবলৈ শাৰীৰিক শিক্ষাৰ পৰিকল্পিত কাৰ্যসূচী সৃষ্টি কৰা উচিত য'ত উপযুক্ত খেলপথাৰ, শাৰীৰিক শিক্ষাৰ শিক্ষিত ব্যক্তিৰ লগতে আধুনিক সা-সৰঞ্জাম আৰু চৰকাৰ তথা সমাজৰ উৎসাহ উদ্দীপনা আৰু আন্তৰিকতা থাকে।

ক্ৰীড়া হ'ল মানৰ সমাজৰ সভ্যতাৰ আদৰ্শ স্বৰূপ। সামগ্ৰিকভাৱে কোনো ৰাজ্যৰ ক্ৰীড়াৰ উন্নয়ন সাধন কৰিবলৈ ৰাজ্য চৰকাৰে মুখ্য ভূমিকা ল'ব লাগিব। শাৰীৰিক শিক্ষা আৰু ক্ৰীড়াক আগবঢ়াই নিয়াৰ উদ্দেশ্যে অসম চৰকাৰে ১৯৭৯ চনৰ পৰা ১৯৯৫ চনলৈ প্ৰায় ৩৮৪ টা শাৰীৰিক নিৰ্দেশকৰ পদ, ১২ টা জিলা ক্ৰীড়া বিষয়াৰ পদ, ৩ টা শাৰীৰিক শিক্ষাৰ পৰিদৰ্শক আৰু ১২ টা মহকুমা ক্ৰীড়া বিষয়াৰ পদ সৃষ্টি কৰি ইয়াক আগবঢ়াই নিবলৈ চেষ্টা কৰিছিল। ইয়াত উল্লেখ কৰা ভাল হ'ব যে বৰ্তমান অসমৰ চৰকাৰী বিদ্যালয়ত প্ৰায় ৩৭০ জন শাৰীৰিক নিৰ্দেশকে আৰু ৪২ জন প্ৰশিক্ষকে কাম কৰি আছে।

আমি জানো যে শাৰীৰিক শিক্ষাৰ আত্মাই ল'ৰা-ছোৱালীক এটা সুন্দৰ স্বাস্থ্য, একতাৰ এনাজৰী, শান্তিৰ বাণী, সন্মান দিয়াৰ উপৰিও শ্ৰমৰ মৰ্যাদা, ভ্ৰাতৃত্ববোধ, সামাজিক দক্ষতা, সন্মান, প্ৰগতি, পাৰস্পৰিক সহযোগিতা, বন্ধুত্ব, দায়িত্ব আৰু কৰ্তব্য পালনৰ প্ৰতি সচেতন কৰি তোলে। এখন সুস্থ সমাজ আৰু মানৰ জাতিৰ ভৱিষ্যৎ সুৰক্ষিত আৰু দীৰ্ঘস্থায়ী কৰাৰ ক্ষেত্ৰত ক্ৰীড়াৰ ভূমিকা অনিবাৰ্য বৰ্তমান সময়ত ক্ৰীড়া কেৱল খেল পথাৰতেই সীমাৱদ্ধ হৈ থকা নাই। ই এতিয়া বিভিন্ন দেশৰ পৰিচয়ত পৰিণত হৈছে। বৰ্তমানৰ ক্ৰীড়াই এক উমৈহতীয়া কলা হৈ সমগ্ৰ বিশ্বক একত্ৰিত কৰিবলৈ আগবাঢ়িছে।

বৰ্তমান সময়ত বিশেষকৈ অসমৰ ক্ৰীড়াৰ মান উন্নত আৰু ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ চৰকাৰে অনতিপলমে দীৰ্ঘম্যাদী ক্ৰীড়া নীতি প্ৰস্তুত কৰি কোনো ৰাজনৈতিকৰ লাভৰ কথা চিন্তা নকৰি আন্তৰিকতাৰে প্ৰথম পৰ্যায়ত উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত 'শাৰীৰিক শিক্ষা' বাধ্যতামূলক বিষয় হিচাপে অন্তৰ্ভুক্তি কৰিব লাগে। এই ক্ষেত্ৰত বিদ্যালয়ত শাৰীৰিক শিক্ষাৰ শিক্ষিত ব্যক্তিক নিযুক্তি দিব লাগিব। আমি জনামতে ১৯৯৭ চনতে অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ সঞ্চালক এম. বৰুৱা আৰু সেই সময়ৰ দুজন ক্ৰীড়া বিষয়াই শাৰীৰিক শিক্ষাৰ Syllabus প্ৰস্তুত কৰিছিল। গতিকে চৰকাৰে ইয়াৰ পৰীক্ষা-নিৰীক্ষা কৰি ইয়াক কাৰ্যকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে।

আমাৰ ক'বলগীয়া যে চৰকাৰে এই বিষয়ত গুৰুত্ব দি চৰকাৰী বিদ্যালয়সমূহত একোজনকৈ শাৰীৰিক শিক্ষাৰ (Physical Education Teacher) শিক্ষকমকৰল কৰি বিদ্যালয়ত শাৰীৰিক শিক্ষা বাধ্যতামূলক বিষয় হিচাপে অন্তৰ্ভুক্তি কৰাৰ চিন্তা কৰিব। চৰকাৰে এই বিষয়ত পলম নকৰাকৈ বিবেচনা কৰিব বুলি আমি আশা কৰিলো। লগতে চৰকাৰে উঠি অহা খেলুৱৈসকলৰ উন্নৱণৰ দিও বিবেচনা কৰি ক্ৰীড়াৰ প্ৰতিটো দিশতে বিজ্ঞানসন্মত আৰু বাস্তৱিক পদক্ষেপ লৈ সামগ্ৰিক আৰু ধাৰাবাহিকৰূপে ইয়াক আগবঢ়াই নিব। এই ক্ষেত্ৰত শাৰীৰিক শিক্ষাই এক মুখ্য ভূমিকা ল'ব বুলি আমাৰ দৃঢ় বিশ্বাস।

# ককা আৰু নাতিনীৰ অন্তৰংগ আলাপ



ঃ ককা, তোমাৰ জগিং কৰা শেষ হ'ল নে?

ঃ আৰু ৫ মিনিট আছে মইনা। কিয় নো সুধিলা?

ঃ তোমাৰ লগত মোৰ এটা Important কথা পাতিব লগা আছে। তুমি আজৰি হ'লে মোক মাতিবা।

ঃ হ'ব দিয়া।

নিভা দাস

অপূৰ্ব কুমাৰ বৰ্মন, লীলাৱতী আঞ্চলিক হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক। ৰাতিপুৱা ছয় বজাত ঘৰৰ সন্মুখৰ ঘাঁহনিডৰাত জগিঙ কৰাটো এক নিত্য নৈমিত্তিক কাম। তাৰ পাছত একাপ ফিকা চাহ খাই লাগি যায় ফুলনি, শাকনিকে আদি কৰি ঘৰখনৰ ইটো-সিটো কামত। আজি নাতিনীয়েকৰ কথামতে কামত নধৰি Fresh হৈ আহি নাতিনীয়েকৰ কোঠালৈ গ'ল।

ঃ বোৱাৰী, মোৰ চাহকাপ মইনাৰ



কোঠালৈকে আনিবা।

ঃ মইনা...

ঃ ও ককা, আহা, আহা। বহা।

ঃ এতিয়া তোমাৰ important কথাটো কোৱাচোন মইনা...

ঃ মানে ককা, মোৰ ওপৰত এটা গুৰু দায়িত্ব দিয়া হৈছে। সেয়ে তোমাৰ সহায় লাগে।

ঃ বাপৰে, তুমি তাৰমানে গুৰু দায়িত্ব পালন কৰিব পৰাকৈ ডাঙৰ হৈ গ'লা। বৰ ভাল কথা মইনা, বৰ ভাল কথা। যি কামৰ দায়িত্ব দিয়া বা লোৱা হয় তাক নিষ্ঠা সহকাৰে পালন কৰিবলৈ চেষ্টাৰ ত্ৰুটি নকৰিবা।

ঃ তাকেই ককা। মোৰ ভালো লাগি আছে, ভয়ো লাগি আছে। বাৰু ককা, আমি নিৰ্দিষ্ট দিৱস কিছুমান কিয় পালন কৰোঁ?

ঃ Good Question মইনা। যিকোনো কাম এটা কৰিবলৈ যোৱাৰ আগতে তাৰ ঐতিহাসিক তাৎপৰ্য, বৰ্তমানৰ গুৰুত্বতা, তাৰ প্ৰভাৱ, পালন কৰাৰ পদ্ধতি আদি খৰচি মাৰি জানি বুজি লোৱা দৰকাৰ। পিছে তুমি আজি কি দিৱস পালনৰ কথা ক'ব খুজিছা?

ঃ ককা, আমাৰ কলেজত এইবাৰ ৮ মাৰ্চত, 'আন্তৰ্জাতিক নাৰী দিৱস' টি নাৰী সবলীকৰণৰ এক প্ৰয়াস হিচাপে বিশেষভাৱে উৎযাপন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। সেই উপলক্ষে কিছুমান নাৰীকেন্দ্ৰিক কাৰ্যসূচী গ্ৰহণ কৰা হ'ব— তাৰ দায়িত্ব মোক দিয়া হৈছে। মই কি কৰো ভাবিয়ে পোৱা নাই। বন্ধুতেই কৈ আছে মডেলিং, সৌন্দৰ্য প্ৰতিযোগিতা আদি পাতিবলৈ। মোৰহে মনটো উঠা নাই....

ঃ কিয় মন যোৱা নাই তোমাৰ? আজিকালিৰ নাৰীটো এইবোৰৰ প্ৰতি খুব আগ্ৰহী।

ঃ যোৱা কিছুদিন ধৰি মই নাৰীৰ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ সম্পৰ্কে কিছু অধ্যয়ন কৰি চালো ককা। নাৰীৰ স্বাধীনতা সম্পৰ্কে আজি আমি যি ধাৰণা লৈ আগবাঢ়ি গৈ আছো সেয়া আচল স্বাধীনতা নহয় ককা।

ঃ তেন্তে ?

ঃ স্বাধীনতা কি? কোনো হেঁচা-চেপা, অৱদমন, শোষণ-নিৰ্যাতনৰ বলি নোহোৱাকৈ মুক্ত মতে যিয়ে জীৱনক বিকশিত কৰাৰ সুযোগ পায়, অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক সাংস্কৃতিক, বৌদ্ধিকভাৱে যিখন সমাজত নাৰীয়ে জীৱন-যাপন কৰাৰ পৰিৱেশ পায় তাতেই থাকে নাৰীৰ স্বাধীনতা। তুমিয়েই কোৱাচোন ককা, কিমান সংখ্যক নাৰীয়ে আজি একৈশ শতিকাতো এই পৰিৱেশ পাইছো? আজিও দেখোন গ্ৰামাঞ্চলৰ, বস্তি অঞ্চলৰ, চাহ বাগিছাৰ ছোৱালীবোৰৰ শিক্ষা আধৰুৱা, নানান 'নাপায়' নিয়মৰ মাজত বন্দী জীৱন, ৰাস্তাত মুক্তমনে ওলাবলৈ শংকিত, বিয়াৰ নামতো ভোগ্য পণ্য, মুঠতে এক চেপাত বন্দী জীৱন। তেনেহ'লে ক'ত নাৰী স্বাধীন

ঃ এইটো এটা দান্দিক প্ৰশ্ন মইনা। আমাৰ এই সমাজখন হৈছে পুৰুষপ্ৰধান সমাজ। এই পুৰুষপ্ৰধান সমাজখনে অতীজৰে পৰা বৰ্তমানলৈ নাৰীৰ ওপৰত অৰ্থনৈতিক, সামাজিক, ধৰ্মীয়, সাংস্কৃতিক, ৰাজনৈতিক আদি সকলো ফালৰ পৰাই নিপীড়ন চলাই আহিছে। উদযাপন পদ্ধতিৰ বিৱৰ্তনৰ লগে লগে ঘটা সামাজিক বিৱৰ্তনৰ ফলত নাৰীৰ ওপৰত চলা নিপীড়নৰ ৰূপৰ পৰিৱৰ্তন ঘটিছে সঁচা, কিন্তু পৰিশোধিত ৰূপত হ'লেও আজিও নিৰ্যাতন সকলো স্তৰতে বিৰাজমান। আচ্ছা, ৰ'বাচোন, তুমি যে ক'লা, 'সবলীকৰণৰ' কথা— এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। তোমালোকে কি কি পদক্ষেপ ল'ম বুলি ভাবিছা সবলীকৰণৰ বাবে?

ঃ আমি কলেজীয়া ছোৱালীবোৰেনো কি কৰিব পাৰো। আমাৰ জানো কিবা শক্তি সামৰ্থ আছে কৰিবলৈ?

ঃ ঠিকেই, তোমালোকৰ নো কি শক্তি সামৰ্থ আছে। এই ক্ষেত্ৰত চৰকাৰৰ কৰণীয় বহুত আছে। সদিচ্ছা থাকিলে কাম কৰিব পাৰে। সাংবিধানিক নিয়ম কিছুমান পৰিৱৰ্তন, পৰিশোধন, অন্তৰ্ভুক্তিকৰণ কৰিব পাৰে। সুবিধা প্ৰদান কৰিব পাৰে। কিন্তু মইনা, মই ভাবো— নাৰী সমাজৰ নিজৰো এই ক্ষেত্ৰত প্ৰাথমিক কৰণীয় কিছুমান আছে।

ঃ কি কৰণীয় ককা?

ঃ পৰিৱৰ্তন এদিনতে হোৱা কথা নহয় মইনা। প্ৰথম কথা, মানসিকতাৰ পৰিৱৰ্তন। নাৰীয়ে প্ৰথমে নিজেই 'অবলা—দুৰ্বলা' ধাৰণাৰ পৰা মুক্ত হ'ব লাগিব। উচ্চ শিক্ষাৰে শিক্ষিত হৈ 'ছোৱালীয়ে এইটো কৰিব নাপায়, সেইটো নাপায়' আদি এশ এবুৰি ভুল চিন্তা, অন্ধ-বিশ্বাস, কু-সংস্কাৰৰ পৰা নিজক মুক্ত কৰি মানুহৰূপে গঢ়ি উঠিব লাগিব। বৌদ্ধিক দিশৰ পৰা আদি কৰি খেল পথাৰ, সামৰিক কলা, ৰাজনীতি, অৰ্থনীতিৰ পথাৰ এশ শতাংশই অংশগ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিব লাগিব। এইক্ষেত্ৰত আকৌ স্বাধীনতাৰ অপপ্ৰয়োগ কৰিব গ'লে ভুল হ'ব। কি নাম আছিল অ' সেই ছোৱালীজনীৰ- মাজনিশা যে ৰাস্তাত কাম কৰি থকা বনুৱাক মহতিয়াই গৈছিল..

ঃ ও সেইজনী, ৰাজকন্যা

ঃ অহ, আজিৰ ধনতান্ত্ৰিক সমাজ ব্যৱস্থাই এচাম নাৰীক মদ খোৱা, ক্লাবলৈ যোৱা, নগ্ন পোছাক পৰিধান কৰাই নাৰীৰ প্ৰকৃত স্বাধীনতা বুলি ভুল বাটে পৰিচালিত কৰিব বিচৰা হৈছে।

ঃ ককা, মই ভাবো নাৰীয়েও এইবোৰ কৰাত আপত্তি নাথাকিব, যিদিনা সমস্ত নাৰীয়ে সকলো দিশতে পুৰুষৰ লগত সমানে খোজ মিলাই এক মুক্ত মৰ্যাদাসম্পন্ন মানৱীয় জীৱন লাভ কৰিবলৈ সক্ষম হ'ব। পুৰুষেও নাৰী মাথোঁ 'সম্ভোগৰ বস্তু' বুলি ভাবিব নালাগিব। নে কি কোৱা ককা?

ঃ হয় মইনা, নাৰী পুৰুষ পৰস্পৰৰ সহযোগী হ'বই লাগিব। কোনো স্বয়ংসম্পূৰ্ণ নহয়, নাৰী, পুৰুষৰ সমন্বিত প্ৰচেষ্টাতহে গঢ়ি উঠিব পাৰে এখন সুন্দৰ সমাজ। সেয়ে জন্মৰ লগে লগে ল'ৰা-ছোৱালী বুলি পৃথক মানসিকতাৰে শিশুটিক জ্ঞান নকৰি মানুহ হিচাপে ডাঙৰ-দীঘল কৰিব লাগে।

ঃ সেইকাৰণে তোমালোকে মোৰ আৰু দাদাৰ মাজত কোনো পাৰ্থক্য নাৰাখা?

ঃ হাঃ হাঃ হাঃ বুধিয়ক ছোৱালী... এইখিনিতে আৰু এটা কথা মনত ৰাখিব লাগিব মইনা। আমাৰ সামাজিক ব্যৱস্থাই নিৰূপণ কৰে মানুহৰ মানসিক অৱস্থা। আমাৰ দেশত এতিয়া দুই ধৰণৰ ব্যৱস্থা চলি আছে, ইফালে ধনতান্ত্ৰিক-পুঁজিবাদী ব্যৱস্থাই ভোগসৰ্বস্ব, বিলাসী জীৱনৰ প্ৰতি লালায়িত কৰে, আনফালে সামন্তীয় চিন্তা-চেতনাৰে পৰিৱেষ্টিত হৈ থকাৰ হেতুকে বিজ্ঞানসন্মত, প্ৰগতিশীল মানসিকতাৰে সপক্ষেও দ্বিধাহীনভাৱে আগুৱাব নোৱাৰে। যাৰ ফলত দুই কুলৰ চেঁপাত নাৰীৰ বাহ্যিক ৰূপত আধুনিক হৈও আভ্যন্তৰীণ ক্ষেত্ৰত প্ৰাচীন। সেয়ে সঁচা অৰ্থত নাৰীয়ে স্বাধীনতা পাবলৈ হ'লে প্ৰচলিত সামাজিক ব্যৱস্থাৰো পৰিৱৰ্তন হোৱা দৰকাৰ। তাৰ বাবে লাগিব নাৰী-পুৰুষৰ সমন্বিত প্ৰচেষ্টাত এক প্ৰবল জনজাগৰণ।

ঃ Thank you so much ককা। এতিয়া মোৰ মনটো ফৰকাল লাগিছে, আইডিয়া পাই গ'লো। এইবাৰ আমি কলেজত নাৰী দিৱসৰ ধ্বনি সকলো ল'ৰা-ছোৱালীয়ে একেলগে, সমস্বৰে দিম...

ঃ বঢ়িয়া কথা। তোমালোকেই আনিব পাৰিবা নতুন দিনৰ ন-বসন্ত। কি কি পদক্ষেপ লোৱা মোক জনাবা।

ঃ নিশ্চয়, জনাম ককা।

নতুন দিনৰ ন-সেনানী-তোমালোকলৈ মোৰ অফুৰন্ত শুভেচ্ছা জনালো। কেৱল কৰিব লাগে বাবেই দিৱস এটা উদযাপন নকৰি, প্ৰয়োজনীয়তা আৰু সময় সাপেক্ষ পন্থাৰে কুপস্কায়া, ক্লাৰা জেটকিনহঁতৰ আদৰ্শৰে আজিৰ 'নাৰী দিৱস'ৰ ধ্বনিয়ে এক নতুন মাত্ৰা লাভ কৰক...

'নতুন দিনৰ ন ছোৱালী
মোৰ গানটো যদি গাই থাকোঁতে
জ্বলে বুকুত জুই,
সপোন দেখি শুই নাথাকিবি
ও ছোৱালী শুই,
যদি জ্বলে বুকুত জুই'।।

# এচেৰেঙা শৈশৱৰ পৰা কৈশোৰৰ জোনাকলৈ



## ধন্য পৰ্ণা নাথ

২০১২ চনৰ এটি শুভ মুহূৰ্তত পাঠশালাৰ আনন্দৰাম বৰুৱা একাডেমীৰ পঞ্চম শ্ৰেণীত নামভৰ্তি কৰিছিলো। এক সুন্দৰ পৰিৱেশত গঢ় লৈ উঠা শিক্ষানুষ্ঠানখনত নামভৰ্তিৰ পাছতে আৰম্ভ হৈছিল পাঠদান। এৰাব নোৱাৰা কিছুমান নিয়ম শৃংখলাৰ মাজত বান্ধ খাই গৈছিলো। সময়মতে ওলোৱা, সময়মতে শিক্ষাগ্ৰহণ কৰি পুনৰ ঘৰলৈ উভতি অহা ইত্যাদি ইত্যাদি। সেই যে ২০১২ চন এটি প্ৰক্ৰিয়া। আৰম্ভ হৈছিল সেয়া এতিয়ালৈকে নিৰৱচ্ছিন্নভাৱে চলিয়েই আছে। নতুনকৈ বিদ্যালয়লৈ গৈ কিছুমান অসুবিধাৰ সন্মুখীন হৈছিলো। বন্ধু-বান্ধবীবোৰৰ লগত মিলামিছা কৰিবলৈ কিছু সমস্যা হৈছিল। কিন্তু দিন বাগৰাৰ লগে লগে সেই সমস্যাবোৰ দূৰ হৈছিল। গঢ়ি উঠিছিল আটাইৰে মাজত বন্ধুত্বৰ এনাজৰী।

শ্ৰদ্ধাৰ প্ৰহ্লাদ ছাৰ, উৎপল ছাৰ আৰু আন আন বিষয়ৰ শিক্ষক শিক্ষয়িত্ৰীবোৰৰ অকৃত্ৰিম মৰমৰ আৰু অকৃপণ সহায়ৰ কথা সদায়ে মনত থাকিব। খুব নিষ্ঠাসহকাৰে ছাৰ-বাইদেউসকলে শিক্ষাদান কৰিছিল। কিবা বুজি নাপালে অতি আগ্ৰহেৰে বিষয়বোৰৰ খুব ভালদৰে বুজাই দিছিল। যাৰ বাবে ঘৰুৱা শিক্ষক নোহোৱাকৈ এটাৰ পাছত এটা বছৰ অতিক্ৰম কৰি দশম শ্ৰেণী পাইছিলগৈ। পঞ্চম শ্ৰেণীৰ পৰা কেনেকৈ দশম শ্ৰেণী পাইছিলো অনুভৱ কৰা নাছিলো। কাৰণ সুশৃংখল নিয়মানুবৰ্তিতাৰে সময়বোৰ ধনু কাঁড়ৰ দৰে গৈ আছিল। এই সকলোবোৰৰ উৰ্দ্ধত আছিল শ্ৰদ্ধাৰ ৰেক্টৰ ছাৰৰ মহানুভৱতা, গাম্ভীৰ্যতা আৰু ছাৰৰ প্ৰখৰ বুদ্ধিসম্পন্ন মনটোৰে পৰিচালনা কৰা নীতি-নিয়মবোৰ। আনহাতে নন্দিতা বৰ্মন বাইদেউৰ মৰমীয়াল ব্যৱহাৰে প্ৰতিটো দিশতে আগুৱাই যোৱাত সহায় কৰিছিল। কিবা অসুবিধা হ'লে বাইদেউৱে তাৎক্ষণিকভাৱে সমস্যাবোৰ সমাধান কৰি দিয়াত সহায় কৰিছিল।

চাওঁতে চাওঁতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ আনন্দৰাম বৰুৱা একাডেমি মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ কলা শাখাত নামভৰ্তি কৰিলো। প্ৰথম দিনা কিছু পৰিৱৰ্তন অনুভৱ কৰিছিলো। কাৰণ ছাৰ-বাউদেউসকল আছিল সম্পূৰ্ণ নতুন। আনন্দৰাম বৰুৱা একাডেমি মোৰ কাৰণে অতি আদৰৰ আৰু চিনাকি আছিল যদিও প্ৰথম দিনা অচিনাকি অচিনাকি লাগিছিল কাৰণ চাৰিওফালে চিনাকীৰ বিপৰীতে লগ পাইছিলো এজাক অচিনাকী বন্ধু-বান্ধৱী। বিষয়বস্তুবোৰো নতুন আছিল। সেইবোৰ বুজাই দিবলৈ প্ৰত্যেকজন শিক্ষাগুৰুৱেই পাৰ্যমানে চেষ্টা আৰু কষ্ট কৰিছিল। ছাৰ-বাইদেউসকলে প্ৰতিটো বিষয়ৰ বিষয়বস্তু নিজস্ব শিক্ষণ শৈলীৰে আগবঢ়াই নিছিল আৰু বিষয়বোৰক অধিক মনোগ্ৰাহী কৰি তুলিছিল। সময় বাগৰাৰ লগতে ময়ো দ্বিতীয় বৰ্ষ পালো। আৰম্ভণিৰ পৰাই পাঠ্যক্ৰমবোৰ ক্ষিপ্ৰতাৰে আগবাঢ়ি গৈ আছে। এইবোৰৰ মাজত সকলো শিক্ষক-শিক্ষয়িত্ৰী তথা বন্ধু-বান্ধৱীৰ লগত পঢ়া-শুনাৰ লগতে হাঁহি ধেমালিৰে কেনেকৈ দিনবোৰ অতীত হৈ গৈ আছে তাৰ অনুভৱ হোৱা নাই।

মহাবিদ্যালয়খনৰ সৰ্বাংগীণ উন্নতিৰ ক্ষেত্ৰত শ্ৰদ্ধাৰ উপাধ্যক্ষ মহোদয়ৰ ভূমিকা উল্লেখনীয়। মিণ্টু ছাৰে অকণো আমনি লাগিব নিদিয়ে। ভুগোল পঢ়াই থাকোতে সাৱলীলভাৱে কথাবোৰ বুজাই দিয়ে। কোনোদিনে ছাৰৰ তথা সহায়বোৰ পাহৰিব নোৱাৰিম। প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰ ওপৰতে ছাৰৰ চোকা নজৰ থাকে। গগণ ছাৰ আৰু কবিতা বাইদেউৰ শিক্ষাদান পদ্ধতিৰ কাৰণে অৰ্থনীতি বিষয়ৰ জৰিয়তে যেন গোটেই মৌলিক পৃথিৱীখন বুজাত সহজ হৈ পৰিছে। গগণ ছাৰৰ স্পষ্টবাদিতাত মই অনুপ্ৰাণিত হৈছো। অতি সহজ-সৰল কাকলি বাইদেউ নিজৰ পাঠ্যক্ৰমত বহুত দৃঢ়। নিষ্ঠা সহকাৰে শিকোৱা বুৰঞ্জী যেন মনত সাঁচ বহি গৈছে। বিশ্বজিৎ ছাৰ, যিয়ে উদাহৰণসহকাৰে জটিল ৰাজনীতি বিজ্ঞান বিষয়টো বুজাত মোক সহায় কৰি দিছে। মোৰ দৃষ্টিত নিৰস নিৰস লগা বিষয় এটা ছাৰে ৰস লগাকৈ বুজাই দিব জানে। ছাৰক মই 'A friend in need is a friend indeed' ৰূপে পাইছো। অতি মৰমীয়াল বৰ্ণালী বাইদেউ মৰমৰ শাসনেৰে শিকোৱা হিন্দী বিষয়টো মোৰ কাৰণে সহজ হৈ পৰিছে। বাইদেউৱে দিয়া পৰামৰ্শবোৰ চিৰস্থায়ী হৈ ৰ'ব। পুৰবী বাইদেউ, যিয়ে নিজৰ কষ্টৰ কথা নাভাবি প্ৰতি খোজত মোক আগুৱাই যোৱাত সাহস দিছে। বাইদেউৰ প্ৰতি খোজত মোক আগুৱাই যোৱাত সাহস দিছে। বাইদেউৰ গুৰুত্বৰ বাবে মোৰ ইংৰাজী গ্ৰামাৰ বুজাত অসুবিধা আঁতৰিছে। বিষয় শিক্ষকৰ লগতে বাকী শিক্ষকসকলৰ সহায়-সহযোগিতা, উৎসাহ-উদ্দীপনা আৰু পৰামৰ্শবোৰ কোনোদিনে পাহৰিব নোৱাৰিম।

প্ৰাইমাৰীৰ পৰা হাইস্কুল, হাইস্কুলৰ পৰা কলেজলৈ মোৰ অভিজ্ঞতাৰ পৰা অনুভৱ কৰিছো যে প্ৰতিজন ছাৰ-বাইদেউৰ পৰামৰ্শই জীৱনৰ বাটত আগুৱাই যোৱাত প্ৰেৰণা দিয়ে। এইখিনিতে মই মোৰ বন্ধু-বান্ধৱীৰ কথাও উল্লেখ কৰিব লাগিব যাৰ লগত মই মোৰ দিনবোৰ হাঁহি-ধেমালীৰে পাৰ কৰিছো। সেইকেইজন হ'ল— প্ৰণীতা, সৌৰভ, ভাৰ্গৱ, চানচুকি, কাশ্মীতা, ওৱাছিফা, দিব্যদৰ্শণ, দেৱাশীষ, মৈত্ৰী, প্ৰত্যাশা, বৈষ্ণৱী, নিবেদিতা আৰু বহুতো। তাৰ মাজত প্ৰণীতা, সৌৰভ আৰু ভাৰ্গৱ মোৰ অতি ঘনিষ্ঠ যিয়ে মোক প্ৰতিটো ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়াই আহিছে। শেষত সকলোৰে ওচৰত মই কৃতজ্ঞ হৈ ৰ'ম।

আনন্দৰাম বৰুৱা একাডেমি অসমৰ ভিতৰত জিলিকি থকাৰ কামনাৰে।



# অসম বুৰঞ্জীৰ এগৰাকী মহীয়সী নাৰী ঃ সতী জয়মতী

## ২৭ মাৰ্চ মৃত্যুদিৱস উপলক্ষে শ্ৰদ্ধাৰ্ঘ



*ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যিটো সময়ত মোগল সেনাপতি ৰামসিংহই গুৱাহাটী অধিকাৰ কৰিবৰ বাবে ৰঙামাটিত খাপ লৈ আছিল। সেই সময়তে আকৌ আহোমৰ এচাম বীৰ যোদ্ধাই বৰগোহাঞি, বুঢ়াগোহাঞি সেনাপতিয়ে মোগলৰ আক্ৰমণৰ পৰা অসমক কেনেকৈ বচাব পাৰি সেই চিন্তাত ৰাতি-দিন পাৰ কৰিছিল।*

*তাৰ মাজতেই উজনিৰ গড়গাঁৱত সেই সময়তে ৰজাপ্ৰত্যাশী আহোম কোঁৱৰসকল বধ কৰি, ইজনৰ পাছত সিজনক অংগক্ষত কৰি এচাম আহোমেসকলৰ মাজত এটা দস্তুৰ আছিল কোনো অংগক্ষত বিকলাংগ কোঁৱৰে ৰাজপাতত বহিব নোৱাৰে। ৰছজ্ঞা চনত শৰাইঘাটৰ যুদ্ধত মোগলক চিৰ দিনৰ বাবে অসমৰ পৰা খেদি পঠিওৱা মহাবীৰ লাচিত বৰফুকনৰ ককায়েক (কোনো কোনো বুৰঞ্জীৰ মতে ভায়েক) লালুকসোলাই এই ষড়যন্ত্ৰৰ মূল হোতা আছিল।*

অসম বুৰঞ্জীত যিসকল নাৰীয়ে দেশৰ হকে আত্মত্যাগ কৰি ইতিহাসৰ পাতত নিজৰ নাম লিপিবদ্ধ কৰি থৈ গৈছে সেইসকল মহীয়সীৰ ভিতৰত

■ **লীলাধৰ হাজৰিকা**

সোতৰ শতিকাৰ শেহৰ ফালে আত্মত্যাগৰ নিদৰ্শন দেখুৱাই থৈ যোৱা সতী জয়মতী নিঃসন্দেহে বহু চৰ্চিত এটি নাম। আহোমসকলে অসমত ছশ বছৰ ৰাজত্ব কৰিছিল। সোতৰ শতিকাৰ শেষৰ ফালে (১৬৭০-১৬৮১ চনলৈ) এঘাৰ বছৰ কাল ৰাজনৈতিক বিশৃংখলতাৰ বাবে দেশত অৰাজকতাৰ সৃষ্টি হৈছিল। ক্ষমতালোভী বিষয়া কেইগৰাকীমানে ক্ষমতাৰ লোভত ৰজা ভঙা-পতাৰ চক্ৰান্তত ব্যস্ত আছিল। তাৰ ভিতৰত লালুকসোলা আৰু দেবেৰা বৰবৰুৱা আছিল প্ৰধান ব্যক্তি।

ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যিটো সময়ত মোগল সেনাপতি ৰামসিংহই গুৱাহাটী অধিকাৰ কৰিবৰ বাবে ৰঙামাটিত খাপ লৈ আছিল। সেই সময়তে আকৌ আহোমৰ এচাম বীৰ যোদ্ধাই বৰগোহাঞি, বুঢ়াগোহাঞি সেনাপতিয়ে মোগলৰ আক্ৰমণৰ পৰা অসমক কেনেকৈ বচাব পাৰি সেই চিন্তাত ৰাতি-দিন পাৰ কৰিছিল।

তাৰ মাজতেই উজনিৰ গড়গাঁৱত সেই সময়তে ৰজাপ্ৰত্যাশী আহোম কোঁৱৰসকল বধ কৰি, ইজনৰ পাছত সিজনক অংগক্ষত কৰি এচাম আহোমেসকলৰ মাজত এটা দস্তুৰ আছিল কোনো অংগক্ষত বিকলাংগ কোঁৱৰে ৰাজপাতত বহিব নোৱাৰে। ১৬৭১ চনত শৰাইঘাটৰ যুদ্ধত মোগলক চিৰ দিনৰ বাবে অসমৰ পৰা খেদি পঠিওৱা মহাবীৰ লাচিত বৰফুকনৰ ককায়েক (কোনো কোনো বুৰঞ্জীৰ মতে ভায়েক) লালুকসোলাই এই ষড়যন্ত্ৰৰ মূল হোতা আছিল। লাচিতে শৰাইঘাটৰ যুদ্ধত জয়ী হৈ অসমৰ গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হোৱা সেই লাচিতৰ ককায়েক লালুকসোলাৰ পৰিকল্পনাতে ১৬৮০ চনত জয়মতীক জেৰেঙা পথাৰত শাস্তি বিহি মৃত্যু ঘটাইছিল। অকল সেয়াই নহয় গুৱাহাটীৰ গড় মোগল সেনাপতি মনচুৰ খাৰ হাতত বিনাযুদ্ধে এৰি দি লালুকসোলা গড়গাঁৱলৈ গৈ চুডৈফাক বধ কৰাই চুলিকফা ৰত্নধ্বজ সিংহক আহোম ৰাজপাটত বহুৱাইছিল। ইয়াৰ উপৰিও ১৬৭৩ চনৰ পৰা ১৬৭৯ চনলৈ কেইবাজনো আহোম কোঁৱৰ ৰাজপাটত বহিছিল যদিও লালুকসোলাৰ অত্যাচাৰত নিজে নিজে প্ৰাণত্যাগ কৰিবলৈ বাধ্য হৈছিল।

চুলিকুফা ৰত্নধ্বজ সিংহ ৰজা হোৱাৰ সময়তে তেওঁৰ বয়স আছিল মাত্ৰ চৈধ্য বছৰ। সেইবাবে তেওঁক ল'ৰা বুলিছিল। লালুকসোলাই নিজৰ স্বাৰ্থৰ বাবে নিজৰ পাঁচ বছৰীয়া জীয়েকক ল'ৰা ৰজালৈ বিয়া দি তেওঁক হাতৰ পুতলা কৰি লৈছিল। আতন বুঢ়াগোহাঁইকো সেই সময়তে লালুকে বধ কৰিছিল। লালুকে নিজেই বুঢ়াফুকন নাম লৈ নিজৰ খুচিমতে ৰাজ্য চলাব ধৰিলে। কোনো কোনো বুৰঞ্জীয়ে কয় তেওঁ হেনো ৰজা হ'বলৈও অভিলাষ কৰিছিল। তেওঁ ৰাজপোছাকো পৰিধান কৰিছিল। ল'ৰা ৰজাক নাম মাত্ৰ ৰজাপাতি নিজৰ অস্তিত্ব জাহিৰ কৰিবলৈ তেওঁ ৰাজপাটপ্ৰত্যাশী যোগ্যবান কোঁৱৰসকলক কিছুমানক বধ কৰি কিছুমানৰ চকু কাঢ়ি নাক-কাণ কাটি ঘুনীয়া কৰিছিল। লালুকসোলাৰ এনে মইমতালিবোৰ বহু ৰাজকোঁৱৰে পৰ্যৱেক্ষণ কৰি আছিল। সেই সময়ত তুংখুঙীয়া ফৈদৰ লাঙি গদাপাণি নামেৰে এজন বৰ বাহুবলী আৰু সাহসী কোঁৱৰ আছিল। লালুকসোলা আৰু ল'ৰা ৰজাই তেওঁলৈ সদায় ভয় কৰিছিল। গদাপাণিক ধৰিবলৈ লালুক বুঢ়াফুকনে আৰু চুলিকফাই চেষ্টা কৰিছিল। গদাপাণিয়ে তেওঁলোকৰ পৰা সাৰিবলৈ উপায় নোপোৱা হৈছিল। সেই সময়তে তেওঁৰ নিজ ভাৰ্যা জয়মতীৰ উপদেশ মতে নগা পৰ্বতৰ ফালে পলাই গৈছিল। নগা পৰ্বতত আত্মগোপন কৰি আছিল। ল'ৰা ৰজাৰ মানুহে গদাপাণিক ধৰিব নোৱাৰাত তেওঁৰ সন্দেহ বাঢ়ি যাবলৈ ধৰিলে আৰু জয়মতীৰ পৰা যিকোনো উপায়ে হ'লেও গদাপাণিৰ বাতৰি উলিয়াবলৈ চেষ্টা কৰিলে। জয়মতীয়ে মৰিলেও তেওঁৰ পৰম আৰাধ্য স্বামীৰ বাতৰি দিবলৈ অস্বীকাৰ কৰিলে। শেষত ল'ৰা ৰজা আৰু লালুকে জয়মতীকে জেৰেঙা নামৰ পথাৰলৈ নিয়াই এজোপা কাঁইটীয়া গছত বান্ধি চাওদাঙৰ হতুৱাই অনেক শাস্তি দিয়ালে। ল'ৰা ৰজা আৰু *১১ পৃষ্ঠাত*





# গুণে পেহী

ৰীতা দেৱী

মানুহজনী কথা কমকৈ কয়। যিখিনি কয় জুখি-মাপি কয়। খাজ কটা ভাজ দেহৰ অংগে অংগে। ককাললৈ পৰা গাল দুখনি ৰঙা পৰি থাকে সততে। বয়সটো অনুমান কৰিব নোৱাৰি। মানে গাভৰু গাভৰু লগা এজনী মহিলা। বিধবা। চকুযুৰিত এসাগৰ বিষন্নতা। অনেক দুখৰ কালিমা। মনটো স্থিৰ। গৰল পিব পৰাকৈ সাজু সকলো সময়তে।

এইজনীয়ে বুমনৰ পেহী। গুণে পেহী। তাৰ অতি আদৰৰ পেহী। অতি মৰমৰ। সিয়ো পেহীয়েকৰ বুকুৰ এফাল। হিয়াৰ আমঠু। হিয়া উজাৰি দি মৰম কৰিব পৰাকৈ সিয়ে মানুহজনীৰ ওচৰৰ সম্পৰ্কীয়। সৰুৰে পৰা বতৰৰ ফল জলফাই, বগৰী, অমৰা, আমা হাতৰ টিপতে তাক গুজি দিয়ে। গা বেয়া হ'লে কাণ ভগা বাতিটোত নহৰু দুফোটাৰে সৈতে তেল অকন গৰম কৰি হাতে ভৰিয়ে, মাকে-কাণে এনেকৈ মালিচ দিয়ে জ্বৰ আধা ঘণ্টাতে পলাই। পেটটো বেয়া হ'লে বাৰিৰ পৰা গছৰ শিপা দুদালমান উভালি আনি নাভি ওপৰত হেচি ধৰে কিছু পৰ। তেনেকৈ ভাল হয় পেটৰ বিষ। মুঠতে সৰুতে বুমনৰ বেমাৰ হ'লে ডাক্তৰ গুণে পেহী। সৰু মানে পেহীয়েকৰ মেনত হে সি সৰু। পেহীয়েকৰ বিয়াৰ সময়ত সি কৈশোৰত ভৰি দিছে।

পেহীয়েকৰ বিয়া মনত আছে তাৰ। এখন সাধাৰণ বিয়া। ৰভা-পৰলা নোহোৱা। গওঁৰা ৰাইজ আহিছিল। পেহীয়েকক ভাল পায় সকলোয়ে। সৰুৰে পৰাই গুণী ছোৱালীজনী। গুণী, গুণী কৰোতে নামতো এটা সময়ত গুণে হৈ পৰিল। ঘাট-মাউৰী লক্ষী ছোৱালীজনীৰ ঘৰ এখন হওঁক। সুখৰ ঘৰ। সকলোৰে তাকেই কামনা কৰিছিল। ৰাইজৰ কোনোবজনে বাৰি টামোলঠোকা, কোনোবাজনে পান দুগচিমান দিছিল। কোনোবা জেঠাইদেৱে তাঁতৰ কাপোৰ দুয়োৰমান মৰমতে দিছিল। এনেকৈ তামোল-পাণ, উৰুলী, বিয়ানামেৰে বিয়াখন সমাপ্ত হৈছিল। নাই দৰাৰ লগত যোৱাৰ সময়ত গুণে পেহী কন্দা নাছিল। মাথো বুমনক বুকুৰ মাজত সাৱতি কৈছিল, বুম ভালকৈ থাকি বি। মাৰ-দেউতাৰৰ কথা শুনিবি। তই ডাঙৰ মানুহ হ'ব লাগিব। তাৰ পাছত দৰাৰ চাইকেলত বুমনৰ পেহী গুচি গৈছি। নিলিপ্ত ভাবত। এইখন বিয়াত গুণে সুখী হৈছিল নে দুখী হৈছিল সেইটো কোনেও বুজিব পৰা নাছিল।

বুমনৰ মুৰৰ মুধচখনৰ এচোৱা নোহোৱা হৈছিল। তাৰ সকলো ভাল-বেয়া কামৰ পৰ্যবেক্ষক আছিল গুণে পেহী। কিবা বেয়া কৰিলে বুমনক গা-মুৰ পিহি বুজাইছিল। ভাল কৰিলে তাক উৎসাহ দিছিল। গুণৰ আকৰ তাৰ পেহীয়েকজনী। সকলোবোৰ ভাল গুণ তাৰ পেহীয়েকৰ গাত আছে। সি অন্ততঃ তেনেকৈ ভাবে। তাৰ নিজৰ মাকজনীক পেহীয়েকৰ লগত তুলনা কৰিবৰ মন নাজায় কোনো কথাতে। মাকজনীৰ দেখোন মনটো অনবৰত খিংখিঙীয়া। বিপৰীতে পেহীয়েকজনী ধীৰ-স্থিৰ, মৰমীয়াল। ভাল সময়, বেয়া সময় সকলোতে খাপ খাই পৰে। সকলো পৰিস্থিতি নিয়ন্ত্ৰণ ৰাখিব পাৰে।

এটা কথা বুমনে আজিলৈকে বুজি নাপালে। এইজনী পেহীয়েকক তাৰ মাকে এদিনলৈ এষাৰ ভাল মুখেৰে মাত নিদিলে। মাকৰ যেন পেহীয়েকৰ প্ৰতি বহুত হিংসা, ঈৰ্ষা। কিহৰ বাবে এই হিংসা, ঈৰ্ষা মুমনে বুজি নাপালে। এখন দৰিদ্ৰ খৰলৈ বিয়া হৈ গুচি যোৱাত মাক যেন বহুত সুখী হৈছে বুমনে অনুভৱ কৰিছিল। ঘৰ বুলি ক'বলৈ তাৰ সংকোচ লাগে। ঘৰ এখন বুলি ক'লে যিখন ছবি তাৰ মনত ভাহি উঠে তাৰ লগত পেহাকৰ ঘৰখনৰ অলপো মিল নাই। পেহাক অকলশৰীয়া মানুহ। মাক-বাপেক সৰুতে ঢুকাল। আনৰ ঘৰত বন্ধা থাকি কোনোমতে খোৱা খৰচটো উলিয়াই মাক-বাপেকৰ ঘৰৰ নামত থকা চালিখনত নিশা পাৰ কৰে। বিয়া-বাৰুৰ কথা ভবাই নাছিল। বয়সে ভাটি দিব লওঁতে বৌয়েকে যেনিবা আপদ আতৰাবলৈ গুনেক শুৱা-পান কাটি সেইজনাৰ লগত পঠিয়াই দিলে। অকলশৰীয়া মানুহজনেও ঘৰখন ধৰা মানুহ এজনী পাই উশাহ ল'লে। অন্ততঃ চাউলমুঠিকে সিজাই আগত দাঙি ধৰিব।

অভাৱী ঘৰখন পেহীয়েকে আত-পিতকৈ সজাই মেলি কিছু ঘৰ লেখীয়া কৰি তুলিছিল। দুহাত আজুৰি পৰিশ্ৰম কৰি পেহীয়েকেও দুইপইচা অৰ্জন কৰি মানুহজনৰ হাতখনক সকাহ দিছিল। সেই সৰু ঘৰখনতো এটা সময়ত সুখৰ বা বলিছিল। দুজন নিঃসংগে মানুহক এজাক মধুৰ বতাহে চুমিছিল। ঠিক প্ৰেমৰ বতাহ বুলিও ক'ব নোৱাৰি। সেই সময় দুয়োজনেই পাৰ কৰিছিল। তথাপি অবতৰীয়া বসন্তৰ বতাহজাকে পোৱা-নোপোৱাৰ হিচাপ ল'বলৈ যেন আহিছিল। সেই বতাহজাকতে ইজনৰ সুখত সিজন সুখী হ'বলৈ আহোপুৰষাৰ্থ কৰিছিল। আৰু এদিন সুখবোৰ বতাহত বিয়পিব লওতেই বুমনৰ পেহাকক নিশা বাহিৰ ফুৰিব যাওঁতে কাল সৰ্পই দংশন কৰিছিল। মাথো আদা ঘণ্টা চটফটনি। তাৰ পাছত অন্ধকাৰ। আৰু বুমনৰ পেহীয়েকৰ কপালখন উদং, বুকুখন খণ্ড-বিখণ্ড হৈছিল। গোটেই জীৱনটো লৈ অমাৱস্যা নামি আহিছিল। কুৰিতে বুঢ়ীও হোৱা নাছিল গুণে। কণাৰ লাখুতি হ'বলৈ সিজনাই পা-পোৱালী এটাও দি নগ'ল। অকলশৰীয়া গাভৰু মানুহ এজনীৰ খবৰ লওঁতা বহুত। কিন্তু দায়িত্ব লওঁতা কোনো নোলাই। দিনৰ পোহৰতে গাৰ চাল বখলিয়াই যোৱা দৃষ্টিৰ উত্তাপ। নিশা বাহৰ দুৱাৰখনত ৰৈ ৰৈ বজা টোকৰবোৰৰ ভয়ত বুমনৰ পেহীয়েকে আকৌ নিজৰ নিৰাপত্তা পাবলৈ দাদাক-বৌয়েকৰ ওচৰলৈ উভতি আহিছিল। ইয়াত পিছে নিৰাপত্তা পাইছিল। লোলুপ দৃষ্টিবোৰে সাহস হেৰুৱাইছিল। পৰা নাছিল কামনা চৰিতাৰ্থ কৰিব। কিন্তু ইয়াতো আন এক বিপদে দুবৈৰ পৰা অট্টহাঁহি মাৰিছিল। বৌয়েক অৰ্থাৎ বুমনৰ মাকৰ হিংসাৰ দাবানলে অনবৰতে দেই পুৰি মাৰিব ল'লে গুণেক।

নিঃসহায় দাদাকে গুণেৰ দুখ দেখি ওচৰতে বেলেগকৈ এখন চালি বনাই দিলে। থাকক, অকলে থাকক। কিন্তু মনৰ সুখত থাকক। অকলে খাবক কিন্তু মনৰ সুখত খাবক। পৰিশ্ৰম কৰি যি খাব পায় তাকে অমৃত সম বুলি খাওঁক। গুণে সেইটো বিচৰা নাছিল। সুদাই-নিকাখই হ'লেও আপোন মানুহখিনিৰ লগত একেলগে থাকি হাঁহি স্ফুৰ্তীত খাব। আপোনজনৰ সান্নিধ্য সদায় সুকীয়া। ভবা মতে সকলো নহয়।

অবশ্যে অকলে থাকি সুখত নাখালেও দুখত খাব লগা হোৱা নাছিল। দিনটো গোটেই গাঁওখনৰ মানুহবোৰৰ কামবোৰ নিজৰ ঘৰৰ কামৰ দৰে সামৰি তেওঁলোকেই অন্তৰৰ আপোন হৈছিল। সন্ধিয়া দুসেৰ চাউল দুটামান টকাৰে দেহ মনলৈ শান্তিৰ ঢল নামিছিল। মাহটোত দুদিনমান দুচকল মাছ, এপোৱা মাংস আনি বুমনৰ লগত লগ হৈ খাইছিল। বুমনে মাংস খাই ভাল পাই। বুমনৰ প্ৰিয় খাদ্য খুৱাই পেহীয়েক তৃপ্ত হৈছিল।

গুণে নহ'লে গাঁওৰ মহিলাখিনি কৰবাত আধৰুৱা হৈছিল। কামবোৰ গুণে নহ'লে নিসিজিছিল। ঘৰ-কাঠি মচা, শালত ব তোলা, ধান সিজাই ৰ'দোৱা, ধান বনা সকলো কামতেই গুণে পাকৈত। গাঁওৰ মহিলাখিনিৰ মাজত গুণেৰ গুণ বৈ বৈ গৈছিল। এটা দিনো ঘৰত জিৰাবলৈ গুণে পোৱা নাছিল।

বুমনৰ এইজনী পেহীয়েক এটা ডাঙৰ কাম কৰিলে। সমাজৰ দোষণীয় কাম। হামিদচাচাই ঘৰৰ পৰা উলিয়াই দিয়া উতনুৱা ল'ৰাটোক গুণে তাইৰ ঘৰত আশ্ৰয় দিলে। ল'ৰাটোই বাপেক-মাকৰ কথা নুশুনে। কিন্তু গুণে যদি জ্বলা জুইতো যাপ দিব কয় সি হেলৰঙে দিব। সেই লৈ গাঁওখন উতপ্ত। গাঁওৰ মানুহবোৰ তিঙিৰি তুলা। বিজতৰীয়া, বিধৰ্মী ল'ৰাটোক কি কাৰণে গুণে বুকুত সুমুয়াই ল'ব লাগে। গিৰীয়েকৰ মুৰখাই তী জনীয়ে লাজ-মান পুৰি খালে। গওঁৰা ৰাইজৰ কথা, ইমানেই যদি মতা পাগল নিজৰ ধৰ্মৰ ভিতৰতে এজন গোটাই নল'লি কিয়। এই ফুকলীয়া বিধৰ্মী ল'ৰাটোক তাই নাককাটি নোপোৱাই পোৱাদি পালে। সংসাৰলৈ যদি ইমানেই মন ধৰ্ম, বয়স এইবোৰ চাবলৈ সময় নহ'ল নে তোৰ। হামিদাচাৰো কথা হ'ল, তাই নষ্ট জাতি মোৰ ফুকলীয়া ল'ৰাটোৰ মুৰ খালে। সেই হেন ওঠ টিপিলে গাখীৰ ওলোৱা ল'ৰাটোক তাই পৈয়েক পাতিব লাগেনে। হেৰৌ তোৰ যদি পাৰ্টিৰ লগৰীয়ালৈ ইমান মন আমি আছো নহয়। দেহৰ পিৰপিৰনি মাৰিবলৈ মতগজ মতাৰ আকাল হোৱা নাই নহয়।

বুমনে মন কৰিছে, ৰাইজৰ কথাবোৰলৈ গুণে বেছি কৰ্ণপাত কৰা নাই। ৰাইজখনে খবৰ ৰখা নাই তাইৰ। চিনি পাই তাই মতগজ মতাবোৰক। পাৰ্টিৰ তিৰোতাক এৰি আন তিৰোতাৰ দেহৰ সোৱাদ ল'বলৈ জিভাখন লিকলিকাই ফুৰে। অকলশৰীয়া তিৰোতাৰ দেহৰ ভুগোল পঢ়াত আগ্ৰহী। মন জুখি সুবিধা পালেই বস চেপি সমাজত বদনামী কৰি এৰি দিয়াৰ চেষ্টা। মতা মানুহৰ টো গাতত চেকা নালাগে। সেইবোৰৰ লগত তাইৰ মনোভাৱৰ মিল নাই। হামিদচাচাৰ ল'ৰাটোক তাই ভাল মানুহ বনাব। মাক-দেউতাকৰ প্ৰতি তাৰ সন্মান বঢ়াব। সি মানসিক চক পাইছে। মানুহৰ জঘন্য চিকাৰৰ বলি হৈছে ল'ৰাটো। য'ত মাক-দেউতাকেও তাক সুৰক্ষা দিয়াত ব্যৰ্থ হৈছে। সেয়ে তেওঁলোকলৈ সন্মান অৱনমিত হৈছে। বুমনে জানে পেহীয়েক সমৰ্থ হ'ব এই কামত। তাৰ অগাধ বিশ্বাস পেহীয়েককলৈ।

বুমনৰ আক্ৰোশ সমাজখনলৈ। সমাজৰ বৰমূৰীয়াবোৰলৈ। পেহীয়েকক এঘৰীয়া কৰা ভব্য-গব্য ব্যক্তি সকললৈ। নীচ মানসিকতাৰ এই সকল ব্যক্তিয়ে পেহীয়েকৰ মোটোকা নপৰা দেহটোলৈ দিয়া কুদৃষ্টি তাৰ চকুত নপৰা নহয়। মানুহজনীৰ আত্মবিশ্বাস সাংঘাতিক। নহ'লে এইসোপা নসম্য ব্যক্তিৰ হাতত পেহীয়েকজনী কেতিয়াবাই হেঁৰাই গ'লহেঁতেন। বুজন হৈছে সি। এঘৰীয়া আপাহত নিশা দুৱাৰত হেুঁকাৰ সংখ্যা নোহোৱা হ'ব। ইমান দিনে দেখি আহিছে সি। মানুহজনী সাহসী বুলিহে। এতিয়াৰ পৰা সিওঁ পেহীয়েকৰ ঢাল হ'ব। পেহীয়েকেই নহয় কোনো অকলশৰীয়া বিধবাক আৰু এঘৰীয়া কৰিব দিয়া নহ'ব। কোনো লম্পটক তেনে মহিলাক নিৰ্যাতন কৰিবলৈ দিয়া নহ'ব। হাতৰ মুঠি কঠিন কৰি বুমন সংকল্পবদ্ধ হ'ল। পেহীয়েকক কথা দিলে, তই অকলশৰীয়া নহয় পেহী। মনো আছো তোৰ লগত। তই সাহস নেহেৰুৱাবী।

পেহীয়েকে বুমনৰ মুখলৈ চাই ক'লে, বুম তই তোৰ কাম কৰ সোণ। ডাঙৰ মানুহ হ'ব লাগিব তই। মই নিজেই স্বতন্ত্ৰ। নিজেই নিজৰ সাহস। নহ'লে এইখন ঘুণে ধৰা সমাজে মোক কেতিয়াবাই নিঃশেষ কৰি দিলেহেঁতেন। মোৰ অস্তিত্বই নাথাকিলহেঁতেন। ইমান দূৰ বাটকুৰি বুলিলো। এইকণ ওঁ পাৰিম দে।

এইবোৰ কাম কৰিও ডাঙৰ মানুহ হ'ব পাৰি পেহী। তই অকলে কষ্ট পাবি।

বুমনৰ কথাত অহ্লাদিত হৈ পেহীয়েকে ক'লে, তই ইমান ডাঙৰ হলি সোণ। মোক পোনকৈ ৰাখিব পৰাকৈ। বয়সে ডাঙৰ কৰা সকলোত কৈ তই দেখোন মনেৰে বহুত ডাঙৰ হলি। চিন্তা নকৰিবি বুম, নিশাৰ অন্ধকাৰ, অপকৰ্ম ৰাতিপুৱাৰ পোহৰ আৰু স্নিগ্ধতাই সদায়েই নাইকিয়া কৰে।

অসম চৰকাৰে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশক অৱজ্ঞা কৰাৰ কৰুণ পৰিণতি এয়া। ইমানৰ পাছতো অসমত আজিলৈকে গণপ্ৰহাৰৰ বিৰুদ্ধে এখন কঠোৰ আইন বলৱৎ পোৱা পৰিলক্ষিত নহ'ল কিয় ? উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ ভিতৰত কেৱল মণিপুৰতহে সেই ৰাজ্যৰ চৰকাৰে গণপ্ৰহাৰৰ বিৰুদ্ধে আইন প্ৰণয়ন কৰিছে। আমি জনামতে দেশৰ ভিতৰত কেৱল তিনিখন ৰাজ্যতহে গণপ্ৰহাৰৰ বিৰুদ্ধে আইন আছে। সেই ৰাজ্য তিনিখন হৈছে ক্ৰমে ৰাজস্থান, পশ্চিমবংগ আৰু মণিপুৰ। মণিপুৰ বিধানসভাত ২০১৮ চনতে গণপ্ৰহাৰৰ বিৰুদ্ধে আইন প্ৰণয়ন কৰাৰ বিষয়ত এখন বিধেয়ক উত্থাপন কৰা হৈছিল আৰু সেই বিধেয়ক গৃহীত কৰি আইনত পৰিণত কৰাও হৈছিল। উল্লেখ্য যে এই বিধেয়কখনে ৰাজ্য খনৰ প্ৰতিখন জিলাত গণপ্ৰহাৰৰ দৰে নাৰকীয় অপৰাধ ৰোধ কৰিবলৈ একোজন নডেল বিষয়া নিযুক্তি দিয়াৰ পোষকতা কৰি এনে ঘটনা নিঃশেষৰ উদ্যোগ লৈছিল।

# গণপ্ৰহাৰকাৰীৰ বিৰুদ্ধে সুকীয়া আইন

**ধীৰেণ শইকীয়া**

গণ উন্মাদনা বা গণ প্ৰহাৰ এটা ভয়ংকৰ আবেগ। ই আপোন-পৰ একো নিচিনে, মৰম-দয়া সকলো পাহৰি ভয়ংকৰ আবেগত ডুবি গৈ কেৱল একেমুখে চিঞৰেঃ মাৰ, মাৰ। মাৰি পেলা তাক,কি চাই আছা, ইয়েই মেইন কালপ্ৰিট।" কথাখিনি যদি পোনতে এজনে কৈছিল, নিমিষতে ভাইৰেল হৈ যায় চিঞৰটোঃ বিষয়টো। সঁচা-মিছা, উচিত-অনুচিত আদিৰ বিচাৰ কৰবাত যেন বাগৰি পৰে। হাতত যি পাই, তাৰেই আক্ৰমণ আৰম্ভ কৰে চৌদিশৰ মানুহ এচামে। যাক কোৱা হয় মাছ হিষ্টিৰিয়া। বস্তুতে আকৌ কৈছেঃ ই এক মানসিক ৰোগ, শেহতীয়াভাৱে এই অবিবেচক ঘটনাবোৰ যেন সঘনাই হ'ব ধৰিছে আমাৰ সমাজত। ইয়াক লৈ মানসিক ৰোগৰ চিকিৎসক সকলো সন্দিহান। সঁচাই অত্যধিক আধুনিক তথা বস্তুবাদী জীৱন ধাৰণৰ বাবে উচিত অনুচিত, সঁচা মিছা বিষয়বোৰ আমাৰ মাজৰ পৰা আজি চিৰদিনলৈ গুচি গ'ল নেকি নে আমি কাৰোবাৰ দ্বাৰা হঠাৎ প্ৰভাৱিত হ'বলৈ গৈ আছো সেয়াও আজি আমাৰ দৰে ৰাজ্যবোৰৰ বাবে ডাঙৰ গৱেষণাৰ বিষয় হৈ পৰিছে। যোৰহাটৰ মাজমজিয়াত উনত্ৰিশ নৱেম্বৰৰ দিনা এদল উন্মত্ত লোকে খেদি খেদি হত্যা কৰিলে ছাত্ৰ সন্থাৰ অক্লান্ত কৰ্মী সৰবৰহী যুৱক অনিমেষ ভূঞাক। সঁচাই কেইবছৰ মানৰ ভিতৰতে মানুহ কিয় ইমান নৃশংস হৈ পৰিছে? বিশেষকৈ দুহেজাৰ বৰ্ষ মানৰ পৰাই এই অসহ্যকৰ পৰিস্থিতিবোৰ ক্ৰমে যেন বাঢ়ি আহিছে। বহু এলেকাত শ্ৰমিকসকলে আজিও তেওঁলোকৰ মাজৰ কোনো ৰোগীৰ মৃত্যু হ'লে সেই ৰোগীজনক চিকিৎসা কৰি থকা চিকিৎসকজনক আগুৰি ধৰি হত্যা কৰাও দেখা যায় এইখন অসমত।

দেশৰ কেৱল তিনিখন ৰাজ্যতহে আছে গণপ্ৰহাৰ প্ৰতিৰোধী কঠোৰ আইন। শেহতীয়াকৈ যোৰহাটৰ মাজমজিয়াত উনত্ৰিশ নৱেম্বৰৰ দিনা এচাম নৰপিশাচৰ হাতত মৃত্যু ঘটা অনিমেষ ভূঞাৰ হত্যাকাণ্ডই বৰ্তমান কেৱল অসমেই নহয়, সমগ্ৰ দেশকে জোকাৰি গ'ল চৌদিশে অপৰাধীক ফাচী দিবৰ বাবেও জনগণে একেমুখে দাবী তুলিছে। অসমত গণপ্ৰহাৰ এইবাৰেই প্ৰথম নহয়, ইয়াৰ আগতেও কেইবাটাও এনে হৃদয়বিদাৰক ঘটনা সংঘটিত হৈ গৈছে। অতি পৰিতাপৰ কথা যে ইয়াৰ পূৰ্বেও ডিফুত ঝংকাৰ শইকীয়া কাৰ্বি পাহাৰত অভিজিত নাথ-নীলোৎপল দাস, ডিকম চাহ বাগিচাতত চিকিৎসক দেবেন দত্ত, হাজোত সনাতন ডেকা, চাবুৱাত পৰাগ জ্যোতি নেওগ, মৰিয়নীত দেৱাশিষ গগৈ আৰু নুনমাটিৰ ঋতুপৰ্ণ পেগুৰ হত্যা এনে গণপ্ৰহাৰত মৃত্যু হোৱা ঘটনা।

বস্তুতে আকৌ এই সময়ত কৈছে যে অসম চৰকাৰে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশক অৱজ্ঞা কৰাৰ কৰুণ পৰিণতি এয়া। ইমানৰ পাছতো অসমত আজিলৈকে গণপ্ৰহাৰৰ বিৰুদ্ধে এখন কঠোৰ আইন বলৱৎ পোৱা পৰিলক্ষিত নহ'ল কিয়? উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ ভিতৰত কেৱল মণিপুৰতহে সেই ৰাজ্যৰ চৰকাৰে গণপ্ৰহাৰৰ বিৰুদ্ধে আইন প্ৰণয়ন কৰিছে। আমি জনামতে দেশৰ ভিতৰত কেৱল তিনিখন ৰাজ্যতহে গণপ্ৰহাৰৰ বিৰুদ্ধে আইন আছে। সেই ৰাজ্য তিনিখন হৈছে ক্ৰমে ৰাজস্থান, পশ্চিমবংগ আৰু মণিপুৰ। মণিপুৰ বিধানসভাত ২০১৮ চনতে গণপ্ৰহাৰৰ বিৰুদ্ধে আইন প্ৰণয়ন কৰাৰ বিষয়ত এখন বিধেয়ক উত্থাপন কৰা হৈছিল আৰু সেই বিধেয়ক গৃহীত কৰি আইনত পৰিণত কৰাও হৈছিল। উল্লেখ্য যে এই বিধেয়কখনে ৰাজ্য খনৰ প্ৰতিখন জিলাত গণপ্ৰহাৰৰ দৰে নাৰকীয় অপৰাধ ৰোধ কৰিবলৈ একোজন নডেল বিষয়া নিযুক্তি দিয়াৰ পোষকতা কৰি এনে ঘটনা নিঃশেষৰ উদ্যোগ লৈছিল। আনকি আমি জনামতে গণপ্ৰহাৰ ৰোধ কৰাত ব্যৰ্থ হোৱা আৰক্ষীক কাৰাদণ্ডৰ লগতে জৰিমনা বিহাৰ বিধান ৰখা হৈছে। ৰাজস্থানতো ২০১৯ চনৰ আগষ্ট মাহত গণ প্ৰহাৰৰ বিৰুদ্ধে কঠোৰ বিধেয়ক এখন বিধানসভাত উত্থাপন কৰা হৈছিল। পিছলৈ সেই বিধেয়ক আইনত পৰিণত হৈছিল। চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ চৰকাৰেও তেনে এখন আইন প্ৰণয়ন কৰা বুলি শুনিছিলো। এই আইন অনুসৰি ঘটনাত জৰিত অপৰাধীৰ যাৱজ্জীৱন কাৰাদণ্ডৰ লগতে পাচ লাখ টকাৰ জৰিমনা বিহাৰ বিধান ৰখা হৈছে। আমাৰ হাতত পৰা তথ্যমতে দেশৰ উচ্চতম ন্যায়ালয়ে ২০১৮ চনৰ জুলাই মাহতে গণ প্ৰহাৰৰ ঘটনাৰ তাৎক্ষণিক বিচাৰ কৰিবলৈ দেশৰ প্ৰতিখন ৰাজ্যৰ জিলাত একো খনকৈ ফাষ্ট ট্ৰেক আদালত স্থাপনৰ নিৰ্দেশ দিছিল। আনকি ন্যায়ালয়ে প্ৰহাৰৰ বলি হোৱাসকলৰ লগতে তেওঁলোকৰ পৰিয়ালৰ পুনৰ সংস্থাপনৰো এক নিৰ্দেশ দিছিল। ইমানৰ পাছতো দেশৰ প্ৰায় সংখ্যক ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলেই ন্যায়ালয়ৰ নিৰ্দেশ কাৰ্যকৰী নকৰাতো অতিশয় পৰিতাপৰ কথা। সেয়েহে আমি কব খোজো অসমত গণ প্ৰহাৰ প্ৰতিৰোধৰ কঠোৰ আইন এখন সোনকালে আনক নহলে গণ প্ৰহাৰত জড়িত অপৰাধীসকল সদায় বিভিন্ন ধৰণে আইনী মেৰপেঁচৰ সুৰুঙাৰে সাৰি যাব। প্ৰতিটো গণপ্ৰহাৰৰ ঘটনাৰ পাছতে ফাষ্ট ট্ৰেক আদালতৰ কথা কোৱা হয় যদিও, পিছলৈ এয়া কি হয় আমি সকলোৱে ইতিমধ্যে দেখিছোৱেই। উদাহৰণ অভি-নীল হত্যাকাণ্ড, ঝংকাৰ শইকীয়াৰ গণহত্যাৰ ঘটনাটোলৈ চালেই ওলাই পৰে। কিন্তু ইমানৰ পাছতো সেই ঘটনাই আজিৰ সমাজক চূড়ান্ত ভোগবাদী, ব্যক্তিবাদী, যুক্তিহীন অনিয়ম আৰু মূল্যবোধহীনতাই গ্ৰাস কৰি পেলাইছে। বস্তুতে ৰাজনৈতিক মিতিৰালিৰ দোহাই দি সঁচাক সঁচা মিছাক মিছা বুলিবলৈও এইখন পৃথিৱীত আগবাঢ়িছে। বিগত দহ বছৰৰ পৰা এনে প্ৰৱণতা মাত্ৰাধিকভাৱে বাঢ়িছে, এনে লাগিছে তৃণমূল পৰ্যায়ৰ পৰা সমাজখন যেন গেলিব ধৰিছে। সেয়ে আজিকালি বহু মানুহে সমাজৰ সমস্যাবোৰ দেখিও নেদেখা ভাও জোৰা হৈছে, জনসাধাৰণে প্ৰতিবাদ কৰি সমস্যা বঢ়োৱাৰ মন নথকাৰ ফলত সমাজখনৰ মানৱীয় প্ৰমূল্যবোধ চকুৰ আগতেই হেৰুৱাই যাব ধৰিছো। চাওঁতে চাওঁতে এইখন সমাজৰ পৰা নৈতিকতা, আধ্যাত্মিকতা সমূলি আজি নোহোৱা হৈছে। ইফালে মদ, ড্ৰাগছ, গুটখা, জুৱাৰ প্ৰয়োভৰ বাঢ়িছে। অন্যায় অধৰ্ম সমাজৰ চৌদিশ ছানি ধৰিছে, ফলত সমাজত পূৰ্বতে থকা বান্ধোন ধ্বংস হ'ব ধৰিছে, যাৰবাবে সাধাৰণ সৰু-সুৰা কথা এটাতে আচৰিতজনকভাৱে জীৱশ্ৰেষ্ঠ মানুহক নিমিষতে মাৰি পেলাবলৈ আজি অলপো বিচলিত নহয়। সামান্য বিষয় এটি উল্লেখ কৰাক লৈ আজিকালি তৰ্ক-বিতৰ্ক আৰম্ভ হয়, লাহে লাহে ই গৈ কাজিয়াৰ ৰূপ ধৰে, এচামে জুম বান্ধি চাই থাকে, এচামে মোবাইলত ভিডিও কৰে, আনকি আন এচামে বিভিন্নি মন্তব্যৰে প্ৰৰোচিতও কৰে। তদুপৰি এটাসময়ত সেই লৈ হত্যাৰ পৰিকল্পনা কৰি দুই-চাৰি মানুহ গোটাই উত্তেজিত পৰিৱেশ ৰচি পৰিস্থিতি বাহিৰলৈ লৈ যায়। কোনেও বাধা দিবলৈ আগবাঢ়ি যাবলৈ সাহস নকৰে। আধুনিক বস্তুবাদী সময়ত গণপ্ৰহাৰ বা মব লাইঞ্চিং ভয়াবহভাৱে বাঢ়িছে। জনসাধাৰণৰ মাজত ভুৱা বাতৰিৰ প্ৰচাৰ আঁতৰাব পাৰিলে গণপ্ৰহাৰ ভালেখিনি ৰোধ কৰিব পাৰি। লগতে সময়ে সময়ে জনসাধাৰণক 'মটিভেছনেল কেম্প' পতিষ্ঠাৰে স্বভাৱ চৰিত্ৰ সলনি কৰাৰ লগতে উপযুক্ত নিয়োজনৰ ব্যৱস্থা কৰিও গণৰোষ কিছু আঁতৰাব পাৰি। মানুহক যদি এনে গৰ্হিত নিন্দনীয় কৰ্ম নকৰিবলৈ সময়ে সময়ে বাটৰ নাট, সজাগতা সভা আদি পাতি সচেতন কৰা হয় তেতিয়াও এনে ঘটনা সম্পূৰ্ণ নিমূল নহ'লেও বহুখিনি হ্ৰাস হ'ব বুলি ভাবিব পাৰি। সমাজত চলা কুসংস্কাৰ ডাইনী হত্যা আদি দূৰ কৰাৰ বিপৰীতে মূল্যবোধৰ অৱক্ষয় ৰোধৰ কথা চিন্তা কৰিও এনে গণপ্ৰহাৰ ৰুধিব পৰা যায়। তদুপৰি গণপ্ৰহাৰৰ বিচাৰ পক্ৰিয়া ক্ষিপ্ৰ কৰিবৰ বাবে ফাষ্ট ট্ৰেক আদালতৰ আশ্ৰয় ল'লে ঘটনাবোৰত সোনকালে ন্যায় পায় আৰু সমাজলৈও তেনে বিচাৰৰ এটা ইতিবাচক মেছেজ যায়।

আনহাতে ২০১৫ বৰ্ষৰ ডাড্ৰীৰ গণপ্ৰহাৰৰ ঘটনাটোৰ পৰা পালঘৰৰ সাধু হত্যালৈ আছে বহু গণপ্ৰহাৰৰ ঘটনা। আমাৰ দেশত ২০১৫ চনৰ ২৮ ছেপ্তেম্বৰৰ দিনা নিশা দহ বজাত উত্তৰ প্ৰদেশৰ ডাড্ৰীৰ বিচৰা গাঁৱত ৫২ বছৰীয়া মহম্মদ আখলাকক এচাম স্থানীয় উন্মত্ত লোকে বিভিন্ন অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ গৈ ঘৰতে উৎপীড়ন কৰে। এই ঘটনাত ডেনিছ আখলাক আঘাতপ্ৰাপ্ত হয় আৰু মহম্মদ আখলাকৰ মৃত্যু ঘটে। একেদৰে ক'ৰোণা সংক্ৰমণৰ বাবে ঘোষিত লকডাউনৰ আগে আগে যোল্ল এপ্ৰিলৰ নিশা মহাৰাষ্ট্ৰৰ পালঘৰত দুগৰাকী সাধু আৰু তেঁওলোকৰ গাড়ীচালকজনক এচাম উত্তেজিত জনতাই সোপাধৰা আৰু মানৰ অংগ সৰবৰাহকাৰী বুলি ভুৱা প্ৰচাৰ কৰি হত্যা কৰে। এই ঘটনাটোও এটা ৰাষ্ট্ৰীয় পটভূমিত গুৰুত্বপূৰ্ণ গণপ্ৰহাৰৰে ঘটনা। এনে বহু ঘটনাৰ উদাহৰণ দিব পাৰি যদিও আজিও গণপ্ৰহাৰ ৰোধৰ বাবে ক'তো একো চৰকাৰী প্ৰচেষ্টা হাতত লোৱা নেদেখিলো।



## ধাৰাবাহিক উপন্যাস

# এজন সিদ্ধ পুৰুষৰ আগমনত

অলকানন্দা দত্ত



ফেন্সি বজাৰ আৰু উলুবাৰীত তেওঁ পৰোক্ষভাৱে যিবিলাক ব্যৱসায় অন্যৰ নামত চলাইছিল, সেইবোৰ তেওঁৰ নিজস্ব মনপলী কাৰবাৰ দৰে আছিল। তেওঁৰ প্ৰভূত্ব চলিছিল অবিৰাম ভাবে, যিবিলাক ঘৰখনৰ মানুহে ভালদৰে জনাই নাছিল। তেওঁ কিছুমান কথা পুতেকহঁতকো কোৱাৰ কথা ভবাই নাইছিল। কাৰণ সেইবিলাক দুই নম্বৰী কাৰবাৰ আছিল। মন্ত্ৰী, আমোলা সকলকো তেওঁ নিজৰ পকেটত বুদ্ধিৰে ভৰাই খোৱাৰ ক্ষমতা আহৰণ কৰি ল'ব পাৰিছিল। সেয়েহে ব্যৱসায়ৰ বাদে আন কোনো কথা তেওঁৰ মগজুত সোমোৱা নাছিল। তেওঁৰ টকাৰ জোৰত ইমানেই অখণ্ড প্ৰতাপ আছিল যে আওপকীয়াকৈ তেওঁ হেনো চৰকাৰ ভঙা পতাও কৰিব পাৰিছিল। তেওঁ ভাগ্যৰ জোৰতেই হওক বা নিজৰ কৰ্মৰ দক্ষতাতেই হওক নিজৰ ব্যৱসায়ৰ সাম্ৰাজ্যখনত তেওঁ ৰজাৰ দৰে আছিল। তেওঁ বহুত ওপৰলৈ নিৰ্বিঘ্নে নিৰাপদে উঠি গৈ যি ঠাইত থিতাপি লৈছিল, তাৰ পৰা তলৰ মানুহ বিলাকক চাবলৈ তেওঁৰ আহৰিও নাছিল বা অৱকাশো উলিয়াই লোৱা নাছিল। তেওঁ ভাবি আছিল এনেকৈয়ে যেন তেওঁ আৰু বহুত দিন ব্যৱসায়ৰ সাম্ৰাজ্যত সোঁৰে বাঁৰে টকা ঘটিব আৰু বহু কাল ৰাজপাট চলাই যাব পাৰিব। কিন্তু জীৱনৰ বহু কথা জনভিজ্ঞতাৰ কাৰণে তেওঁ ভাবিব নাজানিছিল। ভুল ভাবিছিল তেওঁ সেই ভুল ভাঙি দিলে পত্নীৰ মৃত্যুৱে। মৃত্যু কি তেওঁ চকুৰ আগতে দেখা পালে। আগদিনালৈকে হাঁহি মাতি থকা মানুহগৰাকী সাধাৰণ অসুখতে কাকো একো নজনোৱাকৈয়ে শ্মশানৰ লেলিহান জুইৰ মাজত তেওঁক আকোঁৱালি ললে, পৰি ৰ'ল মাথো ছাইখিনি, এক হৃদয় বিদাৰক ঘটনা আচম্বিতে ঘটি গ'ল, যি কথা তেওঁ কল্পনাই কৰিব পৰা নাছিল। মৃত্যু সম্বন্ধে তেওঁ কেতিয়াও কোনো কথা দকৈ ভাবি চোৱা নাছিল। আৰু কিছু দিনৰ পাছত চাগৈ এনে এটা দিন তেওঁৰো আহিব, ভূতনাথৰ শ্মশনত তেৰোঁ পত্নীৰ দৰে পৰি ৰ'ব লাগিব ছাই হয়। তেও ভাল ধৰণে বুজি পাইছে এনে এটা দিন যে সোনকালেই আহিব সি আৱশ্যম্ভাৱী। ঐশ্বৰিক জ্ঞান সম্পন্ন সন্ন্যাসী মানুহ জনৰ কথা যে পত্নীৰ এনেকৈ ফলিয়াই যাব সেইকথা তেওঁৰ কল্পনাৰো অতীত আছিল। সন্ন্যাসী জনে তেওঁৰ কথাও কৈছিল এনেদৰে, তোৰো এই সংসাৰত আৰু বেছিদিন নাই, কিন্তু তাৰো আগতে তই আৰু বহুত ভাল কৰ্ম কৰিব লাগিব, সেই দিনটোত আহি আছে। তেওঁৰ মনৰ মাজলৈ এক অহেতুক ভয়ে আহি খিতাপি ল'বলৈ ধৰিলে বৰ সংগোপনে, যিকথা তেওঁ কাকো ক'ব নোৱাৰে। তাৰমানে এই পৃথিৱীত আৰু বেছি দিন তেওঁ থাকিবলৈ নাপায়। ভাল কৰ্মনো কি তেওঁ ভালকৈ বুজিব পৰা নাছিল। অতদিনে ইমান বিলাক কৰ্ম কৰিছিল সেইবিলাক কি কোনোটোৱেই ভাল কৰ্মৰ ভিতৰত নপৰিবই নেকি? প্ৰতি বছৰতে অসমৰ দুৰ্যোগৰ সময়ত তেওঁ যে লাখ লাখ টকা দান হিচাপে দি আহিছিল সেই কথাও অন্তৰ্যামী সন্ন্যাসীজনে বুজি পাব লাগিছিল, কিন্তু তেওঁ ইমান জোৰ দি তেওঁক ভাল কৰ্ম কৰাৰ কথা কিয় বাৰে বাৰে কৈছিল, তেতিয়া পত্নীয়ে ও খুব সন্তোষ্টি পোৱাৰ দৰে লাগিছিল, পিছত ঘৰলৈ আহি সেইবিলাক কথা পত্নীয়ে উলিয়াবলৈ কিবা প্ৰকাৰে চেষ্টা কৰিলেও তেওঁ একেবাৰে প্ৰশ্ৰয় দিয়া নাছিল। এতিয়াহে ভাবিছে পত্নীক বহু প্ৰশ্ন সুধিবলৈ তেওঁৰ বাকী ৰৈ গ'ল, সেইবোৰ কথাই বুকুৰ মাজত সোমাই থাকি তেওঁক খোচা বিন্ধা কৰি থাকিবলৈ ধৰিলে। ইণ্ঢ''ভাটি মানুহজনে কাকো মনৰ কথা খুলি ক'ব নোৱাৰিছিল। পত্নীৰ বিচ্ছেদৰ কথা তেওঁ পল পলকৈ এতিয়া অনুভৱ কৰিব পাৰিছে। কিয় বাৰু তেওঁ পত্নীক জীৱন কালত সহধৰ্মিনী হিচাপে প্ৰশ্ৰয় দিবলৈ কুণ্ঠাবোধ কৰিছিল। তেওঁ ধৰি লৈছিল পত্নী নিতান্তই একেবাৰে সাধাৰণ শ্ৰেণীৰ মহিলা, যি গৰাকী কোনোপধ্যেই তেওঁৰ জোৰৰ নহয়। তেওঁ নিজকে যেতিয়া ৰজাৰ দৰে অনুভৱ কৰি নিজৰ অভিজাত্যৰ মাজৰে গাম্ভীৰ্যতা বজাই ৰাখিছিল, তেতিয়া কিন্তু কোনো দিন পত্নীক ৰাণীৰ আসনত বহুৱাই চোৱা নাছিল। ধৰি লৈছিল বিশেষত্ব নথকা এজনী একেবাৰে সাধাৰণ মানুহ, কেতিয়াবা বাহিৰত ফুৰাবালৈ যাওতে মানুহৰ লগত চিনাকি কৰি দিবলৈ সংকোচবোধ কৰিছিল। কিন্তু তেওঁৰ পত্নীৰ মৃত্যুৰ পাছত সকামলৈকে যিমান বিলাক মানহ খৰৰ কৰিবলৈ আহিছিল, সকলোৰে চকুত তেওঁ দেৱী সদৃশ সৰ্বগুণসম্পনা প্ৰতিভাময়ী এক অসাধাৰণ নাৰী আছিল। তেওঁ মহানগৰীৰ কেইবাটাও নামঘৰলৈ গৈছিল, য'ত তেওঁ গীতা আৰু ভাগৱতৰ ব্যাখ্যা সলসলীয়াকৈ দিব পাৰিছিল। বহু উচ্চ শিক্ষিত গুণি জ্ঞানী ব্যক্তিয়ে তেওঁৰ ব্যাখ্যা শুনিবলৈ আহি ভূয়সী প্ৰশংসা কৰিছিল। সাহিত্য জগতৰ মেল মিটিঙলৈও তেওঁক বিশিষ্ট অতিথি কৰিও হেনো মাতিছিল, পত্নীয়ে কবিতা লিখিছিল সেই কথাও মৃত্যুৰ পাছত আন মানুহৰ মুখেৰেহে তেওঁ প্ৰথমবাৰলৈ শুনিবলৈ পাইছিল। তেওঁ আটাইতকৈ আচৰিত হৈছিল যেতিয়া তেওঁৰ মোমায়েকৰ পুতেকৰ ল'ৰা ছোৱালী বিলাকেই খবৰ কৰিবলৈ আহি খুব দুখ প্ৰকাশ কৰিছিল। তেওঁ ভাবিব পৰা নাছিল সেই দুখীয়া মানুহবিলাকৰ লগত পত্নীয়ে সম্বন্ধবোৰ কেনেকৈ ধৰি ৰাখিছিল। পাছত ডাঙৰ পুতেকৰ পৰাহে জানিব পাৰিছিল, দেউতাক ৰাতিপুৱাৰ পৰা ৰাতিলৈকে ব্যৱসায়াৰ কামত বাহিৰতে থাকে, মাকে কিবা কথা কেতিয়াবা ক'ব খুজিলে ও তেওঁ শুনিব নিবিচাৰিছিল, সেয়েহে পুতেক কেইটাক ছাহাৰা লৈ তেওঁ মনৰ হেপাহেৰে সামাজিক কামবোৰ কৰি গৈছিল।

বাণীকান্ত হাজৰিকাই পত্নী বিয়োগৰ পাছত নতুনকৈ কিছুমান কথা উৎঘাতন কৰিবলৈ পাই বিস্ময়ত হতবাক হৈ লাহে লাহে তেওঁৰ মুখৰ মাত বন্ধ হৈ যোৱাৰ উপক্ৰম হ'বলৈ ধৰিলে। ব্যৱসায়ত মগজু ঘটাই ঘটাই ইমানেই দম্ভত আত্মহাৰা হৈ আছিল যে কেতিয়ানো তেওঁৰ সুষ্ম অনুভূতিবোৰ নাইকীয়া হৈ গৈছিল ধৰিবই পৰা নাছিল। তেওঁ ধৰি লৈছিল পত্নী তেওঁৰ এগৰাকী বিশ্বস্ত টকাৰ ৰখীয়া বুলিহে গণ্য কৰিছিল। অৱশ্যে এটা ভাব তেওঁৰ সদায়েই আছিল, পত্নীগৰাকী লক্ষ্মী স্বৰূপ হোৱাৰ বাবেই লক্ষ্মীয়ে আহি নিগাজিকৈ বাস কৰিবলৈ লৈছিল। তেওঁৰ ইমানেই টকা আছিল যে পত্নীয়ে তাক কেনেদৰে খৰচ কৰিছিল সেই হিচাপ কোনো দিন লোৱা নাছিল বাবেই ধৰি লৈছিল সেইখিনি পায়েই তেওঁ মহা সুখত কাল কটাইছিল। তেওঁৰ মনৰ খবৰৰ কেতিয়াও বুজ লোৱা নাছিল বা জানিবলৈ চেষ্টাও কৰা নাছিল। ইমানদিনে পত্নীক তেওঁ নিতান্তই এজনী সাধাৰণ নাৰী বুলিয়েই গণ্য কৰি আহিছিল, তেওঁৰ যে ইমান বিলাক প্ৰতিভা থাকিব পাৰে তেওঁ কল্পনাৰো আগোচৰ আছিল। তেওঁ মৌনপৰত থাকোতে এতিয়া নিজকে নিজে প্ৰশ্ন কৰে, যোৱা চল্লিশ বছৰ কাল পত্নীৰ লগত একেলগে থাকিও তেওঁ একো ভূকেই পোৱা নাছিল, তেওঁ বাৰু কি ধৰণৰ স্বামী আছিল? বাহিৰৰ গোটেই সমাজখনে তেওঁৰ প্ৰতিভা আৰু গুণৰাশিৰ কাৰণে সন্মান দিব পাৰিছিল, মানুহৰ দুখ সুখত কান্দিব পাৰ এগৰাকী মাতৃতুল্য মৰমীয়াল মানুহ বুলি গণ্য কৰিছিল তেওঁ সকলোকে সমান দেখিছিল, সেই গৰাকী নাৰীক তেওঁ বাৰু কেনেকৈ ধৰি লৈছিল, স্বামীৰ ভৰিৰ তলত পৰি থতা নিতান্তই এগৰাকী সাধাৰণ নাৰী, যি গৰাকীয়ে স্বামীক মূৰ তুলি কথা ক'ব নোৱাৰে, কোনো কথাতে প্ৰতিবাদ কৰিব নোৱাৰে, কাৰণ সেইখিনি স্বাধীনতা মানুহজনীক দিয়াই নাছিল। কিন্তু সেইজনী মানুহেই নীৰৱে সকলো সহ্য কৰিও, নিজৰ কৰ্মপদ্ধতিৰ দ্বাৰা নিজৰ জ্ঞানবিশ্বাসেৰে এগৰাকী অতুলনীয় নাৰীৰ হিচাপে পৰিচয় দি গ'ল খুব সন্তপৰ্ণবাৱে নিজৰ বিশ্বাসে ৰে। অথচ, বাণীকান্ত হাজৰিকাই ইমানদিনে নিজকে নিজে ভাবি আহিছিল তেওঁ এজন উচ্চ পৰ্যায়ৰ গুণসম্পন্ন ব্যক্তি, যাৰ স্থান বহুত ওপৰত, য'ৰ পৰা তললৈ চালে সাধাৰণ মানুহবিলাকক দুখীয়া বুলি তেওঁ ঘৃণাৰ চকুৰে চাই আআহিছিল। কাৰণ এটা সময়ত তেওঁ ইমানদুখীয়া আছিল যে তেতিয়াৰ পৰা ধনী হোৱাৰ প্ৰতিজ্ঞা কৰিছিল। তিনি বছৰ বয়সতে তেওঁ ঘাত মাউৰা হৈ কিদৰে মোমায়েকৰ ঘৰত মামীয়েকৰ ঘৃণা আৰু অত্যাচাৰ তেওঁ পহিলা কেনেকৈ জীৱন দুৰ্বিহ হৈ উঠিছিল যদিও নিজৰ অদমনীয় প্ৰচেষ্টাৰ কাৰণে তেওঁ এজন ইঞ্জিনিয়াৰ হ'ব পাৰিছিল। তাৰো এক কাহিনী আছিল, সেইবোৰ নতুনকৈ খুচি চাব তেওঁ খোজা নাই এতিয়া। মাথো একেবাৰে সুৰকালৰ পৰা তেওঁ তৰপে তৰপে বহুবোৰ ক্ষোভ জমা হৈ আছিল। সেয়েহে তেওঁৰ মনৰ ভিতৰখনৰ কথা বুজি ল'বলৈ কাকো প্ৰশ্ৰয় দিয়া নাছিল। তেওঁৰ মাথো এটাই ইচ্ছা আছিল তেওঁ অসমৰ ভিতৰতে কেনেকৈ এজন উল্লেখযোগ্য ব্যৱসায়ী বুলি নিজকে পৰিচয় দিব পাৰে? সেই আশা তেওঁৰ ফলৱৰ্তী হৈছিল, যাৰ কাৰণে তেওঁৰ মনত অহং ভাৱে ঠাই লৈছিল। জীৱনত যে তেওঁ কিবা ভুল কৰিছিল এই ভাব তেওঁৰ মনলৈ কোনো দিন অহাই নাছিল, তাৰ সুৰুঙা অৱশ্যে তেওঁ দিয়াই নাছিল। তেওঁ ভাবি অতিকে আনন্দত বিভোৰ হৈ আছিল যে তেওঁৰ ব্যৱসায়ৰ সম্ৰাজ্যখনত তেওঁ একছত্ৰী ৰজা। কিন্তু পত্নীৰ মৃত্যুৰ পাছৰ পৰা তেওঁ যেন ক্ষন্তেকতে অহংকাৰ ধূলিৰ লগত মিহলি হৈ যাবলৈ ধৰিছে। তেওঁ এইকেইদিনতে বুজি পাই উঠিছে সঁচা অৰ্থত তেওঁ যেন কোনেও সন্মানৰ চকুৰে নাচায়, পুতেকহঁতেও তেওঁক যেন প্ৰশ্নবোধক চাৱনিৰেহে চায়, আনকি ঘৰৰ কাম কৰা অতবোৰ মানুহেও যেন তেওঁ যে ঘৰখনৰ মালিক সেই কথা গ্ৰাজ্য কৰিব নিবিচাৰে, সিহঁতৰ মানত ঘৰখনৰ আচল মালি নোহোৱা হৈ যোৱাৰ বাবে সিহতবোৰ একেবাৰে নিঠৰুৱা হৈ গ'ল বুলি ভাবি যেন ধৰণে কন্দাকটা কৰিবলৈ ধৰিছিল, তত মুহূৰ্ততৰ পৰা তেওঁৰ এইখন ঘৰৰ মালি হিচাপে আৰু স্থান একেবাৰে নগন্য দৰে লাগিছিল। তেওঁ এইকেইদিন ভাবি ভাবি তত পোৱা নাই যে তেওঁৰ পত্নীয়ে এনে কি শক্তি আহৰণ কৰিছিল যে অকল ঘৰখনতেই নহয় বাহিৰৰ মানুহখিনিয়েও এক অসাধাৰণ গুণসম্পন্না নাৰী হিচাপে গণ্য কৰিছিল। এইবিলাকটো সাধাৰণ মানুহ নাছিল। বিশাল মহানগৰীখনৰ অজস্ৰ গুণিজ্ঞানী আৰু শিক্ষিত মানুহেই আহি একেমুখে স্বীকাৰ কৰি গৈছিল পত্নীৰ প্ৰতিভাৰ কথা, তেওঁ আৰু এটা কথাত আচৰিত হৈছিল পত্নীয়েনো কেতিয়া গীতা ভাগৱত পুৰাণ পঢ়ি তাৰ ব্যাখ্যাও দিব পাৰিছিল, বিদ্যুত সমাজত। তেওঁ জনাত সেইবোৰ বহুত গুঢ়াৰ্থৰে ভৰা কিতাপ, প্ৰচুৰ অধ্যয়নৰ আৱশ্যক, পত্নীয়েনো কেতিয়াৰ পৰা সেইবিলাক অধ্যয়ন কৰিবলৈ শিকিলে? এদিন মনৰ খুদুৱনি দমাব নোৱাৰি ডাঙৰ পুতেকক বৰ আন্তৰিকতাৰে সুধিলে। তেতিয়া হে জানিব পাৰিলে যোৱা পোন্ধৰ বিশ বছৰৰ মানৰ পৰা মাকে গীতা ভাগৱত পঢ়ি তাৰ চৰ্চা কৰি আছিল। প্ৰথমতে ওচৰৰ নামঘৰৰ বিলাকত তেওঁ ব্যাখ্য দিছিল, পিছলৈ তেওঁৰ বিধ্বস্ত সমাজত জাদনিবলৈ পাই গীতাৰ আলোচনা চক্ৰ বিলাক লৈ নিমন্ত্ৰণ কৰা হৈছিল। তেতিয়াহে হাজৰিকাৰ মনত পৰিছিল এবাৰ তেওঁকো পত্নীয়ে কৈছিল হেৰি গুৱাহাটী লৈ এলাহাবাদৰ পৰা দুজন গীতাৰ আচাৰ্য আহিব, গুৱাহাটীৰো বহুতো পণ্ডিত সমাগম হ'ব, আপুনিও মোৰ লগত যাবনে? এনে সন্তৰ প্ৰবচন শুনিবলৈ পোৱাটো বহুত ভাগ্যৰ কথা। কথা শুনি হাজৰিকাই হো হোৱা কৈ হাঁহিবলৈ লাগি গৈছিল আৰু বিদ্ৰোপ কৰাদি কৰি কৈছিল, তুমি যে মোক তেনে অনুষ্ঠানলৈ যোৱাৰ কথা সুধিবলৈ আৰু সাহস কৰিছা নাজানা নেকি সেইবোৰ কথা একেবাৰে ভাল নাপাওঁ। তেতিয়া পত্নীয়ে নম্ৰ ভাবেৰে উলোটাই কৈছিল আপুনি সদায় ব্যৱসায়ৰ কামতে নিজকে ইমান কৈ ব্যস্ত কৰি ৰাখে, জীৱন যাপনৰ ক্ষেত্ৰত আধ্যাত্মিক জ্ঞানোৰে বহু প্ৰয়োজন আছে সেইবোৰ কথা আপুনি গলেহে বুজি পাব, কিয় মানৱৰ কল্যাণৰ হেতু এই আচাৰ্য সকলে আহি আধ্যাত্মিক শিক্ষা কিদৰে বিলাইছে, তেওঁলোকে মাত্ৰ আনৰ কাৰণে চিন্তা কৰিয়ে তেওঁ লোকৰ উপাৰ্জিত জ্ঞান বিলাবলৈ আহিছে। পৃথিৱীলৈ আহি খাই বৈ থাকি অলস ভাবে জীয়াই থকাটোৱেই জীৱন হয়, মানৱৰ জীৱলনৰ সাৰ্থক কৰিবলৈ আৰু বহুত কৰ্ম কৰিব লগা থাকে। হাজৰিকাৰ শুনি থাকিবলৈ ধহ্য নাছিল। তেওঁ ঠাট্টা মাৰি কবলৈ ধৰিলে, মোক এই কেলেহুৰা বিলাকৰ কথা আৰু কেতিয়াও নকবা। তেওঁলোকে জীৱন সম্পৰ্কে কি জানে, মই কেনেকৈ কি কৰি আহি আজি এই অৱস্থা পাইছোহি পত্নী হিচাপে তুমি জানো নাজানে, তাতে তুমি সন্তোষ্ট থাকিলেই মই ভাল পাম। হাজৰিকাৰ কথাবোৰ মনত পৰি এটা দীঘলীকৈ হুমুনিয়াহ ওলাই আহিল। তেওঁ পত্নীক জীৱন কালত একেবাৰেই বুজি নাপালে। নিজৰ স্বামীক ভাল পোৱাৰ কাৰণেই পৰমাৰ্থ জ্ঞান দিবলৈয়ো কিমান বাৰ যে চেষ্টা কৰিছিল, তেওঁ মাথো অহংকাৰত মত্ব হৈ বৈয়য়িক জ্ঞানতেই সীমাবদ্ধ ৰাখিলে নিজৰ মন, যি কাৰণে এতিয়া তেওঁৰ নিজকে এজন অজ্ঞানী মানুহৰ দৰে লাগিবলৈ ধৰিলে। পত্নী লৈ তেওঁৰ বৰকৈ মনত পাৰিবলৈ ধৰিলে, বেছেৰীয়া গোটেই জীৱন স্বামীৰ পৰা একো পট্টা নাপায় দুখ কৰি বহি নাথাকি নিজৰ অসাধাৰণ বুদ্ধিমত্তাৰে নিজকে নিজে গঢ় দি একক প্ৰচেষ্টাৰে সৎকৰ্ম কৰি গল খুব নীৰৱে।

*ক্ৰমশ....*

সপ্তম পৃষ্ঠাৰ পৰা

# অসম বুৰঞ্জীৰ এগৰাকী মহীয়সী নাৰী ঃ সতী জয়মতী

লালুকৰ হাতত জয়মতীৰ লাঞ্ছনাৰ বাতৰি পাই গদাপাণি নগা পৰ্বতৰ পৰা নামি আহি জেৰেঙা পথাৰত জয়মতীক দেখা কৰিছিল, কিন্তু জয়মতীৰ কাতৰ চাৱনিত তেওঁ আত্মপ্ৰকাশ নকৰি গুচি গ'ল। এই দৰে সাতদিন সাত ৰাতি শাস্তি দিয়াৰ পাছত চাওদাঙৰ হাতত জয়মতীৰ মৃত্যু হ'ল। দেশৰ বাবে দহৰ বাবে জয়মতীয়ে ককাৰ এনে ত্যাগৰ নিদৰ্শন অতিকে বিৰল। যিমানতে লালুকৰ অত্যাচাৰ শেষ নহ'ল।


গদাপানিয়ে সকলো কথা গভীৰভাৱে চিন্তা কৰি নগা পৰ্বতৰ পৰা নামনি অসমৰ গুৱাহাটীৰ ওচৰৰ ৰাণী নামৰ ঠাইত এজনী মৰমিয়াল গাৰো তিৰোতাৰ আশ্ৰয়ত কিছুদিন লুকাই থাকে। (উৎস- সোণৰ অসম (বুৰঞ্জী পুথি) ড০ লীলা দেৱী, ১৯৫৭ চন)

গদাপাণিৰ প্ৰতি বিশেষ শ্ৰদ্ধা থকা নগএঙা শইকীয়া ভোটাই ডেকা নামৰ এজন বাহুবলী মানুহ উজনিত আছিল। লালুকৰ কাম-কাজত অতিষ্ঠ হৈ তেওঁ উচচপিচাই আছিল। তেওঁ এবাৰ এটা প্ৰকাণ্ড ভালুক অকলে মাৰে। সেই কাৰ্য দেখি আৰু শুনি লালুকৰ ভয় লাগিছিল। ভোটাই ডেকাক মনে মনে শদিয়াৰ কেঁচাইখাতী গোসানীৰ আগত বলি দিবলৈ তেওঁ গোপনে ৰজাৰ লগত আলচ কৰিছিল। এই গোপন খবৰ পাই ভোটাই ডেকাই এদিন ৰাতি মাধৱ তামূলী আৰু আঘোনা কছাৰী নামৰ দুজন সাহিয়াল মানুহ লগত লৈ বুঢ়া ফুকনৰ ঘৰ সোমাই লালুকক কাটি মাৰিলে, লগতে তেওঁৰ পুতেক আৰু অইন অইন কিছুমানকো কাটিলে। এই ঘটনাৰ পাছত ভোটাইৰ প্ৰতিপত্তি বাঢ়িল। ল'ৰা ৰজাই তেওঁক মতাই নিয়ালে। ৰজাই ওচৰলৈ গৈয়েই ভোটায়ে ৰজাক সেৱা জনালে। ল'ৰা ৰজাই তেওঁক কলিয়াবৰলৈ পঠালে। কিন্তু ব্ৰহ্মপুত্ৰৰে ভটীয়াই যাওঁতে পিকচাই বৰফুকনৰ নাতিয়েক ডেকা ফুকনে তেওঁক বন্দী কৰিলে আৰু পাছত হত্যাও কৰিলে। ল'ৰা ৰজাৰ এনে অত্যাচাৰ আৰু অক্ষমতাত ৰাজ্যৰ ডা-ডাঙৰীয়াসকলৰ গাত চেতনা জাগিল। সেই সময়ত বন্দৰ নামৰ বৰফুকন এজন গুৱাহাটীত বৰফুকন হৈ আছিল। এওঁ গদাপাণিৰ আত্মীয় লোক আছিল। বন্দৰ বৰফুকন আৰু সেনাপতিসকলে গদাপাণিৰ পৰাক্ৰমৰ কথা ভালকৈ জানিছিল। সকলোৱে কলিয়াবৰলৈ গৈ আলোচনা কৰি গদাপাণিকেই ৰজা পতাৰ সিদ্ধান্ত ল'লে। ১৬৮১ চনত ল'ৰা ৰজাক আঁতৰাই গদাপাণিক আহোম ৰাজ্যৰ সিংহাসনত বহুওৱা হ'ল।



গদাপাণি ৰজা হোৱাৰ পাছত আহোম ৰাজ্য পুনৰ ঠন ধৰি উঠিল। তেওঁৰ মৃত্যুৰ পাছতেই ১৬৯৬ চনত ৰুদ্ৰসিংহ আহোম ৰাজ্যৰ প্ৰজা বৎসল ৰজা হৈ উঠে। ৰুদ্ৰসিংহ ৰজা হোৱাৰ পাছত তেওঁৰ মাতৃ জয়মতীৰ স্মৃতি যুগমীয়া কৰিবৰ বাবে জেৰেঙা পথাৰত জয়সাগৰ পুখুৰী খন্দায়। শিৱসাগৰৰ ৰংপুৰত ৰাজ কাৰেং সজায়, ৰংঘৰ সজায়। তেওঁৰ ৰাজ কাৰ্যক ইতিহাসবিদসকলে সেই বাবে তেওঁক 'অসমৰ চাহজাহান' নাম দিছিল।

সতী জয়মতীৰ ১৬৮০ চনৰ ২৭ মাৰ্চ ১৬০১ শকৰ ১৩ চ'তৰ দিনা দেহাৱসান ঘটিছিল। প্ৰতি বছৰে ২৭ মাৰ্চ তাৰিখটোক জয়মতী দিৱস হিচাপে পালন কৰি অহা হৈছে। দুয়োটা তাৰিখ অসমীয়া ইংৰাজী প্ৰায়েই নিমিলে। এই বছৰ ১৩ চ'তৰ দিনটো ২৮ মাৰ্চত পৰিছে। কিন্তু সৰ্বসন্মতিক্ৰমে ২৭ মাৰ্চ তাৰিখটোকে সতী জয়মতী দিৱস পালন কৰা হয়। সতী জয়মতীয়ে নিজৰ দেশৰ বাবে প্ৰাণ ত্যাগ কৰাৰ কাহিনী অসম আৰু অসমীয়াৰ বাবে চিৰদিন জিলিকি থাকিব। জয়মতীৰ দেহাৱসান টা ৩৪২ বছৰ হ'ল। সৌ সিদিনা ১৯০৯ চনত (১১৩ বছৰ পূৰ্বে) ডেনমাৰ্কৰ কোপেন হেগেনত আন্তৰ্জাতিক সমাজতান্ত্ৰিক নাৰী সন্মিলনত (নাৰীৰ সমাজতান্ত্ৰিক দিশ যুগমীয়া কৰি ৰাখিবৰ বাবে) ৮ মাৰ্চৰ দিনটো আন্তৰ্জাতিক নাৰী দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা আমি দেখি আহিছো। ১৯১০ চনৰ পৰা নাৰীৰ সম অধিকাৰৰ প্ৰতি সজাগতা সৃষ্টিৰ অৰ্থে সমগ্ৰ বিশ্বতে নাৰী দিৱস পালন কৰি অহাও দেখা গৈছে। এয়া নিতান্তই এটা আদৰ্শনীয় দিশ। সতী জয়মতীৰ মৃত্যুৰ দিন ২৭ মাৰ্চ তাৰিখটোত অসমৰ নাৰী সমাজেও জয়মতীৰ দেশপ্ৰেম, জাতিপ্ৰেমৰ নিদৰ্শনক সুঁৱৰি ইতিবাচক দিশৰ কথাৰে সজাগতা আনিব পাৰে। অৱশ্যে আজিৰ আধুনিক নাৰীয়ে সতী জয়মতীৰ স্মৃতি সোঁৱৰণ কৰি দিৱস পালনতে আবদ্ধ থাকিলে নহ'ব। সতী জয়মতীৰ চিন্তা, কৰ্ম আৰু আদৰ্শৰ প্ৰতি আত্মবলেৰে সাহসী হৈ দূৰদৰ্শী আৰু দায়িত্বশীল হ'বলৈ চেষ্টা কৰাহে ভাল হ'ব বুলি আমি ভাবো। প্ৰতিজন অসমীয়াৰ বাবে জয়মতী এগৰাকী চিৰনমস্য আদৰ্শ নাৰী হোৱা উচিত। জয়মতীয়ে দেখুওৱা আদৰ্শ অসমীয়া জাতিৰ বাবে গৌৰৱ। স্বামী গদাপাণিয়ে দুৰ্নীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰি দেশৰ সন্মান পুনৰুদ্ধাৰ কৰি অনা কাৰ্য সৰ্বদিশতে আদৰণীয়। পুত্ৰ ৰুদ্ৰসিংহই সমগ্ৰ দেশকে শিল্প-নৈপুণ্যৰ বৈভৱৰে উজলাই তোলা কৰ্ম মাতৃ জয়মতীৰ ঐতিহ্য আৰু নিদৰ্শনৰ কথাকে সোৱৰায়। নেপোলিয়নে কোৱা সেই কথাষাৰ 'মোক এগৰাকী ভাল মাতৃ দিয়া মই তোমালোকক এটা ভাল জাতি দিম'। জয়মতীৰ দৰে আদৰ্শ মহীয়সী অসমীয়া জাতিৰ বাবে সদায় স্মৰণীয় হৈ থাকিব।



# লালবাহাদুৰ শাস্ত্ৰী



**ৰঞ্জিত তালুকদাৰ**

যুক্ত প্ৰদেশ অন্তৰ্গত মোগলচৰাই এটি ভাৰত বিখ্যাত ৰেলৱে জংচন। মোগলচৰাইৰ ওচৰৰে অতি সাধাৰণ গাঁও এখনৰ নিচলা পৰিয়াল এটাত ১৯০৪ চনৰ ২ অক্টোবৰ তাৰিখে লালবাহাদুৰৰ জন্ম হয়। তেওঁৰ পিতাক সাৰদা প্ৰসাদ প্ৰাইমাৰী স্কুলৰ শিক্ষক আছিল। তেওঁ শিক্ষকতা কৰি যিখিনি ধন আৰ্জিছিল সেই ধনখিনিৰে পৰিয়ালক কোনোমতে পোহপাল দিছিল।

সাৰদা প্ৰসাদ আছিল উদাৰ প্ৰকৃতিৰ লোক। ঈশ্বৰৰ প্ৰতি তেওঁৰ একান্ত বিশ্বাস আছিল। সেইবাবে হতাশ নহৈ দুখৰ মাজেদি সংসাৰখন চলাই আছিল।

লালবাহাদুৰ জন্ম ডেৰ বছৰ পাছত পিতাকৰ মৃত্যু হয়। মাক ৰামদুলাৰী তেতিয়া তিনিটা সন্তাৰ মাতৃ।

তাৰ পাছত আৰম্ভ হয় লালবাহাদুৰৰ স্কুলীয়া জীৱন। তেওঁৰ মহাক ৰঘুনাথ প্ৰসাদে বাৰাণসীৰ হৰিচন্দ্ৰ বিদ্যাপীঠত লালবাহাদুৰক ভৰ্তি কৰাই দিয়ে। হৰিচন্দ্ৰ বিদ্যাপীঠ সেই সময়ৰ বাৰাণসীৰ এখন নাম কৰা হাইস্কুল আছিল। শিক্ষকসকল বিভিন্ন বিষয়ত অভিজ্ঞ আৰু কৰ্তব্যপৰায়ণ আছিল।

স্কুলত লালবাহাদুৰ মজলীয়া তৰপৰ ছাত্ৰ আছিল। যদিও তেওঁ চোকা বুদ্ধিৰ ছাত্ৰ নাছিল তথাপি শিকিবলৈ প্ৰবল ধাউতি আছিল। ইংৰাজী আছিল তেওঁৰ অতি প্ৰিয় বিষয়।

এবাৰ স্কুল পৰিদৰ্শন কৰিবলৈ তেওঁলোকৰ স্কুললৈ ইন্সপেক্টৰ আহিছিল। ইন্সপেক্টৰে লালবাহাদুৰহঁতৰ ক্লাচলৈকেও আহিছিল। তেওঁ ক্লাছৰ ল'ৰা-ছোৱালী বিলাকক এটাৰ পাছত এটাকৈ ইংৰাজী পাঠ পঢ়িবলৈ দিলে। লালবাহাদুৰৰ ইংৰাজী উচ্চাৰণত তেওঁ সন্তুষ্ট হ'ল আৰু প্ৰশংসা কৰিলে। এইদৰে লালবাহাদুৰৰ স্কুলৰ দিনবোৰ গৈ থাকিল। এদিন ক্লাছ মাষ্টাৰে হাজিৰা কৰোতে লক্ষ্য কৰিলে যে লালবাহাদুৰ তিনিদিন অনুপস্থিত। অসুখ-বিসুখ নাইবা ঘৰুৱা কিবা কামত স্কুললৈ আহিব নোৱাৰিলে অভিভাৱকে খবৰ দি যোৱাৰ নিয়ম। সেয়ে প্ৰধান শিক্ষকে চাইকেল মাৰি সিহঁতৰ ঘৰলৈ গৈ মাকৰ মুখত লালবাহাদুৰৰ কথা শুনি তেওঁ আচৰিত হ'ল। কাৰণ সি হেনো সদায় বহী-কিতাপ লৈ যোৱাৰ সময়ত যায় আৰু সময়মতে ঘৰ পায়হি। তাৰ পাছত অলপ সময় বহি শিক্ষক গ'লগৈ। মাকে লালবাহাদুৰ অহালৈ বৈ থাকিল। সি সময় মতে আহি ঘৰ পালেহি। মাকে তাক তিনিদিন স্কুললৈ নোযোৱাৰ কাৰণ সুধিলে। কিন্তু লালবাহাদুপৰ বিনীতভাৱে উত্তৰ দিলে, — 'আই মই স্কুললৈ নোযোৱাটো সঁচা। কাৰণ, সিখন গাঁৱত থকা মোৰ বন্ধু এজনৰ অসুখ। মই তাৰ অৱস্থা দেখি এই তিনিদিন তাকে শুশ্ৰূষা কৰিবৰ বাবে তিনিদিনে স্কুললৈ যোৱা নাছিলো। তাৰ অৱস্থা দেখি মোৰ বেয়া লাগিল। মই স্কুললৈ যোৱাৰ কথা পাহৰি গ'লো। তোমাক নোকোৱাৰ বাবে মোৰ যদি কিবা দোষ হৈছে ক্ষমা কৰিবা। ল'ৰাৰ কথা শুনি মাকৰ খং মাৰ গ'ল।

দিন গৈ থাকিল। হৰিচন্দ্ৰ বিদ্যাপীঠৰ ঋষিতুল্য শিক্ষক নিষ্কামেশ্য মিশ্ৰই শ্ৰেণীত স্বদেশ প্ৰেমৰ কথা কৈছিল। স্বাধীনতাৰ প্ৰতিটো কথাই ছাত্ৰ লালবাহাদুৰৰ মন শিয়ৰাই তুলিছিল। তেওঁ গান্ধীজীৰ বক্তৃতা শুনি গান্ধীজীৰ শিষ্যত্ব গ্ৰহণ কৰি স্বাধীনতা আন্দোলনত নিজকে পণ কৰিব বুলি দৃঢ় প্ৰতিজ্ঞ হৈছিল। ভাৰতীয় নেতাসকল আৰু জনসাধাৰণক দমন কৰাৰ উদ্দেশ্যে ইংৰাজে 'ৰাউলাট আইন' নামৰ এখন নতুন আইন প্ৰৱৰ্তন কৰিলে। এই আইনৰ বলত চৰকাৰে যাকে-তাকে যেতিয়াই তেতিয়াই শাস্তি বিহাৰ ক্ষমতা লাভ কৰিছিল। এই আইনৰ বিৰুদ্ধে গোটেই ভাৰততে প্ৰতিবাদৰ ঢৌ উঠিল। সেই সময়ত মহাত্মাগান্ধী নৰিয়াপাটীত আছিল। তেওঁ নৰিয়াপাটীৰ পৰা ইবৰলাটক বাউলাট আইন কাৰ্যকৰী নকৰিবলৈ অনুৰোধ কৰিলে। কিন্তু ইংৰাজে তেওঁৰ অনুৰোধ অমান্য কৰিলে। সেই সময়তে গান্ধীজীয়ে সৰ্বপ্ৰথমবাৰৰ বাবে কংগ্ৰেছৰ নেতৃত্ব ল'লে। তেওঁৰ নেতৃত্বতে সত্যাগ্ৰহ আন্দোলন আৰম্ভ হ'ল। ১৯১৭ চনত গান্ধীৰ নেতৃত্বতে বিহাৰৰ চম্পাৰণ নামৰ জিলাত নীলখেতি কৰা খেতিয়কসকলৰ মাজত সত্যাগ্ৰহ চলিল। নীল কোম্পানীৰ মালিকসকলৰ অত্যাচাৰত খেতিয়কসকল জৰ্জৰিত হৈ পৰিছিল।

১৯২১ চনৰ কথা। হৰিচন্দ্ৰ বিদ্যাপীঠৰ সন্মুখেৰে এটি শোভাযাত্ৰাৰ দল পাৰহৈ যায়। 'মহাত্মা গান্ধী কি জয়' ভাৰত মাতা কি জয়'। আদি ধ্বনিৰে শোভাযাত্ৰাৰ দলটো আগবাঢ়িছিল। তেওঁলোকে ভাৰতমাতাৰ জয়ধ্বনি কৰিছিল। বেনাৰস বিশ্ববিদ্যালয়ৰ জাতীয়তাবাদী অধ্যাপক কেইজনমানেও এই শোভাযাত্ৰাত যোগদান কৰিছিল আৰু অসহযোগ আন্দোলনৰ প্ৰতি তেওঁলোকে সমৰ্থন জনাইছিল।

লালবাহাদুৰ ক্লাছত স্থিৰেৰে থাকিব পৰা নাছিল। ১৫ বছৰীয়া লালবাহাদুৰে প্ৰবল উত্তেজনাৰে ক্লাছৰ পৰাই ওলাই আহিছিল আৰু শোভাযাত্ৰাত যোগ দিছিল। তেওঁৰ মনৰ কল্পনা পূৰ্ণ হ'ল। দেশ মাতৃৰ আহ্বানত তেওঁ নিজৰ পাৰিবাৰিক আহুকালৰ কথা পাহৰি পেলালে।

অসহযোগ আন্দোলনত লালবাহাদুৰ কিছু দিন ঘূৰিল। আন্দোলনৰ ব্যাপকতা লাহে লাহে বাঢ়ি আহিল। চৰকাৰে বে-আইনী বুলি ঘোষণা কৰা এই শোভাযাত্ৰাত লালবাহাদুৰেও যোগদান কৰিলে। কিছুদিন যোৱাৰ পাছত পুলিচে দলটোক আগভেটি ধৰিলে। দলটো কিছু পিছুৱাই যাবলৈ সন্মত নহ'ল। পুলিচে দলটোৰ নেতৃস্থানীয়জনক গ্ৰেপ্তাৰ কৰিলে। লালবাহাদুৰো গ্ৰেপ্তাৰ হ'ল। পিছদিনা বিনা বিচাৰে তেওঁলোকক এৰি দিয়া হ'ল।



এই ঘটনাৰ কিছুদিনৰ পাছত লালবাহাদুৰে কাশী বিদ্যাপীঠত অধ্যয়ন কৰিবলৈ যায়। এই কালছোৱাত তেওঁৰ কাৰণে সুখৰ নাছিল। ঘৰৰ পৰা বিদ্যাপীঠলৈ অহা-যোৱা কৰোতে নিতৌ ছয়-সাত মাইল খোজকাঢ়িব লাগিছিল। তথাপি তেওঁ হতাশ হোৱা নাছিল।

তেওঁ পাৰেমানে অধ্যয়ন কৰিছিল। স্কুলৰ অধ্যয়ন শেষ কৰি তেওঁ বাহিৰা পুথিত মনোনিৱেশ কৰিছিল। ৰামকৃষ্ণ পৰমহংস, স্বামী বিবেকানন্দ, আদি বিখ্যাত মনীষীসকলৰ চিন্তামূলক গ্ৰন্থসমূহে তেওঁৰ হৃদয়ত প্ৰভাৱ পেলাইছিল। কাশীবিদ্যাপীঠত অনুষ্ঠিত হোৱা অধ্যয়নচক্ৰ, আলোচনাচক্ৰ, তৰ্কসভা আদি অনুষ্ঠানত তেওঁ আন্তৰিকতাৰে যোগদান কৰিছিল।

চাৰি বছৰ অধ্যয়ন কৰি তেওঁ পৰীক্ষা দিলে। এয়ে আছিল তেওঁৰ জীৱনৰ শেষ পৰীক্ষা-পৰীক্ষাত তেওঁ উত্তীৰ্ণ হ'ল। বিদ্যাপীঠৰ পৰা তেওঁ 'শাস্ত্ৰী' উপাধি পালে। তাৰ পাছৰে পৰা তেওঁ লালবাহাদুৰ শাস্ত্ৰী নামেৰে জনাজাত হ'ল।

২৩ বছৰ বয়সতে লালবাহাদুৰে মধ্যবিত্ত পৰিয়ালৰ জীয়ৰী ললিতাদেৱীক বিয়া কৰায়। ন-জোঁৱাই লালবাহাদুৰে যৌতুকত কি কি নিব তাৰ হিচাব দিলে মাথোঁ দুপদ বস্তুৰ- কেইগজমান খদ্দৰ কাপোৰ আৰু এটা যঁতৰ।

১৯২১ চনত স্বাধীনতা আন্দোলনৰ অন্যতম বিখ্যাত নেতা লাল লাজপট ৰায়ে বোম্বেত লোকমণ্ডল অৰ্থে এটা অনুষ্ঠান খুলিলে। ২৩ বছৰীয়া লালবাহাদুৰে মণ্ডলৰ সভাপতি লাল লাজপট ৰায়ক দেখা কৰি নিজৰ মনোভাৱ বিনীতভাৱে প্ৰকাশ কৰিলে। কিন্তু লালবাহাদুৰে সহজে স্বীকৃতি নাপালে। তথাপি লালবাহাদুৰে নিজৰ সংকল্প এৰি নিদিলে। সাতোটা দিন কঠোৰ পৰীক্ষাৰ হিচাপে স্বীকৃতি পালে। স্বীকৃতি পোৱাত তেওঁক সহায় কৰিছিল মহাত্মাগান্ধী আৰু ঠক্কৰ বাপাই। মহাত্মাৰো চকুত পৰিছিল লালবাহাদুৰৰ নিষ্ঠাভৰা কাম-কাজবোৰ। কিন্তু লালবাহাদুৰে কেতিয়াও নিজৰ প্ৰচাৰ বিচৰা নাছিল।

১৯৩৬ চনত লালবাহাদুৰে এলাহাবাদৰে সমষ্টিৰ পৰা কংগ্ৰেছৰ প্ৰতিনিধি হিচাপে কৃতিত্বৰে বিজয়ী হ'ল। ১৯৬৪ চনৰ ২৭ মে' তাৰিখে ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ মৃত্যু হয়। তেওঁৰ মৃত্যুত ভাৰতবাসী শোকাতুৰ হ'ল। প্ৰধানমন্ত্ৰীৰ পদৰ বাবে প্ৰাৰ্থিত্ব আগবঢ়ালে মোৰাৰজী দেশাই আৰু জগজীৱন ৰামে। কিন্তু প্ৰস্তাৱিত হ'ল লালবাহাদুৰৰ নাম। অৱশেষত গণতন্ত্ৰৰ মৰ্যাদা ৰাখি লালবাহাদুৰ শাস্ত্ৰী ভাৰতৰ প্ৰধানমন্ত্ৰীৰূপে নিৰ্বাচিত হ'ল।

দেশৰ এশ এবুৰি চিন্তাৰ মাজত প্ৰধানমন্ত্ৰী হৈয়ো লালবাহাদুৰ হতাশ নহ'ল। স্পষ্ট দূৰদৰ্শিতা, দৃঢ় অথচ সংযত মনোবল, ঠিক সময়ত লব পৰা উচিত সিদ্ধান্ত, স্পষ্টবাদিতাৰে তেওঁ আগবাঢ়িছিল সকলো সমস্যা মূৰ পাতিলৈ সমাধান কৰিবলৈ।

১৯৬৬ চনৰ ১১ জানুৱাৰী তাৰিখে নিশা এক বাজি বত্ৰিছ মিনিটত ভাৰতৰ প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু হয়।

# দীঘলীপুখুৰীৰ পাৰৰ সন্ধিয়াৰ আমেজ

**ৰূপক অধিকাৰী**



সৌসিদিনাৰ স্মৃতি মনত আছেনে?
তোমাৰ, আমি যে একেলগেই
দুয়ো হাতে হাত ধৰি বহুত
প্ৰেমানুভূতিৰ কথা পাতিছিলো।

মনত পৰিছেনে? তোমাৰ,
সন্ধিয়া ফুৰিবলৈ যোৱা
দীঘলীপুখুৰীৰ পাৰৰ
সেই আন্ধাৰে আৱৰা বাট
সেই দোকানখন য'ত আমি দুয়ো
একেলগে চাহৰ জুতি লৈছিলো
আৰু বহুত কিবাকিবিৰ আমেজ।
পুখুৰীৰ পাৰত
দুয়ো সেই সময়ত পাৰ্কৰ
পৰিৱেশৰ লগত বিলীন হৈছিলো,
ঠিকেই
কিন্তু পুখুৰীৰ প্ৰাকৃতিক পৰিৱেশ
নিকা নোহোৱা বাবেই
বৰ দুখ পাইছিলো।

জানা! হয়তো অনাকাংক্ষিত লোকৰ অসাৱধানতাৰ
বাবেই
চিপচৰ পেকেট, বটল,
আৰু বহুত পেলনীয়া আৱৰ্জনা
পৰি আছিল য'ত ত'ত
সেই পানীভাগতো আৰু যে কিমান
পেলনীয়া বস্তু।

সেয়ে দুখ লাগে জানা প্ৰেমৰ কাহিনীবোৰ
লিখিবলৈ...

মনত আঁকা চিত্ৰখনৰ দৰেই
আকৌ আমি দুয়ো কিছু দিন কিছু পহৰ
পাছতো যাতে দেখিব পাৰো
দীঘলী পুখুৰীৰ পাৰৰ সৈতে
এই মহানগৰীৰ
সুন্দৰ, পৰিষ্কৃত, একস্বচ্ছ নিকা
পৰিৱেশ সেয়াই হওঁক সকলোৰে কাম্য...

# মা

**জয়ন্ত দাস**

মা, তোমাৰ ন মাহ দহ দিনৰ
কঠোৰ তপস্যাৰ অন্তত
জন্ম পোৱা
মই এতিয়া এজন
পূৰ্ণাংগ মানুহ
অনিদ্ৰতা নিচুকাই থকা
তুমি এটি সুৰ মাথোঁ।

ভাগৰুৱা বতাহে
কোবাই যোৱা মোৰ শৰীৰে
তোমাৰ চাদৰৰ আঁচলত
মুখ গুজি জিৰণি লয়
তোমাৰ কোলাতেই
স্বৰ্গৰ সন্ধান কৰে জীৱনে।

তোমাৰ গৰ্ভতেই
ন মাহ
মোৰ জীৱনৰ কচৰৎ
কলিজাৰ ৰক্ত প্ৰবাহত
তুমি আছা মাথোঁ
জীৱনৰ ছাঁ হৈ মোৰ ।

জীৱন দস্তাবেজৰ
অক্লান্ত সৈনিক তুমি
স্বপ্নময় দুচকুত তোমাৰ
সাৱে থাকে মাথোঁ
জীৱন জিনাৰ হেঁপাহ।

তোমালৈ অভিমান মোৰ
ৰ'দে পোৰা দেহাটি লৈ
কিদৰে থিয় দি থাকা তুমি
মোৰ দুখৰ জোলোঙাখনত
সুখৰ হুমুনিয়াহবোৰ লৈ।

# প্ৰেম

**হিতেশ বৈশ্য**

ভালপোৱাৰ গোটেই চহৰ আজুৰি
বুকুৰ খোচনিত মোলৈ কি আনিছা
লাউফুলৰ এধানিমান ভেম
নে হাতৰ মুঠিত আনিছা
বাওধানৰ থোৰ চেলেকা
পাহোৱাল আহিনৰ প্ৰেম।
তোমাক আদৰাৰ হেঁপাহত
জুইফুল ফুলে
ঘাম মচি মচি উজাগৰি ৰাতি
ভোকত মৰে
পথাৰৰ বুকুৰ এহালি ডাউক।
চিতল বৰণীয়া মুধচৰ কোমোৰাৰ পিঠিত
বেজাৰ সাবটি জোন বহে
সৰিয়হ ফুল সিঁচি যায়
তোমাৰ বুকুৰ লাস্যময়ী খিৰিকীত।
তোমাৰ প্ৰেমত পৰিম দিয়া
ভাগৰত তিতা ৰাতি
ভোক একাষৰীয়া কৰি
মাথোঁ আঙুলিৰ ফাঁকত আনিবা
অৰণ্যময় ধানৰ ঠুঁৰি।





# সপোন

**প্ৰিয়ংকা ডেকা**

সপোনৰ দিকছৌ বাটত,
ঘূৰিম দিয়া এদিন একেলগে,
য'ত তুমি থাকিবা,
য'ত মই থাকিম।।
য'ত তুমি-মই, আমি হ'ম।।

আকাশৰ ৰামধেনুৰ ৰংবোৰেৰে সজাম,
এটি নতুন ঘৰ,
মৰমবোৰ হৈ ৰ'ব মুকুতাৰ পথাৰ,
হাঁহিবোৰ হ'ব বাখৰ আৰু অশ্ৰু হ'ব মাথোঁ সাথৰ।।

দুখবোৰ ডুব যাব হেঙুলি বেলিৰ স'তে
সুখৰ বাগিচাৰে উজলাম আমাৰ জীৱন
আমাৰ যে এই নতুন সপোনৰ সোণালী ৰহন,
চাবা, দেখিবা, জানিবা।।
ছটিয়াই দিম চৌদিশে দুয়ো,
চিৰপ্ৰবাহিত কৰাই
প্ৰেম নামে ৰূপ গঢ়াই..।।

# গধূলি গোপাল

**মৃণালী শইকীয়া**



মোৰ পদূলিৰ জোনাকত
গধূলি গোপাল কিয়নো ফুলিলা
মোৰ সেউজীয়া প্ৰাণত
এয়া কিহৰ জিলিকনি সানিলা

তোমাৰ অকণি পাতৰ ফেনিল শুভ্ৰতাত
বুৰাই নিলা জোন-তৰাৰ মেলা
তোমাৰ সেউজী শিপাৰ সমীপত
তুমিয়েই জ্যোতিৰ মেঘ নিগৰালা

# কল্পনাৰ স্তৱক

**টোলন তছা**

(১)
ফুল বুলি দুনাই ভুলকে সাবটিলো
নিজ হাতেৰে সপোনৰ কলিবোৰ ছিঙিলো
মৰমৰ বোলেৰে নীলা আকাশখনৰ ছবি
আঁকোতে আঁকোতে মই ভাগৰি পৰিলো।

২)
নিশাৰ নিজানত ফেঁচাই উৰুলি মাৰে
এবুকু আশাবোৰ থানবান হয় বাৰে বাৰে
বনৰ জুয়ে জানোচা কাৰোবাৰ হৃদয় পোৰে
মনৰ জুয়েহে অঘৰী সজাই দিহিঙে-দিপাঙে।

৩)
আৱেগবোৰ কেতিয়াবা তৰা হৈ ফুলে
ৰঙা গোলাপৰ পাহিবোৰ অজানিতে মৰহে
নেদেখা প্ৰিয়তমাৰ কথা কল্পনা কৰোতে কৰোতে
ৰণুৱা ডেকাৰ যৌৱন অস্তাচলত ভটিয়ালে।

# তামুলপুৰত সুৰেশ চন্দ্ৰ পাঠকৰ শ্ৰদ্ধাৰ্ঘ গ্ৰন্থ উন্মোচন

**অসম ভূমি সেৱা, কুমাৰীকাটাঃ** তামুলপুৰ জিলা সদৰৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তথা একালৰ সু-অভিনেতা, অসম নাট্য সন্মিলন, অসম সাহিত্য সভা, তামুলপুৰ সত্ৰ সমাজৰ আজীৱন সদস্য, ছয়বছৰীয়া অসম আন্দোলন সক্ৰিয় কৰ্মী সুৰেশ চন্দ্ৰ পাঠকৰ প্ৰথম মৃত্যুবাৰ্ষিকীৰ দিনটোত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত তেওঁৰ পুত্ৰ হেমচন্দ্ৰ পাঠকৰ সম্পাদনাৰে প্ৰকাশ কৰি উলিওৱা 'আজীৱন শিক্ষক, কৰ্মযোগী, অফুৰন্ত হাঁহিৰ সঁফুৰা, সুৰেশ চন্দ্ৰ পাঠক, মন আৰু মানুহজন' শীৰ্ষক এক শ্ৰদ্ধাৰ্ঘ গ্ৰন্থ উন্মোচন কৰা হয়। পৰিয়াল, আত্মীয়-স্বজন আৰু বহুসংখ্যক গুণমুগ্ধৰ উপস্থিতিত এক মাংগলিক পৰিৱেশত শ্ৰদ্ধাৰ্ঘ গ্ৰন্থখন উন্মোচন কৰে সুৰেশ চন্দ্ৰ পাঠকৰ বাল্যবন্ধু, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তথা তামুলপুৰ পৌৰ সভাৰ অধ্যক্ষ প্ৰফুল্ল চন্দ্ৰ মহন্তই। শ্ৰদ্ধাৰ্ঘ গ্ৰন্থ উন্মোচন কৰি প্ৰফুল্ল চন্দ্ৰ মহন্তই সুৰেশ পাঠকৰ বাল্যকালৰ কেইবাটাও দিশ শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। শ্যামল দাসে আঁতধৰা শ্ৰদ্ধাৰ্ঘ গ্ৰন্থ উন্মোচনী সভাত অফুৰন্ত হাঁহিৰ ভঁৰাল সুৰেশ চন্দ্ৰ পাঠকৰ শিক্ষকতা কৰা সময়ৰ বহুকেইটা দিশ উল্লেখ কৰি তেওঁৰ আত্মাক বৈকুণ্ঠ গামী হোৱাৰ কামনা কৰে শিক্ষক মহেশ বৈশ্যই। উক্ত সভাত পাঠকৰ ভাতৃ দিবাকৰ পাঠক, দেৱেন পাঠক আৰু সমাজকৰ্মী তথা তামুলপুৰ উন্নয়ন খণ্ডৰ গাণনিক অনিল মেধিয়েও প্ৰয়াত পাঠকৰ গুণৰাজি শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। শ্ৰদ্ধাৰ্ঘ গ্ৰন্থ উন্মোচনৰ পূৰ্বে সুৰেশ পাঠকৰ প্ৰতিকৃতিত পুষ্পাঞ্জলি প্ৰদান কৰি প্ৰফুল্ল চন্দ্ৰ মহন্ত, গুঞ্জলতা পাঠক, দিবাকৰ পাঠক, অনিল মেধি আদিয়ে প্ৰয়াত পাঠকলৈ শ্ৰদ্ধা নিবেদন কৰে। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত পৰিয়াল-পৰিজনৰ উপৰিও তামুলপুৰ প্ৰেছ ক্লাৱৰ সভাপতি দীপক কুমাৰ পাঠক, সম্পাদক গুণজিৎ দাস প্ৰমুখ্যে বহুসংখ্যক গুণমুগ্ধ আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।




# সাহিত্য পৰ্যালোচক ধীৰেন শইকীয়াক সম্বৰ্ধনা



**বালিপোতাঃ** দৰঙৰ ঐতিহ্যমণ্ডিত বালিপোতাত দৰং কবি সমাজৰ সৌজন্যত অনুষ্ঠিত অসম কবি সমাজৰ পয়ত্ৰিশ সংখ্যক প্ৰতিষ্ঠা দিৱস এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে তেৰ মাৰ্চত অনুষ্ঠিত হৈ যায়। এই বৰ্ণাঢ্য এই অনুষ্ঠানত পতাকা উত্তোলন, বন্তিপ্ৰজ্বলন, মুকলি সভা, কাব্য সংকলন উন্মোচন আৰু কবি সমাৰোহৰ প্ৰতিটো কাৰ্যসূচীয়েই আছিল উপভোগ্য। উক্ত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসম কবি সমাজৰ সভাপতি ৰাজেন্দ্ৰ নাথ বৰদলৈ, সম্পাদকপ্ৰধান ৰাজীৱ কুমাৰ ফুকন, বিশিষ্ট কবি ড০ হৃদয়ানন্দ দাস, লোক সংস্কৃতি গৱেষক তৰুণ আজাদ ডেকা, লেখিকা মনীষা শৰ্মা, অধ্যাপক হেমেন ৰাজবংশী, মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, লেখক ড০ ভৱেশ দাস, বিনয় চলিহা, উদ্যোগী হেমপ্ৰভা দেৱী, দৰং কবি সমাজৰ সভাপতি চন্দ্ৰ প্ৰসাদ শইকীয়া, দৰং কবি সমাজৰ সম্পাদক জয়ন্ত ৰাজবংশী আদিৰ অংশগ্ৰহণে কাৰ্যসূচী উপভোগ্য হৈ উঠে, লগতে চল্লিশগৰাকী বিশিষ্ট কবিয়ে কবি সমাৰোহত স্বৰচিত কবিতা পাঠ কৰে। এই অনুষ্ঠানৰ মুকলি সভাতেই জ্যেষ্ঠ সাংবাদিক, বিশিষ্ট লেখক, অধ্যক্ষ ধীৰেন শইকীয়াক সম্বৰ্ধনা জনোৱা হয়। সমাজ আৰু সাহিত্যৰ দিশলৈ আগবঢ়োৱা অতুলনীয় বৰঙণিৰ চিনস্বৰূপে দৰং জিলা কবি সমাজে তেওঁৰ কৰ্মকুশলতা প্ৰকাশ কৰি এখন সম্বৰ্ধনা পত্ৰ, গামোচা আগবঢ়ায় শইকীয়ালৈ। দৰঙৰ ঐতিহ্যপূৰ্ণ ছিপাঝাৰৰ অন্তৰ্গত আঠিয়াবাৰী গাঁৱৰ বিশিষ্ট অৱসৰী শিক্ষকবীৰেশ্বৰ শইকীয়াৰ জ্যেষ্ঠ সন্তান ধীৰেন শইকীয়া গুৱাহাটীৰ নুনমাটিস্থিত পঞ্চদীপ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ পদত কাৰ্যনিৰ্বাহক কৰি থকাৰ সমান্তৰালভাৱে বিভিন্ন জনপ্ৰিয় বাতৰি কাকত, আলোচনীত নিয়মীয়াকৈ প্ৰবন্ধ, কবিতা, গল্প, উপন্যাসিকা, গ্ৰন্থ পৰ্যালোচনা আদি আগবঢ়োৱাৰ লগতে দৰঙৰ নৱ প্ৰজন্মৰ লেখক-লেখিকাসকলক এই দিশত বিভিন্ন ধৰণে উৎসাহিত কৰি আহিছে। সত্তৰৰ দশকৰ পৰাই লেখা-মেলাৰ লগত জড়িত শইকীয়া সামাজিক মাধ্যমৰো এগৰাকী জনপ্ৰিয় লেখক। অসমত ইতিবাচক তথা বিকাশমূলক সাংবাদিকতাৰ বাটকটীয়া শইকীয়া সম্প্ৰতি কৰ্মসূত্ৰে গুৱাহাটীৰ বাসিন্দা যদিও দৰং জিলাৰ বিভিন্ন সাহিত্য সামাজিক অনুষ্ঠানৰ লগতে বিভিন্ন ধৰণে সততে জড়িত হৈ এগৰাকী 'দৰং প্ৰাণ' সমাজহিতৈষীৰ পৰিচয় দি আহিছে। আধুনিক অসমীয়া কবিতা, ইতিহাস, বিজ্ঞানৰ বিবিধ বিষয়ৰ তত্ত্বমূলক আলোচনা, সাম্প্ৰতিক সামাজিক সমস্যা এইসমূহেই তেওঁৰ লিখাৰ বিষয়বস্তু। আধুনিক অসমীয়া কবিতাৰ কাব্যপৰ্যালোচকৰূপে সমাদৃত শইকীয়া এগৰাকী সুবক্তাও। বহু গৱেষণাধৰ্মী তথা তথ্যগধুৰ নিবন্ধ ৰচনাৰে তেওঁ অন্যতম সামাজিক দায়বদ্ধতাৰ পৰিচয় দি আহিছে। কেইবাটাও দশক জুৰি অসমীয়া ভাষাৰ জাতিটোক স্বকীয় পৰিচয় দিবলৈ সক্ষম হোৱা অসমৰ জাতীয় বিদ্যালয় আন্দোলনৰ অন্যতম হোতা বুলি স্বীকৃত বিদ্যায়তনিক দিশতো শইকীয়াই কেইবাখনো বিদ্যালয় সুপৰিচালনাৰে যথেষ্ট অৱদান আগবঢ়াই আহিছে।

## পাটেকীবড়ি সত্ৰত ডাষ্টবিন প্ৰদান

**মৈৰাবাৰীঃ** অসমৰ সৰ্ববৃহৎ নাৰীবাদী সংস্থা 'মহিলা সজাগতা আৰু গ্ৰামোন্নয়ন সংস্থা তথা জ্যোতিৰ্ময় সমাজ (Wariors)ৰ মৈৰাবাৰী আঞ্চলিক সমিতিয়ে মৰিগাঁও জিলা সমিতিৰ সহযোগত মৰিগাঁও জিলাৰ মৈৰাবাৰীস্থিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান 'শ্ৰীশ্ৰী আলিপুখুৰী পাটেকীবড়ি থান (সত্ৰ)ত যোৱা ১৮ মাৰ্চত ৰূপায়ণ কৰে এক ডাষ্টবিন প্ৰদান কাৰ্যসূচী। ৰঙৰ উৎসৱ ফাকুৱাৰ লগতে সংগতি ৰাখি অতি উলহ-মালহেৰে চলি থকা মেলা উপভোগ কৰিবলৈ থানখনত অজস্ৰ ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটাৰ ফলত যাতে পৰিৱেশ লেতেৰা আৰু কদৰ্যময় নহয়, তাৰ বাবে সত্ৰ চৌহদ তথা বাকৰিত আৱৰ্জনা ৰখা বাকচ (ডাষ্টবিন) আগবঢ়ায় সংস্থাই। এই কাৰ্যসূচীত সহযোগ কৰে সংস্থাৰ মৰিগাঁও জিলাৰ সভানেত্ৰী মিছিৰা বেগম, বিত্ত সম্পাদক আলম বাহাৰুল ইছলাম আৰু মৈৰাবাৰী আঞ্চলিকৰ সম্পাদক আজিজুৰ ৰহমান, বিত্ত সম্পাদিকা নাজৰিণা ৰহমান, সদস্য খাইৰুল ইছলাম, মোস্তাক আহমেদ, মফিদুল ইছলামে। সংস্থাৰ এনে পদক্ষেপক সত্ৰ পৰিচালনা সমিতিৰ সম্পাদক সত্য নাৰায়ণ ডেকাই ভূয়সী প্ৰশংসা কৰে।

# আজাৰা সাহিত্য সভাৰ 'সাহিত্য বৈঠক'




**গুৱাহাটীঃ** আজাৰা জ্যেষ্ঠ নাগৰিক মঞ্চৰ কাৰ্যালয়ত যোৱা ২০ মাৰ্চত আজাৰা সাহিত্য সভাৰ সভাপতি ধীৰেশ্বৰ দাসৰ সভাপতিত্বত 'সাহিত্য বৈঠক' অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে প্ৰতিবেদন পাঠ কৰে আজাৰা সাহিত্য সভাৰ সম্পাদক বিজুলী দাসে। বিশিষ্ট অতিথি তৰুণ চন্দ্ৰ মেধি উপস্থিত থকা অনুষ্ঠানটোত সাহিত্য পৰ্যালোচনা কৰে মহীধৰ কলিতাই। অনুষ্ঠানটি আঁত ধৰে চিৰঞ্জীত দাসে। স্বৰচিত কবিতা পাঠ কৰে চিৰঞ্জীত দাস আৰু মহীধৰ কলিতাই। কবিতা আবৃত্তি কৰে সুকন্যা ঘোষ, দৰথী দাস আৰু অৰ্পণা ডেকাই। স্বৰচিত অনুগল্প পাঠ কৰে ত্ৰিবেণী দাসে। স্বৰচিত প্ৰবন্ধ পাঠ কৰে ভাৰতী দাস আৰু বিজুলী দাসে। লোকগীত পৰিৱেশন কৰে প্ৰণিতা দাসে। বৰগীত আৰু আধুনিক গীত পৰিৱেশন কৰে পৱিত্ৰ কুমাৰ দাসে। স্বৰচিত গীতৰ সুৰ আৰু কণ্ঠদান কৰে শিল্পী খগেন মেধিয়ে।

*১ পৃষ্ঠাৰ পৰা*

## জোঙাল বলহু গড়

মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁ ইতিপূৰ্বে কৰা ঘোষণা অনুসৰি ৫০ কোটিৰো অধিক পুঁজি ব্যয়েৰে জোঙাল বলহু গড়ক পুনৰুজ্জীৱিত কৰাৰ লগতে বিভিন্ন উপাদানৰ সংযোজনেৰে এই গড়ক এক আকৰ্ষণীয় পৰ্যটনক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে এক বিস্তৃত প্ৰকল্প হাতত লোৱা হ'ব। পৰৱৰ্তী তিনি-চাৰিমাহৰ ভিতৰতে এই প্ৰকল্পৰ কাম আৰম্ভ হ'ব বুলি জানিবলৈ দি তেওঁ কয় যে প্ৰকল্পটো সম্পূৰ্ণ হৈ উঠিলে জোঙাল বলহু গড় মধ্য অসমৰ এক জাকতজিলিকা পৰ্যটনথলী হৈ উঠিব। প্ৰকল্পটোৰ সবিশেষ ব্যাখ্যা কৰি ড° শৰ্মাই কয় যে কাম-কাজখিনিক মুঠ তিনিটা ভাগত বিভক্ত কৰা হ'ব, গড়ৰ দুয়ো মূৰৰ দুটা অংশ আৰু মাজৰ মূল অংশ। তেওঁ কয় যে এই অভিলাষী প্ৰকল্পৰ অংশ হিচাপে এই স্থানত এটা প্ৰেক্ষাগৃহ আৰু এক মুকলি মঞ্চও নিৰ্মাণ কৰা হ'ব। শিশু উদ্যান, প্ৰমোদ উদ্যান, শব্দ আৰু পোহৰ প্ৰদৰ্শনী আদিৰো ব্যৱস্থা থাকিব। জলৰাশিৰ ওপৰেৰে কেইবাখনো ওলমা দলং নিৰ্মাণ কৰা হ'ব। বিশাল প্ৰকল্প চৌহদৰ ভিতৰত পৰ্যটকৰ ভ্ৰমণৰ সুবিধাৰ বাবে বিদ্যুৎচালিত ৰিক্সা, খোৱা-বোৱাৰ সুবিধাৰ বাবে কেফেটেৰিয়াৰো ব্যৱস্থা থাকিব। মুঠতে জোঙাল বলহু গড়ক দৰ্শনাৰ্থীৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি তোলা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। এই পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, নগাঁও সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস আৰু বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীও উপস্থিত আছিল।

## প্ৰতি ইউনিটত বিদ্যুৎ

প্ৰতি ইউনিটত ৫৯ পইচাকৈ বৃদ্ধি পাব। ইপিনে ৰাজ্যৰ অধিকাংশ জনতাই আৰ্থিক সংকটত ভুগি থকাৰ সময়তে চৰকাৰে বিদ্যুৎ মাচুল বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰাত ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিভিন্ন দল-সংগঠনে বিদ্যুৎ মাচুল বৃদ্ধিৰ সিদ্ধান্তৰ প্ৰতিবাদ জনাইছে। বাওঁপন্থী দলসমূহে বিদ্যুৎ মাচুল বৃদ্ধিৰ তীব্ৰ বিৰোধীতা কৰিছে। ডিবাই এফআইয়ে চৰকাৰৰ এই সিদ্ধান্ত বাতিল কৰিবলৈ দাবী জনাইছে। ৰাজ্যৰ আন বিভিন্ন দল-সংগঠনেও বিদ্যুৎ মাচুল বৃদ্ধিৰ সিদ্ধান্তক পৰিহাৰ কৰি ২৪ ঘণ্টাই ৰাইজক বিজুলী যোগান ধৰিবলৈ চৰকাৰক দাবী জনাইছে।

### 'আজমলৰ নেগুৰত ধৰাই কংগ্ৰেছৰ একমাত্ৰ বিকল্প'

# পৱিত্ৰ-ৰণগৌৰা গতিশীলতাৰ প্ৰতিনিধি ঃ ভাৰতীয় জনতা পাৰ্টি

**গুৱাহাটীঃ** 'সমাজৰ বিবৰ্তন আৰু সময়ৰ পৰিৱৰ্তনশীল স্বভাৱৰ প্ৰতি লক্ষ্য ৰাখিয়েই ভাৰতীয় জনতা পাৰ্টিয়ে দলৰ কাৰ্যকৰ্তা আৰু নেতৃত্ব তৈয়াৰ কৰাত সদায় মনোনিৱেশন কৰি আহিছে। ব্যাপক ৰাজনৈতিক কৰ্মসূচীৰ আধাৰত দলে কাৰ্যকৰ্তাসকলক গতিশীল কৰি ৰাখে। নিৰ্বাচনী প্ৰচাৰ, জন সম্পৰ্ক, বৌদ্ধিক চৰ্চা আদিৰ মাধ্যমেৰে নতুন প্ৰগতিশীল যুৱ নেতৃত্ব তৈয়াৰ কৰাত দলে সৰ্বাধিক গুৰুত্ব দি আহিছে। অহা ৩১ মাৰ্চত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনতো দল এনেবোৰ দিশকে প্ৰাধান্য দিছে- এই মন্তব্য বিজেপি ৰাজ্যিক মুখপাত্ৰ ৰঞ্জীৱ কুমাৰ শৰ্মাৰ। বিজেপি অসম প্ৰদেশৰ ৰাজ্যিক কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনৰ পৰা বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত শৰ্মাই এনেদৰে মত পোষণ কৰে। সাংস্কৃতিক জগতৰ পৰা এক দশক পূৰ্বে ভাৰতীয় জনতা পাৰ্টিৰ ৰাজনীতিলৈ অহা পৱিত্ৰ মাৰ্ঘেৰিটাক দলীয় প্ৰাৰ্থী হিচাপে মনোনীত কৰি দলৰ গতিশীলতা আৰু নেতৃত্ব তৈয়াৰ কৰা প্ৰক্ৰিয়াৰ এটি উৎকৃষ্ট উদাহৰণ দাঙি ধৰা হৈছে বুলি ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ৰঞ্জীৱ কুমাৰ শৰ্মাই মত পোষণ কৰে। ঠিক একেদৰে আমাৰ মিত্ৰদল ইউপিপিএলেও প্ৰাক্তন ছাত্ৰ নেতা ৰণগৌৰা নাৰ্জাৰীক ৰাজ্যসভাৰ দ্বিতীয়খন আসনৰ বাবে প্ৰাৰ্থী কৰি ৰাজ্যৰ ৰাজনীতিত নতুন প্ৰজন্মৰ অংশীদাৰ বৃদ্ধি কৰাৰ ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰা বুলি বিজেপি মুখপাত্ৰজনে মতপোষণ কৰে। পৱিত্ৰ মাৰ্ঘেৰিটা আৰু ৰণগৌৰা নাৰ্জাৰীৰ প্ৰাৰ্থিত্বই Rajya Sabha is a House of Seniors বুলি থকা ধাৰণাৰো অন্ত পেলোৱা বুলি বিজেপি মুখপাত্ৰজনে বিবৃতিটোত উল্লেখ কৰিছে। ৰঞ্জীৱ কুমাৰ শৰ্মাৰ মতে ৰাজ্যসভাৰ প্ৰাৰ্থী দুজন অসমৰ গতিশীল নৱপ্ৰজন্মৰ প্ৰকৃত প্ৰতিনিধি। এনডিএৰ দুয়োজন প্ৰাৰ্থীৰ নিশ্চিত বিজয়ৰ কথা উল্লেখ কৰি বিজেপি মুখপাত্ৰ শৰ্মাই কংগ্ৰেছৰ প্ৰাৰ্থী ৰিপুণ বৰাক ব্যৰ্থ, ভাগৰুৱা, আৰু হতাশাগ্ৰস্ত বুলি বৰ্ণনা কৰে। বৰ্তমান সময়ত কংগ্ৰেছ দলত নতুনত্ব বুলিবলৈ একো নাই। গান্ধী-ৰ্বাৰ্ডা পৰিয়াল আৰু ৰাজ্যই ৰাজ্যই থকা তেওঁলোকৰ স্তাৱকসকলক বাদ দি দলটোত আত্মসন্মান থকা এজনো লোক নাই বুলি বিজেপি মুখপাত্ৰজনে কটাক্ষ কৰে। শৰ্মাৰ মতে কংগ্ৰেছৰ ৰাজ্যসভাৰ প্ৰাৰ্থী ৰিপুণ বৰা কেৱল স্তাৱকেই নহয় আজমল বাহিনীৰ-'দাঢ়ি টুপী বোৰ্খা আৰু লুঙী'ৰ চৰকাৰ বনোৱা তত্ত্বৰো পৃষ্ঠপোষক অসম আৰু অসমীয়াৰ স্বাভিমানৰ ভাবুক সৃষ্টি কৰাত সদায় অৰিহণা যোগাই অহা আজমল বাহিনীৰ নেগুৰত ধৰাৰ বাহিৰে খিলঞ্জীয়া জনসাধাৰণ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ পৰা কংগ্ৰেছ দলৰ আন কোনো বিকল্পই নাই বুলি শৰ্মাই মত পোষণ কৰে।

### স্বচ্ছ মনৰ অধিকাৰীসকলহে প্ৰকৃত শিল্পী-প্ৰাঞ্জনা দত্ত

# কমলপুৰত দহদিনীয়া বিহুৰ কৰ্মশালাৰ শুভাৰম্ভ



**অসম ভূমি সেৱা, কমলপুৰ ঃ** স্বচ্ছ মনৰ অধিকাৰীসকলহে প্ৰকৃত শিল্পী। গীত গালে, নৃত্য কৰিলে অথবা ঢোল পেঁপা আদি বিভিন্ন বাদ্যযন্ত্ৰ বজালেই একোজন লোক শিল্পী নহয়। শিল্পী হ'বলৈ সুন্দৰ মনৰ অধিকাৰী হ'ব লাগিব। কামৰূপ জিলাৰ কমলপুৰত বিশিষ্ট অভিনেত্ৰী প্ৰাঞ্জনা দত্তই যোৱা ১৯ মাৰ্চত এই মত প্ৰকাশ কৰে। কমলপুৰৰ জনপ্ৰিয় ক্লাবৰ উদ্যোগত আৰু কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাৰ সহযোগত কমলপুৰ মিনি ষ্টেডিয়ামত অনুষ্ঠিত বিহুনৃত্যৰ কৰ্মশালাৰ শুভাৰম্ভণি কৰি মোহময়ী অভিনেত্ৰীগৰাকীয়ে এনেদৰে কয়। মাংগলিক কাৰ্যসূচীৰে অনুষ্ঠানটো শুভাৰম্ভ কৰি অভিনেত্ৰীগৰাকীয়ে কয় যে মন্দিৰত গলেই যেনেদৰে লোক ধাৰ্মিক নহয় তেনেদৰে গীত গালে, নৃত্য কৰিলে অথবা ঢোল-পেঁপা আদি বিভিন্ন বাদ্যযন্ত্ৰ বজালেই একোজন লোক শিল্পী নহয়। সেয়ে প্ৰশিক্ষণত অংশগ্ৰহণ কৰা সকলো শিক্ষাৰ্থীয়ে শুদ্ধ মনৰে সংস্কৃতিৰ আৰাধনা কৰা উচিত। অনুষ্ঠানত উপস্থিত থাকি বিধায়ক দিগন্ত কলিতাই কমলপুৰত পোন প্ৰথমবাৰৰ বাবে আয়োজন কৰা এই বিহুৰ কৰ্মশালাই নতুন প্ৰজন্মৰ লোকসকলক বিহুৰ খুটিনাটিসমূহ শিকাই তুলিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰে। সকলো বয়সৰ প্ৰশিক্ষাৰ্থীৰ বাবে এই কৰ্মশালা মুকলি থাকিব বুলি উল্লেখ কৰি বিধায়ক কলিতাই প্ৰতিবছৰে কমলপুৰত বিহুৰ কৰ্মশালা কৰা হ'ব বুলিও সদৰী কৰে। ডেৰ শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই কৰ্মশালাত ঢোল-পেঁপা-গগনা-বিহুনৃত্য আদি অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা দহদিন প্ৰশিক্ষণ প্ৰদান কৰিব বুলি জানিব পৰা গৈছে। অনুষ্ঠানত কমলপুৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বীৰেন বৰুৱা, জনপ্ৰিয় ক্লাবৰ সভাপতি দীপক দাস, সাধাৰণ সম্পাদক ৰমেন ডেকা, ক্লাবৰ কৰ্মকৰ্তা প্ৰদীপ কুমাৰ ভৰালী, ভবতোষ ডেকা, বিপুল ডেকা, দিগন্ত সৰকাৰ, বুবুল ডেকা, হেমন্ত বৰা, গীতাৰ্থ ডেকা, হৰেশ্বৰ দাস, কুমুদ কাকতিকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

## গামখাৰুত বিশেষ ৰেহাই ঘোষণা ডুগডুগীৰ

**গুৱাহাটী ঃ** অসমীয়া গহনাৰ জনপ্ৰিয় প্ৰতিষ্ঠান ডুগডুগীয়ে ৰঙালী বিহু উপলক্ষে প্ৰতিযোৰ গামখাৰুত গ্ৰাহকৰ বাবে বিশেষ ৰেহাই ঘোষণা কৰিছে। অহা ১৫ এপ্ৰিল পৰ্যন্ত গ্ৰাহকে ডুগডুগীৰ বিপণীৰ পৰা প্ৰতিযোৰ গামখাৰু ২০ শতাংশ ৰেহাই মূল্যত ক্ৰয় কৰিব পাৰিব। অসমীয়া গহনাৰ ছেটতো আগতীয়াকৈ বুকিং কৰিলে গ্ৰাহকে এই ৰেহাইৰ সুবিধা লাভ কৰিব। ডুগডুগীৰ গুৱাহাটী, যোৰহাট, নগাঁও, ডিব্ৰুগড় আৰু লখিমপুৰ শাখাৰ উপৰিও গ্ৰাহকে ৮৮২২৬৫৩৩০৭ নম্বৰত ওৱাটছপ যোগে যোগাযোগ কৰিও এই ৰেহাইৰ সুবিধা লাভ কৰিব পাৰিব বুলি আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন ডিজাইনাৰ তথা ডুগডুগীৰ স্বত্বাধিকাৰ উৎপল বণিয়াই জানিবলৈ দিছে।

## জল নিষ্কাশন, বৰিঙৰ নিষেধাজ্ঞা প্ৰত্যাহাৰ কামৰূপ মহানগৰৰ উপায়ুক্তৰ

**গুৱাহাটীঃ** জনসাধাৰণৰ সেৱা তথা প্ৰকৃতিৰ জলস্তৰৰ সুৰক্ষাৰ স্বাৰ্থত আৰু লগতে ৰাইজৰ আবেদনৰ ভিত্তিত কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝায়ে যোৱা ১০ মাৰ্চত এক নিৰ্দেশনাৰ জৰিয়তে কেন্দ্ৰীয় ভূমি জল বৰ্ডৰ আগতীয়া অনুমতি অবিহনে বৰিং আৰু ভূমিৰ তলৰ পৰা জল নিষ্কাশন বন্ধ কৰাৰ নিষেধাজ্ঞা দিছিল। যোৱা ১১ তাৰিখে আন এক আদেশৰ জৰিয়তে জনসাধাৰণৰ ঘৰুৱা ব্যৱহাৰ (বাণিজ্যিক নহয়) আৰু সৈন্য বাহিনী আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ প্ৰতিষ্ঠানসমূহক এই নিষেধাজ্ঞাৰ পৰা ৰেহাই দিয়া হৈছিল। কিন্তু বৰ্তমানৰ শুকান বতৰ আৰু খোৱা পানীৰ নাটনিৰ প্ৰতি লক্ষ্য ৰাখি জনসাধাৰণৰ আবেদনৰ ভিত্তিত জনসেৱাৰ স্বাৰ্থত উপৰোক্ত দুয়োটা নিষেধাজ্ঞা উঠাই লৈছে জিলা প্ৰশাসন আৰু গুৱাহাটী পৌৰ নিগমে। বুধবাৰে এক আদেশৰ জৰিয়তে তৎকালীনভাৱে বলবৎ হোৱাকৈ নিষেধাজ্ঞা উঠাই লোৱাৰ পাছত আজি কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা আৰু গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত দেৱাশীষ শৰ্মাই এই সম্পৰ্কত এক সংবাদ মেল সম্বোধন কৰে। জিলা উপায়ুক্তৰ কাৰ্যালয় সভাকক্ষত অনুষ্ঠিত সংবাদমেলখনত উপায়ুক্ত পল্লৱ গোপাল ঝা আৰু আয়ুক্ত দেৱাশীষ শৰ্মাই কয় যে জল নিষ্কাশনৰ জৰিয়তে প্ৰকৃতিক ধ্বংসৰ গৰাহলৈ ঠেলি দিয়াৰ লগতে বহু সময়ত বৰিঙৰ গাড়ী আদিয়ে জল জীৱন বিপৰ্যস্ত কৰাৰ প্ৰতি লক্ষ্য ৰাখি জনসাধাৰণক আবেদনৰ স্বাৰ্থত বৰিং, জল নিষ্কাসন বন্ধ কৰা হৈছিল। কিন্তু বৰ্তমান শুষ্ক বতৰৰ প্ৰতি লক্ষ্য ৰাখি নিষেধাজ্ঞা উঠাই লোৱা হৈছে।

### 'অসমৰ বিহুশিল্পীৰ সামাজিক-আৰ্থিক সুৰক্ষাৰ বাবে কোনেও আগবাঢ়ি অহা নাই'

# বৰপেটা জিলা বিহুশিল্পী সংস্থাৰ বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম ভূমি সেৱা, ভৱানীপুৰঃ** 'অসমৰ মাটি আৰু মানুহৰ সংস্কৃতি বিহুক সুৰক্ষা দি সংস্কৃতিৰ পথাৰখন জীপাল কৰি ৰখা তথা জাতীয় অস্তিত্বক ৰক্ষা কৰি আগুৱাই নিয়া বিহু শিল্পীসকল সামাজিকভাৱে, অৰ্থনৈতিকভাৱে সুৰক্ষিত নহয়। বিহু সংস্কৃতিক জীয়াই ৰখা বিহুশিল্পীসকলে বহু ধুমুহাৰ সৈতে যুঁজি আহিছে। কিন্তু এই বিহুশিল্পীসকলৰ সামাজিক, আৰ্থিক সুৰক্ষাৰ বাবে কোনেও আগবাঢ়ি অহা নাই। অসম চৰকাৰ তথা চৰকাৰী সাংস্কৃতিক বিভাগেও শিল্পীৰ সামাজিক, আৰ্থিক সুৰক্ষাৰ কথা চিন্তা কৰা নাই। কিন্তু বিহুশিল্পীসকলৰ সামাজিক, আৰ্থিক সুৰক্ষাৰ বাবে বিহুক সঠিকভাৱে জীয়াই ৰখাৰ বাবে, অসমৰ জাতীয় অস্তিত্বক জীয়াই ৰখাৰ বাবে বিহুশিল্পী সংস্থা, অসমৰ জন্ম হৈছে। বিহু শিল্পীসকলৰ ১৬ টা সমস্যা সমাধানৰ বাবে অসম চৰকাৰক অনুৰোধ জনোৱা হ'ব। এই সন্দৰ্ভত অসমৰ মুখ্যমন্ত্ৰী আৰু সাংস্কৃতিক মন্ত্ৰীকো সাক্ষাৎ কৰি ১৬ টা সমস্যা অৱগত কৰা হ'ব। এই দাবীসমূহ চৰকাৰে মানি ল'ব লাগে।' এইদৰে কয় বিহু শিল্পী সংস্থা, অসমৰ সভাপতি দীপজ্যোতি হাজৰিকাই ২০ মাৰ্চত ভৱানীপুৰত অনুষ্ঠিত বৰপেটা জিলা বিহুশিল্পী সংস্থাৰ প্ৰথম বাৰ্ষিক অধিৱেশনৰ মুকলি সভাৰ মুখ্য অতিথিৰ ভাষণত। বৰপেটা জিলা বিহুশিল্পী সংস্থাৰ সভাপতি সুনীল দাসে সভাপতিত্ব কৰা ভৱানীপুৰৰ বিহু শিল্পী অসীম মেধি আৰু অপূৰ্ব কলিতাই আত ধৰা মুকলি সভাত বিহুশিল্পী সংস্থা, অসমৰ সম্পাদক পংকজ বৰাই নিৰ্দিষ্ট বক্তা, সাংস্কৃতিক সম্পাদক ৰবি ডেকাই বিশিষ্ট অতিথিৰূপে বিহু শিল্পী সংস্থা, অসমৰ নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত বক্তৃতা প্ৰদান কৰে। মুকলি সভাত নিমন্ত্ৰিত অতিথিৰূপে বিশিষ্ট সংগীত শিল্পী মাধৱ নাথ, সাংবাদিক তথা বিহু শিল্পী ৰাজীৱ তালুকদাৰে বক্তৃতা প্ৰদান কৰাৰ লগতে বিহুশিল্পী সংস্থা, অসমৰ কেন্দ্ৰীয় সদস্য ৰাজু সৰকাৰ, কৃতী শিক্ষক চণ্ডীপ্ৰসাদ দাস, অজিত চৌধুৰী, কৃতী শিক্ষক-নাট্যকাৰ দ্বীগেশ চন্দ্ৰ দাস, সাংবাদিক জিন্টুল তালুকদাৰ, কৌতুক অভিনেতা অনিৰুদ্ধ পাঠক, ভৱানীপুৰ আঞ্চলিক পঞ্চায়তৰ সদস্য নিতুল দাসকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে উপস্থিত থাকে। অধিৱেশন উপলক্ষে আজি পুৱাৰ ভাগত বিহু শিল্পী সংস্থা, অসমৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে প্ৰতিনিধি সভাও অনুষ্ঠিত হয়। উল্লেখ্য যে অধিৱেশনত বৰপেটা জিলাৰ ভিন্ন প্ৰান্তৰ তিনি শতাধিক শিল্পীয়ে অসমৰ পৰম্পৰা লোক-সংস্কৃতি বিহু নৃত্য, জেংবিহু, বিয়া গীত, টোকাৰী গীত, মহোহো, হোলীগীত আদিও পৰিৱেশন কৰি সংস্কৃতিৰে মুখৰিত কৰি তোলে। লগতে বিহুশিল্পী সংস্থা, অসমৰ কেন্দ্ৰীয় বিষয়ববীয়াসকলক বৰপেটা জিলাৰ বিহুশিল্পীসকলে এক সাংস্কৃতিক সমলেৰে উষ্ম আদৰণি জনায়।




**Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com**

**Editor: Baikuntha Nath Goswami**